www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. (Title) : ASSASS01389

‘ খঙে নিষ্প্ৰাণ মানুহকো প্ৰাণৱন্ত কৰে, কিন্তু লগতে দুখীয়াও কৰে।
--- ফ্ৰান্সিছ বেকন --- ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৬৪ ❐ শুকুৰবাৰ ❐ ১ আগষ্ট, ২০২৫ চন ❐ ১৫ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 164 ❐ Friday ❐ 1st August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

নন্দিনী কাণ্ডৰে নাম সাঙোৰ খাইছে USTMৰ স্বত্বাধিকাৰৰ

# ৫ লাখ টকাত মহবুবুল হকৰ ছামিউল হকৰ পৰিয়ালক মেনেজ কৰাৰ ঠিকা

নন্দিনীৰ হৈ তেওঁ মেডিকেললৈ আহিম বুলি কৈছিল; ছামিউলৰ আত্মীয়ৰ সংবাদমেলযোগে গুৰুতৰ অভিযোগ



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩১ জুলাই ঃ** বিতৰ্কই যেন লগ এৰা নাই অভিনেত্ৰী নন্দিনী কাশ্যপক। ছামিউল হকক দুৰ্ঘটনাত পতিত কৰি পলাবলৈ লওঁতেই একাংশ লোকে নন্দিনীক বাট আগুৰি ধৰি ভিডিও প্ৰস্তুত কৰি ভাইৰেল কৰাৰ পিছতেই ন ন তথ্য পোহৰলৈ আহিছে। এইবাৰ নাম সাঙোৰ খাইছে USTM ৰ স্বত্বাধিকাৰ মহবুবুল হকৰ। কিয়নো আজি ছামিউল হকৰ পৰিয়ালৰ লোকে সাংবাদমেলত গুৰুতৰ অভিযোগ আনিলে নন্দিনী কাশ্যপ আৰু USTMৰ স্বত্বাধিকাৰ মহবুবুল হকৰ ওপৰত। ▸▸৬ পৃষ্ঠাত

# অভিযন্তা যোষিতা দাসৰ মৃত্যুৰ CBIৰ তদন্তৰ সিদ্ধান্ত

কেবিনেট বৈঠকৰ অন্তত ঘোষণা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**অসম বাৰ্তা, মহানগৰ, ৩১ জুলাই ঃ** বঙাইগাঁৱৰ সহকাৰী অভিযন্তা যোষিতা দাসৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ ডাঙৰ ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে "কেইদিনমান আগতে লোকনিৰ্মাণ বিভাগৰ অভিযন্তা যোষিতা দাসে চৰম সিদ্ধান্ত হৈছিল। ▸▸৬ পৃষ্ঠাত

কিশোৰীৰ প্ৰতি অভব্য আচৰণ !

## আৰক্ষী চক্ৰ পৰিদৰ্শক অৰ্পণ শইকীয়াক শিমলুগুৰিলৈ বদলি



**অসম বাৰ্তা, আমগুৰি, ৩১ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত ▸▸৬ পৃষ্ঠাত

গুৱাহাটীৰ বনাঞ্চলত চলিছে ছাৰ্ভে; থলুৱা আৰু জনজাতীয় লোকক আশ্বস্ত মুখ্যমন্ত্ৰীৰ

# মহানগৰীৰ বেদখলকাৰী অখিলঞ্জীয়াৰ ভূমিত চলিব উচ্ছেদ

যিসকলৰ তিনিটা প্ৰজন্ম অসমত নাই, তেওঁলোকৰ বিৰুদ্ধেহে চলিছে এই সমীক্ষা ঃ ড° হিমন্ত বিশ্ব শৰ্মা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বনাঞ্চলত চলি থকা ছাৰ্ভে আৰু মিঞালেণ্ডৰ দাবীৰ বিষয়ে সংবাদমেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইয়াৰ উপৰি তেওঁ গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত সফলভাৱে সম্পন্ন হোৱা ▸▸৬ পৃষ্ঠাত



## অস্থায়ীভাৱেহে ভাৰতত আছে গৌৰৱ গগৈ ! শীঘ্ৰেই সলনি কৰিব নাগৰিকত্ব

গৌৰৱৰ গগৈ ভাৰতীয় টেলিভিশ্যনৰ নহয় পাকিস্তানৰ টেলিভিশ্যনৰহে হিৰ' ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩১ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈৰ সংসদত দিয়া ভাষণৰ তীব্ৰ সমালোচনা কৰি তেওঁক ভাৰতৰ বিৰুদ্ধে অৱস্থান গ্ৰহণকাৰী বুলি অভিযোগ কৰিছে। ▸▸৬ পৃষ্ঠাত




### ডবকাৰ মন্দিৰত গো-মাংস উদ্ধাৰৰ ঘটনা; ৭ জনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ

**অসম বাৰ্তা, মোৰাঝাৰ, ৩১ জুলাই ঃ** ডবকাৰ শতিকা প্ৰাচীন চাংমাজী বিষ্ণু ▸▸৬ পৃষ্ঠাত

### মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন সন্দৰ্ভত লোকসভাত আলোচনা

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ৩১ জুলাই ঃ** মণিপুৰত ১৩ আগষ্টৰ পৰা ▸▸৬ পৃষ্ঠাত

অসম-মেঘালয় সীমান্তত পুনৰ উত্তেজনা

## মেঘালয়ৰ লোকে আক্ৰমণ কৰিলে অসমৰ বনকৰ্মীক

আঞ্চলিক বন বিষয়া সংগীতা ৰাণী সিংহ আৰু কেইজনমান বনকৰ্মী আহত

**অসম বাৰ্তা, গুৱাহাটী, ৩১ জুলাই ঃ** বৃহস্পতিবাৰে অসম-মেঘালয় সীমান্তৰ গঁড়ভঙা বনাঞ্চলত পুনৰ উত্তপ্ত পৰিস্থিতিৰ ▸▸৬ পৃষ্ঠাত



নন্দিনী কাশ্যপৰ গ্ৰেপ্তাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

### প্ৰথম দিনা গ্ৰেপ্তাৰ কৰিলে জামিনত মুকলি হ'লহেঁতেন নন্দিনী কাশ্যপ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** গুৱাহাটী মহানগৰীৰ হিট এণ্ড ৰান দুৰ্ঘটনাক লৈ এইবাৰ মুখ খুলিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে "গুৱাহাটীৰ হিট এণ্ড ৰাণৰ ঘটনাটোত সেই দিনাই ৰাতি যদি অভিনেত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাহেঁতেনো লগে লগে জামিন দিব লাগিল- ▸▸৬ পৃষ্ঠাত

সুদীৰ্ঘ ১৭ বছৰৰ পাছত ৰায়দান

## মালেগাঁও বিস্ফোৰণৰ ৭ অভিযুক্তক দোষমুক্ত ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** প্ৰায় ১৭ বছৰৰ পাছত বৃহস্পতিবাৰে NIAৰ বিশেষ আদালতে মহাৰাষ্ট্ৰৰ মালেগাঁও চহৰত সংঘটিত বিস্ফোৰণৰ ৰায় প্ৰদান কৰে। ২০০৮ চনত মালেগাঁৱত সংঘটিত হোৱা বিস্ফোৰণত ৬গৰাকী লোক নিহত হোৱাৰ লগতে ১০০ৰো অধিক লোক আহত হৈছিল। প্ৰাক্তন বিজেপি সাংসদ প্ৰজ্ঞা ঠাকুৰ আৰু লেফটেনেণ্ট কৰ্ণেল প্ৰসাদ পুৰোহিতকে ধৰি ৭জন অভিযুক্তৰ ▸▸৬ পৃষ্ঠাত



সামাজিক মাধ্যমত আলফাৰ সমৰ্থনত পোষ্ট

## জাতীয় দল অসমৰ সাধাৰণ সম্পাদক প্ৰণৱ জ্যোতি চেতিয়াক গ্ৰেপ্তাৰ



**অসম বাৰ্তা, গুৱাহাটী, ৩১ জুলাই ঃ** হাতীগাঁও আৰক্ষীয়ে জাতীয় দল অসমৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট মানৱ অধিকাৰ কৰ্মী প্ৰণৱ জ্যোতি চেতিয়াক নিষিদ্ধ উগ্ৰপন্থী সংগঠন আলফা (স্বাধীন)-ৰ সৈতে জড়িত থকাৰ অভিযোগত যোৱা নিশা তেওঁৰ ভাড়াঘৰৰ পৰা গ্ৰেপ্তাৰ কৰিছে। চৰকাৰী সূত্ৰৰ পৰা প্ৰকাশ পোৱা মতে, ▸▸৬ পৃষ্ঠাত

অসম চৰকাৰলৈ জাননী উচ্চতম ন্যায়ালয়ৰ

## উচ্চতম ন্যায়ালয়ৰ নীতি-নিয়ম বহিৰ্ভূতভাৱে হাচিলাবিলত উচ্ছেদ

ন্যায়াধীশ বি. আৰ. গাৱাই, ন্যায়াধীশ বিনোদ চন্দ্ৰনৰ শুনানি পৰিচালনা



**অসম বাৰ্তা, নতুন দিল্লী, ৩১ জুলাই ঃ** বৃহস্পতিবাৰে দিল্লীস্থিত উচ্চতম ন্যায়ালয়ত গোৱালপাৰাৰ হাচিলা বিলত সম্পন্ন উচ্ছেদৰ বিৰুদ্ধে এক গুৰুত্বপূৰ্ণ গোচৰৰ শুনানি অনুষ্ঠিত হয়। এই উচ্ছেদৰ কাৰ্যকলাপ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ বিৰুদ্ধে হোৱাৰ অভিযোগ উত্থাপিত হৈছে। পিআইএল ডায়েৰী নং ৩৭৭৫৯/ ▸▸৬ পৃষ্ঠাত

বজ্ৰপাতৰ ফলত মৃত্যুৰ সন্দেহ; তদন্তকাৰী দল গঠন

## কাজিৰঙাৰ মোনা বিলত উপঙিছে বনৰীয়া ম'হৰ মৃতদেহ



**অসম বাৰ্তা, কাজিৰঙা, ৩১ জুলাই ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চলৰ মোনা বিলত ছটাকৈ বনৰীয়া ম'হৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ▸▸৬ পৃষ্ঠাত



## হোজাইত ঢোল বাদনৰ কৰ্মশালা

**অসম বাৰ্তা, ডবকা, ৩১ জুলাই ঃ** হোজাই জিলা সাহিত্য সভাৰ উদ্যোগত আৰু কাকী শাখা সাহিত্য সভাৰ সহযোগত আয়োজিত দহ দিনীয়া ঢোল বাদন কৰ্মশালাৰ ২৯ জুলাই তাৰিখে সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ সভাপতিৰ আসন অলংকৃত কৰে অৱসৰপ্ৰাপ্ত শিক্ষক শ্যাম দেউৰীয়ে। অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক পিলিঙা বৰদলৈ, সুবোধ ৰাজভৰ, হৰকান্ত ৰাজখোৱা, অতুল বৰদলৈ, ভূমিধৰ বৰ্মন, ৰাজ কুমাৰ বৰদলৈকে প্ৰমুখ্য কৰি কেইবা গৰাকীও সমাজ সচেতন ব্যক্তি। পুৰণা কাকী হাইস্কুল প্ৰাঙ্গনত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত অভিভাৱক - অভিভাৱিকা, উপস্থিত ৰাইজৰ সন্মুখত কুশীলৱসকলে ঢোল বাদন পৰিৱেশন কৰে। আমন্ত্ৰিত অতিথি তথা ৰাইজে কুশীলৱসকলৰ ভূয়সী প্ৰশংসা কৰে। দহ দিনীয়া ঢোল বাদন কৰ্মশালাৰ সমল ব্যক্তি হিচাপে আছিল অনুপম মেচ। এনেদৰে গ্ৰীষ্মৰ বন্ধত কেতবোৰ কাৰ্যসূচী ৰূপায়ণ কৰা বুলি এক প্ৰেছ বিবৃতি যোগে হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অচ্যুত ঠাকুৰীয়াই জানিব দিয়ে।

## জনীয়াত পথ দুৰ্ঘটনাত নিহত দুজন

**অসম বাৰ্তা, জনীয়া, ৩১ জুলাই ঃ** বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত জনীয়াত ২৯ জুলাই মঙ্গলবাৰে ফখৰুদ্দিন আলী আহমেদ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সন্মুখত সন্ধিয়াৰ ভাগত সংগঠিত হয় এক ভয়কৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত থিতাতে নিহত হয় ৰূপাকুছিৰ গাঁৱৰ বাদশাহ মিয়াৰ পুত্ৰ ইক্ৰামুল হুছেইন (২০) নামৰ যুৱক। আনহাতে দুৰ্ঘটনাত আহত হয় তজু মিয়া (৬০) নামৰ আন এগৰাকী বৃদ্ধ। উল্লেখযোগ্য যে জনীয়াৰ ৰূপাকুছি গাঁৱৰ বাদশা মিঞাৰ (২০) বছৰীয়া পুত্ৰ ইক্ৰামুল হুছেইনে এ এছ ১৫ এছ ০৬৮৮ নম্বৰৰ টিভি এছ আপাচি মটৰচাইকেলৰে গৈ থকা অৱস্থাত একে দিশে জনীয়া বজাৰৰ পৰা ঘৰলৈ গৈ থকা (৬০) বছৰীয়া তজু মিয়া নামৰ ব্যাক্তিজনক পিছফালৰ পৰা খুন্দিয়াই দিয়ে ইক্ৰামুল হুছেইনে। ফলত ইক্ৰামুল হুছেইন আৰু তজু মিয়া দুয়োজনেই গুৰুতৰভাৱে আহত হয়। ততাতৈয়াকৈ দুয়োকে বৰপেটাৰ ফখৰুদ্দিন আলী আহম্মেদ চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসালয়লৈ লৈ যোৱাৰ পথত ইক্ৰামুল হুছেইৰ মৃত্যু হয় আৰু চিকিৎসাধীন অৱস্থাত যোৱা নিশা ১০ বজাত তজু মিয়াই শেষ নিশ্বাস ত্যাগ কৰে। উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ আছিল ইক্ৰামুল হুছেইন আৰু ল'ৰা-ছোৱালী নথকা তজু মিয়াই পত্নীৰ সৈতে জনীয়া ৰিজাৰ্ভত বসবাস কৰিছিল। আজি বিয়লি ৫ বজাত জনীয়া আঞ্চলিক কবৰস্থানত একেলগে দুয়োৰে জানাজাৰ নামাজ সম্পন্ন কৰা হয়। কাৰ ভুলৰ বাবে এইদুৰ্ঘটনা সংগঠিত হ'ল সেয়া আৰক্ষীৰ তদন্তত স্পষ্ট হ'ব বুলি ধাৰণা কৰা হৈছে।

উচ্ছেদিতক অঞ্চলটোত স্থান নিদিয়াৰ সিদ্ধান্ত ঃ সংখ্যালঘু ৰাইজৰো অংশগ্ৰহণ

# লখিমপুৰৰ বধাকৰা কুচিয়ামাৰীত উচ্ছেদৰ সমৰ্থনত উলাই আহিল ৰাইজ



**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৩১ জুলাই ঃ** লখিমপুৰ জিলাৰ বধাকৰা কুচিয়ামাৰী ৰংগমঞ্চত ৩০ জুলাইত সংবাদ মাধ্যমক সম্বোধন কৰি চৰকাৰী ভূমি দখল কৰা সকলৰ বিৰুদ্ধে উচ্ছেদ অভিযানক সমৰ্থন জনাইছে অঞ্চলটোৰ সংখ্যালঘু ৰাইজৰ লগতে সকলো লোকে। অসমৰ বিভিন্ন ঠাইত চলি থকা উচ্ছেদৰ সমান্তৰালকৈ যদি প্ৰকৃততে কোনো লোকে বধাকৰা কুচিয়ামাৰীত চৰকাৰী ভূমি দখল কৰি থকা তথ্য প্ৰশাসনৰ ওচৰত আছে, তেন্তে তেনে লোকক উচ্ছেদ কৰাৰ আহ্বান জনাই ৰাইজে। কিন্তু প্ৰকৃত তথ্যৰ অবিহনে তথা উৰা বাতৰিৰ ভিত্তিত সাধাৰণ লোকক হাৰাশাস্তি কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাই চৰকাৰ তথা প্ৰশাসনক। আনহাতে, বিভিন্ন ঠাইত উচ্ছেদৰ সন্মুখীন হোৱা কোনো উচ্ছেদিত লোকক বধাকৰা কুচিয়ামাৰীত স্থান নিদিয়াৰ সিদ্ধান্তৰ কথা অৱগত কৰে স্থানীয় লোকে। কোনো সন্দেহযুক্ত লোকে এই অঞ্চলত প্ৰৱেশ কৰিলে ৰাইজৰ ক্ষোভৰ সন্মুখীন হ'বলাগিব বুলি স্পষ্ট সকীয়নি দিয়ে।

## জীৱন মৃত্যুৰে যুঁজ ধিঙত জুৱাৰীৰ আক্ৰমণত আহত আমছু কৰ্মী আলহাজুৰৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ৩১ জুলাইঃ** ধিঙৰ সূতাৰ গাঁৱত জুৱাখেল ভাঙিবলৈ গৈ ৰক্তক্ষয়ী হ'ব লগা হয় আমছু কৰ্মী। নৈপৰীয়া অঞ্চলত সংঘটিত হৈছে এই ঘটনা। অঞ্চলটোত একাংশ অসামাজিক লোকে নিতৌ চলাই আহিছে জুৱাখেলৰ লগতে ড্ৰাগছৰ ৰমৰমীয়া বেহা। এই বিষয়ে খবৰ পোৱাৰ পিচত কালি বিয়লি এনে অসামাজিক কাৰ্যত আমছুৰ নেতৃত্বই বাধা দিয়াত একাংশ দুবৃত্তই হাতে হাতে চোকা অস্ত্ৰ লৈ আক্ৰমণ কৰে আমছুৰ নেতৃত্বক। প্ৰথম অৱস্থাত জুৱাৰী সকলে আমছুৰ যুৱক সকলক জুৱা খেলত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণহে জনায়। ইয়াৰ বিৰুদ্ধে মাত মতাৰ লগতে অঞ্চলটোলৈ বিভিন্ন অঞ্চলৰ মানুহ অহাযোৱা কৰে বুলি কৈ পৰিবেশ বিনষ্ট নকৰিবলৈ আহ্বান জনায় কিন্তু জুৱাৰীৰ দলটোৱে এই কথাত ক্ষুণ্ণ হৈ আমছুৰ যুৱক সকলৰ ওপৰত জঁপিয়াই পৰি উপৰ্যুপৰি আক্ৰমণ কৰে। জুৱাৰীয়ে হঠাৎ কৰা এই আক্ৰমণত গুৰুতৰ ভাৱে আহত হয় আমছু কৰ্মী সকল। তদুপৰি আলহাজুৰ ৰহমানক চুৰিৰে আঘাত কৰাৰ ফলত গুৰুত্বৰ ভাবে আহত হয়। আলহাজুৰক ধিং এফ আৰ ইউত ভৰ্তি কৰে যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে চিকিৎসকে। আনহাতে দুবৃত্তৰ দলটোৰ নেতৃত্বত থকা সূতাৰ গাৱঁৰ দুলালৰ নেতৃত্বত আক্ৰমণ চলোৱা ৩০ জনীয়া দুবৃত্তৰ দলটোৰ বিৰুদ্ধে ধিং থানাত এজাহাৰ দাখিল কৰে আমছুৱে। ধিং আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১৯১(২)/ ১৯১(৩)/১১৮(২)/৩০৩(২) ধাৰাত ১৯০/২৫নম্বৰত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত বৰ্তমানেও তীব্ৰ উত্তেজনা অব্যাহত আছে।

ছত্তীশগড়ত মাওবাদীৰে সংঘৰ্ষত শ্বহীদ

## চৰাইদেউত শ্বহীদ প্ৰাঞ্জল পাছনীক মৃত্যু তিথিত সোঁৱৰণ

**অসম বাৰ্তা, বৰহাট, ৩১ জুলাই ঃ** চৰাইদেউ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ বৰহাট চৰাইপুং অঞ্চলৰ নগাহাট গাৱঁৰ সকলোৰে মৰমৰ বীৰ কোব্ৰা জোৱান, পিতৃ মাতৃ ক্ৰমে ডিম্বেশ্বৰ পাছনী আৰু অৰুণা পাছনীৰ হিয়াৰ আমঠু নয়ণৰ মণি ২৭ বছৰ বয়সত প্ৰাঞ্জল পাছনী ২০১৬ চনৰ ৩০ জুলাই চটিছ গড়ৰৰ চুকাম জিলাৰ গুচনপল্লি গাৱঁত মাওঁবাদীৰ লগত হোৱা সংঘৰ্ষত দেশৰ বাবে প্ৰাণ আহুতি দিছিল। মাওবাদীৰ লগত হোৱা মুখামুখি সংঘৰ্ষত দুজন মাওবাদীক শ্বহীদ প্ৰাঞ্জল পাছনীয়ে গুলিয়াই নিহত কৰিছিল। পৰৱৰ্তী সময়ত কোব্ৰা কামাণ্ডো প্ৰাঞ্জল পাছনীয়ে অধ্যয়ন কৰা নগাহাট হাইস্কুল চোহদৰ ভিতৰত চি আৰ পি এফৰ ফালৰ পৰা প্ৰাঞ্জলৰ স্মৃতি ৰক্ষাৰ্থে মাৰ্বল পাথৰেৰে এটি মূৰ্তি নিৰ্মাণ কৰা হৈছিল। ২০১৬ চনৰ পৰা ৩০ জুলাই দিনটোত চি আৰ পি এফৰ ফালৰ পৰা প্ৰাঞ্জল পাছনীৰ প্ৰতিমূৰ্তি মাল্যৰ্পন আৰু পুষ্পাঞ্জলি কৰি আহিছে আজি দিনটো তাৰ ব্যতিক্ৰম নহল। আজি পুৱা প্ৰায় ন বাজি ত্ৰিশ মান বজাত চি আৰ পি এফৰ ১৪৯ বি কোম্পানীৰ এটা দল নগাহাট হাইস্কুলৰ চৌহদৰ ভিতৰত থকা শ্বহীদ প্ৰাঞ্জল পাছনীৰ প্ৰতিমূৰ্তি স্থলীত উপস্থিত হয়। প্ৰাঞ্জল পাছনীৰ প্ৰতিমূৰ্ত্তি স্থলীতে চি আৰ পি এফৰ পৰা এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰে। স্থানীয় ৰাইজৰ উপৰিও ছাত্ৰ ছাত্ৰী উপস্থিত থকা স্মৃতি চাৰণ সভাত শ্বহীদ প্ৰাঞ্জল পাছনীৰ পিতৃ মাতৃক ফুলাম গামোচা আৰু চেলেং চাদৰৰে সতীৰ্থ সকলে সন্মান যাচে। ইয়াৰ পাছতে দেশৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া বীৰ কোব্ৰা জোৱান প্ৰাঞ্জলৰ প্ৰতিমূৰ্ত্তিত মাল্যৰ্পন কৰে চি আৰ পি এফৰ ১৪৯ বি বাহিনীৰ ক্ৰমে কামাণ্ডেন্ট শ্ৰী আশিস চন্দ্ৰ যাদৱ, ডেপুটি কামাণ্ডেন্ট শ্ৰীমতী ৰশ্মি দাস, সহকাৰী কামাণ্ডেন্ট ( খটখটিৰ ) শ্ৰী ধৰ্মেন্দ্ৰ সিং, উপনিৰীক্ষক শ্ৰী বিপিন চন্দ্ৰ দাসৰ উপৰিও এটি দ'লে। চৰাইপুঙ আৰক্ষী থানাৰ সহকাৰী বিষয়া উত্তম শইকীয়াও উপস্থিত থাকি শ্বহীদৰ প্ৰতিমূৰ্ত্তিত মাল্যৰ্পন কৰে। ইয়াৰ উপৰিও বীৰ শ্বহীদ প্ৰাঞ্জল পাছনীৰ প্ৰতিমূৰ্ত্তিত মাল্যৰ্পন কৰে দেউতাক ডিম্বেশ্বৰ পাছনী, মাতৃ অৰুণা পাছনী, ভাই বোৱাৰী দ্বীপশিখা পাছনী, বৌৱেক ৰীতা পাছনীয়ে ছাত্ৰ ছাত্ৰী সকলৰ উপৰিও স্থানীয় ৰাইজেও শ্বহীদ জনাৰ প্ৰতিমূৰ্ত্তিত পুষ্পাঞ্জলি অৰ্পন কৰে। উপস্থিত থকা ৰাইজ আৰু ছাত্ৰ ছাত্ৰী সকলক অখণ্ড ভাৰতৰ হকে কাম কৰি যাবৰ বাবে চি আৰ পি এফৰ ফালৰ পৰা আহ্বান জনোৱা হয়।

## ডিব্ৰুগড়ত মানৱ সৰবৰাহ-ডাইনী হত্যাৰ বিৰুদ্ধে জিলা পৰ্যায়ৰ সজাগতা কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩১ জুলাই ঃ** মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি (৩০ জুলাই) ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত তথা জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগ আৰু জিলা সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত এখনি সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰ, নাহৰকটীয়া সমজিলাৰ সমজিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আয়ুক্ত বিৰাজ বৰুৱা, ডিব্ৰুগড় জিলাৰ সমাজ কল্যাণ বিষয়া প্ৰশান্ত বৰা আৰু ডিব্ৰুগড় জিলা শিশু সুৰক্ষা বিষয়া এলে' দলে। এই সজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অধিবক্তা অলক কৰ দুৱৰা আৰু শিশু সুৰক্ষা সমিতিৰ সদস্যা ৰূপা কৌৰ। সজাগতা সভাত অংশগ্ৰহণ কৰে ডিব্ৰুগড় জিলাৰ শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া সকল, জিলাখনৰ বিভিন্ন আৰক্ষী চকীৰ আৰক্ষী বিষয়া সকল, গাওঁ পঞ্চায়তৰ নৱনিৰ্বাচিত প্ৰতিনিধি সকল, মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মুখ্য সেৱিকা আৰু অংগনবাড়ী কৰ্মী সকল আৰু



বিভিন্ন সংবাদ মাধ্যমৰ প্ৰতিনিধি সকলে। জিলা সমাজ কল্যাণ বিষয়া প্ৰশান্ত বৰাই আদৰণি ভাষণ তথা সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা এই সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকলৰ লগতে সমল ব্যক্তি সকলে মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ লগতে ইয়াৰ লগত জড়িত থকা লোকাচাৰ, অন্ধ-বিশ্বাস, কু-সংস্কাৰ আইনী প্ৰক্ৰিয়া ইত্যাদিবোৰৰ উপৰিও এই সামাজিক ব্যাধি সমূহক প্ৰতিহত কৰাৰ উপায় সম্পৰ্কে বিস্তাৰিতভাৱে বক্তব্য ৰাখে। সকলো সদাশয় ব্যক্তি তথা বিষয়ববীয়া সকলৰ উপস্থিতি আৰু অংশগ্ৰহণেৰে অনুষ্ঠানটিৰ সফল পৰিসমাপ্তি ঘটে।

## মেৰাপানী চাউদাংপথাৰ সুৰ সমলয় কলা কেন্দ্ৰৰ উদ্যোগত বিনামূলীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, মেৰাপানী, ৩১ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী চাউদাংপথাৰ সুৰ সমলয় কলাকেন্দ্ৰ আৰু জনতা মধ্য ইংৰাজী বিদ্যালয়ত সৌজনতত যোৱা ৮ জুলাইৰ পৰা ২৫ জুলাইলৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সংগীত, নৃত্য, বাঁহী, চিত্ৰকলা শিক্ষাৰ এক বিনামূলীয়া কৰ্মশালাৰ আজি সফল সামৰণি পৰে। আজি বিনামূলীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ছাত্ৰ ছাত্ৰী সকলে নৃত্য গীত পৰিৱেশন কৰি অনুষ্ঠানটী জ্বীপাল কৰি তোলে। অনুষ্ঠানটী পৰিচালনা কৰে জনতা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দ্ৰ দ্বীপ গগৈদেৱে। স্থানীয় যুৱক তথা বাঁহী বাদক, চিত্ৰশিল্পী গৌতম বৰাৰ নেতৃতত্ব আয়োজিত গ্ৰীষ্মকালীন বিনামুলীয়া কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ ৰাতিলৈ সাংস্কৃতিক সন্ধ্যাত সংগীত শিল্পী নমিতা গগৈ, ঋষিকেশ বৰা, বাৰ্বী বৰাৰ লগতে স্থানীয় শিল্পী সকলে গীত পৰিৱেশন কৰে। যিটো সময়ত হাজাৰ হাজাৰ টকা লৈ বিভিন্ন গ্ৰীষ্মকালীন কৰ্মশালাৰ অনুষ্ঠিত কৰাৰ পৰিবৰ্তে চাউদাংপথাৰ বাঁহী বাদক, চিত্ৰ কলা শিক্ষক গৌতম বৰা আৰু জনতা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দ্ৰ দ্বীপ গগৈৰ নেতৃত্বত ছাত্ৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা বিনামূলীয়া গ্ৰীষ্মকালীন কৰ্মশালাকএকে মুখে শলাগিছে স্থানীয় লোক সকলে

## গেলেকীত গ্ৰীষ্মকালীন কৰ্মশালা

**অসম বাৰ্তা, গেলেকী, ৩১ জুলাই ঃ** মহিলা সজাগতা আৰুগ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন বিনামুলীয়া পাঠদান কাৰ্যসূচীৰ আজি সফল সামৰণি হয়। যোৱা ইংৰাজী ২১ তাৰিখৰ পৰা দহ দিনীয়াকৈ অনুষ্ঠিত কৰা হৈছিল এই পাঠদানৰ কাৰ্যসূচী। য'ত স্থানীয় ভালেকেইগৰাকী স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ পাঠদান কৰা হয়। উল্লেখযোগ্য যে ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে বিভিন্ন সময়ত এনেধৰণৰ সময় উপযোগী কাৰ্যসূচীৰ যোগেদি জনমানসত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ এই সামৰণি কাৰ্যসূচীত উপস্থিত আছিল আঞ্চলিকৰ উপদেষ্টা আব্দুল হেলিম, সভানেত্ৰী ফৰিদা উল্লা, উপ-সভাপতি ৱাহিদ আলী, সম্পাদিকা পূৰবী নেওগ, সহ-সম্পাদক মুকুট আলী, সদস্যা দিপামণি মৰাণ।

মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগ

## জাগীভকতগাঁৱত সৰিয়হৰ তেল পেৰা যন্ত্ৰৰ শুভাৰম্ভণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত জাগীভকতগাওঁ কৃষি চক্ৰৰ অধীনৰ কপিলী কৃষক উৎপাদক কোম্পানীয়ে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ আঁচনিৰ অধীনত লাভ কৰা সৰিয়হৰ তেল পৰা যন্ত্ৰ (Oil expeller for Mustard) আজি আনুষ্ঠানিকভাবে শুভাৰম্ভনি কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত অণুসূয়া শৰ্মাই কৃষক উৎপাদক কোম্পানীটোক আনুষ্ঠানিকভাবে সৰিয়হ পেৰা যন্ত্ৰটো হস্তান্তৰ কৰি ইয়াৰ জৰিয়তে কৃষক সকলক স্বাবলম্বী হ'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে খাতি সৰিয়হৰ তেল উৎপাদন আৰু ৰপ্তানি তথা সঠিক ব্ৰেণ্ডিঙৰ জৰিয়তে উপযুক্ত বজাৰ দখল কৰিবলৈ সক্ষম হ'ব বুলি মত পোষণ কৰে। অনুষ্ঠানত জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাই সুসংগঠিত কৃষক উৎপাদক কোম্পানীটোৱে থলুৱা ভাৱে মিঠাতেল উৎপাদনৰ জৰিয়তে বজাৰ দখল কৰাৰ লগতে জিলাখনত খাতি সৰিয়হৰ তেলৰ চাহিদা পূৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, কৃষি সম্প্ৰসাৰন সহায়ক মফিজউদ্দিন আহমেদৰ লগতে কৃষক উৎপাদক কোম্পানীৰ বিষয় ববীয়া আৰু সদস্য সকল উপস্থিত থাকে।

# ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ ২১ দিনীয়া দীক্ষাৰম্ভ কাৰ্যসূচী উদ্বোধন মন্ত্ৰী বিমল বৰাৰ

**অসম বাৰ্তা, গুৱাহাটী, ৩০ জুলাই, ২০২৫ ঃ** অসম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ে আজি ২০২৫-২০২৬ শিক্ষাবৰ্ষৰ নবাগত ছাত্ৰ ছাত্ৰী সকলৰ বাবে ২১ দিনীয়া 'দীক্ষাৰম্ভ' অনুষ্ঠানৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহন কৰে অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী বিমল বৰা আৰু সন্মানীয় অতিথি হিচাপে আছিল বিশিষ্ট ওডিছি নৃত্যশিল্পী তথা সংগীত নাটক একাডেমীৰ বঁটা বিজয়ী সুজাতা মহাপাত্ৰ। বিশ্ববিদ্যালয়খনৰ আচাৰ্য ড° এ কে পানছাৰী, সহ আচাৰ্য শ্ৰী এ কে মোডী আৰু উপাচাৰ্য অধ্যাপক এ কে বুঢ়াগোহাঁইয়ে নতুন ছাত্ৰ-ছাত্ৰীক উষ্ম আদৰণি জনায়। সহস্ৰাধিক নবাগত ছাত্ৰ-ছাত্ৰীক সম্বোধন কৰি শ্ৰী বিমল বৰাই কয়, "তোমালোকে এই ৰোমাঞ্চকৰ শৈক্ষিক যাত্ৰাত ভৰি দিয়াৰ সময়ত মনত কৌতুহল ৰাখি নিজৰ উদ্দেশ্য ত অটল হৈ প্ৰতিটো সিদ্ধান্ত নিজৰ মূল্যবোধৰ ওপৰত ভিত্তি কৰিহে লব লাগিব ঢ" তেওঁ ছাত্ৰ ছাত্ৰী সকলক আত্মবিশ্বাসী হৈ উদ্যোগী মনোভাবেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণাহুযোগায়। নিজৰ ছাত্ৰ জীৱনৰ মুহূৰ্তবোৰৰ কথা সুঁৱৰি সমাবেশত উপস্থিত সকলো ছাত্ৰ-ছাত্ৰীকে শ্ৰী বৰাই অনুশাসন, কঠোৰ পৰিশ্ৰম, মূল্যবোধেৰে অধ্যয়নত মনোনিবেশ কৰিবলৈ উপদেশ দিয়ে। অসম ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ে ছাত্ৰ ছাত্ৰী সকলক এক সৰ্বাংগীন আৰু সম্পদ সমৃদ্ধ শিক্ষণ পৰিৱেশ প্ৰদান কৰাৰ বাবে তেওঁ বিশ্ববিদ্যালয়খনক প্ৰশংসা কৰে। নবাগত ছাত্ৰ-ছাত্ৰীক দিয়া ভাষণত আৰ জি ইউৰ আচাৰ্য ড° এ কে পানছাৰীয়ে তেওঁলোকক সমাজৰ প্ৰতি গভীৰ সংবেদনশীলতা গঢ়ি তুলিবলৈ আহ্বান জনায়-বিশেষকৈ অভাৱগ্ৰস্ত, বিশেষভাৱে সক্ষম, আৰু জীৱ-জন্তুৰ প্ৰতি। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জলবায়ু পৰিৱৰ্তনৰ প্ৰতি আৰু পৰিৱেশ সচেতন হৈ থাকিবলৈ উৎসাহিত কৰি বৃক্ষৰোপণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ বিশ্ব শান্তিৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা এই প্ৰত্যাহ্বানমূলক সময়ত ভাৰতৰ হেৰুৱা গৌৰৱ পুনৰুদ্ধাৰৰ দিশত অৰিহণা যোগাবলৈ



ড° পানছাৰীয়ে যুৱক-যুৱতীসকলক আহ্বান জনায়। আৰ জি ইউৰ উপাচাৰ্য অধ্যাপক ড° আলক কুমাৰ বুঢ়াগোহাঁইয়ে নবাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনাই শৈক্ষিক আৰু ব্যক্তিগত বিকাশৰ সুযোগসমূহ আকোৱালি ল'বলৈ উৎসাহিত কৰে। তেওঁ নিৰাপদ আৰু সন্মানজনক কেম্পাছ পৰিৱেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশ্ববিদ্যালয়খনৰ দায়বদ্ধতাক আলোকপাত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ আগ্ৰহ আৰু আকাংক্ষাৰ সৈতে মিল থকা পাঠ্যক্ৰম চিনাক্ত কৰিবলৈও উৎসাহিত কৰে। আৰ জি ইউত ২১ দিনীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ কাৰ্যসূচীৰ সময়ত বিভিন্ন অধিবেশনত অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ মুখ্য সচিব শ্ৰীযুত ৰবি কোটা; অধ্যাপক গোবৰ্ধন দাস, আই আই এছ ই আৰ, ভোপাল; ব্ৰিগ. অবনি কুমাৰ পাইত অৱসৰপ্ৰাপ্ত শ্ৰী হৰমিত সিং, আই পি এছ, ডি জি পি, অসম; অধ্যাপক ভাগীৰথি পাণ্ডা, আইচিএছএছআৰ, শ্বিলং; আই এফ এছৰ শ্ৰীমতী সোণালী ঘোষ; জংগল ট্ৰেভেলছ ইণ্ডিয়াৰ সঞ্চালিকা শ্ৰীমতী জাহনাবি ফুকন; অভিনেতা ৰবি শৰ্মা; ডাঃ মমতা আগৰৱাল, এ আই ইউৰ ছেক জেনেৰেল; ডক্টৰ পূৰ্ণিমা শৰ্মা, এম ডি, বি চি আই এলৰ উপৰিও আন বহু ব্যক্তি।

## বুঢ়ীদিহিং মৌজাৰ ছয় ছাত্ৰীৰ 'সত্ৰীয়া নৃত্য'ত বিশাৰদ ডিগ্ৰী লাভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩১ জুলাই ঃ** তিনিচুকীয়া জিলাৰ পেঙেৰীৰ নলনী গাঁও নিৱাসী ৰবীন মৰাণৰ কন্যা আকাংক্ষা মৰাণ, তৰুণ মৰাণৰ কন্যা নীহাৰিকা মৰাণ আৰু লক্ষ্মীন্দৰ মাঝিৰ কন্যা সুপালি মাঝিয়ে 'সঙ্গীত সত্ৰ পৰীক্ষা পৰিষদ'ৰ সত্ৰীয়া নৃত্য বিষয়ত সাত বছৰ অধ্যয়ন কৰি গুণীন (বিশাৰদ) ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। তদ্ৰূপ সন্মান লাভ কৰিছে পেঙেৰী অঞ্চলৰ টেকেৰী গাঁৱৰ যাদৱ বৰুৱাৰ কন্যা কাবেৰী বৰুৱা। এওঁলোক বৃহত্তৰ অঞ্চলটোৰ সাংস্কৃতিক জগতৰ সত্ৰীয়া নৃত্যত প্ৰথম বিশাৰদ। একেদৰে কৈলাসপুৰ অঞ্চললৈ পোন প্ৰথমবাৰৰ বাবে বিশেষ স্থানসহ এনে সন্মান কঢ়িয়াই আনিছে লিটং গাঁৱৰ বিশ্বজিৎ মৰাণৰ কন্যা প্ৰস্তুৰী মৰাণ আৰু মৃদুল মৰাণৰ কন্যা উপাসনা মৰাণে। উল্লেখ্য যে, যোৱা ১৪ জুন তাৰিখে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা 'সঙ্গীত সত্ৰ পৰীক্ষা পৰিষদ' ৰ নৱম সমাৱৰ্তনত ছাত্ৰীকেইগৰাকী উপস্থিত থাকিব নোৱাৰাৰ হেতু তেওঁলোকৰ নৃত্যগুৰু বলীন গোহাঁইৰ ঘৰৰ পৰাই উক্ত সন্মান গ্ৰহণ কৰে। কঁঠালগুৰি নিৱাসী বলীন গোঁহাইয়ে দীৰ্ঘবছৰ ধৰি গাঁৱে-চহৰে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক হিচাপে কৰ্মৰত হৈ আছে। স্মৰ্তব্য যে, পদ্মশ্ৰী সন্মানেৰে সন্মানিত উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম নৃত্য বিশেষজ্ঞ তথা নৃত্যাচাৰ্য যতীন গোস্বামীৰ নেতৃত্বত চলি থকা 'সত্ৰীয়া সঙ্গীতৰ শিক্ষক



সমাজ, অসম' ৰ সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰি বলীন গোহাঁইয়ে অসমৰ বিভিন্ন ঠাইত নৃত্য সম্পৰ্কীয় কাম-কাজত জড়িত হৈ আছে। বুঢ়ীদিহিং মৌজাৰ ছয়গৰাকী ছাত্ৰীয়ে সত্ৰীয়া নৃত্যত বিশাৰদ ডিগ্ৰী অৰ্জন কৰাক লৈ সকলোৱে সন্তোষ প্ৰকাশ কৰিছে। এইক্ষেত্ৰত ৰাইজে প্ৰশিক্ষক বলীন গোহাঁইৰ প্ৰচেষ্টাৰো গভীৰ শলাগ লৈছে।

## মেৰামতিৰ অভাৱত বিধ্বস্ত হালাকুৰাৰ পথ

### শীঘ্ৰে মেৰামতিৰ দাবী দল সংগঠনৰ



**অসম বাৰ্তা, গোলকগঞ্জ, ৩১ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সম জিলাৰ অন্তৰ্গত হালাকুৰা বজাৰ পৰা ৰেল গেটলৈ যোৱা লোকনিৰ্মাণ বিভাগৰ এটা পথত গাঁথৰ সৃষ্টি হয়। ফলত হালাকুৰা বজাৰৰ পৰা জিনকাটা সত্ৰলৈ অহা যোৱা কৰাত অসুবিধাৰ সন্মুখীন হৈছে স্থানীয় ৰাইজ। কেৱল এয়াই নহয় জিনকাটা গাঁৱৰ পৰা হালাকুৰা মহাবিদ্যালয়লৈ অহা যোৱা কৰোঁতে যন্ত্ৰণা ভুগিব লগা হৈছে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী। সেয়ে স্থানীয় দল-সংগঠনৰ প্ৰতিনিধিয়ে অতি সোনকালে পথচোৱাৰ মেৰামতিৰ দাবী কৰে। উল্লেখ যে, এই পথচোৱাত ইমানেই গাঁথ হৈছে সামান্য বৰষুণ দিলেই পানী জমা হৈ থাকে ফলত দুৰ্ঘটনা সংঘটিত হোৱাৰো সম্ভাৱনা থাকে।

## হৰিৰহাট পঞ্চায়ত পুঁজিৰ অপব্যৱহাৰৰ অভিযোগ

# নিম্নমানৰ পানী নিষ্কাষণৰ কালভাৰ্ট নিৰ্মাণ

**অসম বাৰ্তা, আগমনি, ৩১ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ উন্নয়ন খণ্ডৰ অন্তৰ্গত হৰিৰহাট গাঁও পঞ্চায়তৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা পানী নিষ্কাষণৰ বাবে নিৰ্মিত কৰা কালভাৰ্টৰ দুৰ্নীতিৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণ অনুসৰি, হৰিৰহাট গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰচৰাইখোলা গাঁৱৰ পৰমানন্দ ৰায়ৰ ঘৰৰ সমীপত পানী নিস্কাষণ ব্যৱস্থাৰ উন্নয়নৰ উদ্দেশ্যে প্ৰায় তিন লাখ টকাৰ ব্যয়ত পকী কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল। এই কালভাৰ্ট নিৰ্মাণত মাত্ৰ বহল দহ ফুট দিয়ে আৰু পানী প্ৰতিৰোধী দেৱালৰ উচ্চতাও কমকৈ দিয়া পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজৰ মাজত ক্ষোভবিস্ফোৰিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, পঞ্চায়তখনৰ সচিব পদত বহি থকা এজন বিষয়া, যি বহুদিন ধৰি পঞ্চায়তৰ কাম-কাজত কাৰ্যনিৰ্বাহ কৰি আহিছে, বিষয়া গৰাকীয়ে নিজে ইচ্ছাকৃতভাৱে কাম কৰিছে। উন্নয়নমূলক কামৰ ঠিকা দিয়াৰ ব্যৱস্থা আৰু অধিক লাভৰ আশাত অতি নিম্ন মানৰ ইটা, চিমেণ্ট আৰু বালি ব্যৱহাৰ কৰি কালভাৰ্ট নিৰ্মাণ কৰাইছিল। ফলত পানীৰ সোঁত চাপ সহ্য কৰিব নোৱাৰি অতি কম সময়ৰ ভিতৰতেই কালভাৰ্ট, ৰাস্তা আদি ভাঙি যাতায়তৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হ'ব বুলি ৰাইজৰ ধাৰণা হৈছে। হৰিৰহাট পঞ্চায়তৰ সভাপতি আৰু বাৰ্ড সদস্যসকলৰ কাৰ্যকাল শেষ হোৱাৰ পাছত সচিবৰ একত্ৰিত নিয়ন্ত্ৰণত থকা হৰিৰহাট গাঁও পঞ্চায়তত বিগত সময়ত বহু আঁচনিৰ পুঁজিত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ আছে। স্থানীয় একাংশ সচেতন লোকসকলৰ অভিযোগ অনুসৰি, একাংশ আঁচনিৰ বাবে গাঁওবাসীৰ মতামত বা সভাৰ আয়োজন নকৰাকৈয়ে সচিবে এককভাবে সিদ্ধান্ত লৈ পুঁজি অপব্যৱহাৰ কৰি আহিছে। কালভাৰ্টৰ অৱস্থা প্ৰত্যক্ষ কৰি একাংশ সচেতন ৰাইজে, "নিৰ্মাণৰ অতি কম সময়ৰ ব্যৱধানত পকী দেৱাল যেতিয়া ইটা কমকৈ দি গাৰ্ড দেৱাল বনায়, ফলত গাঁৱৰ ৰাইজে দেৱাল খনত ভালকৈ বহিবলৈ নোৱাৰে তেতিয়া গুণগত মান, বিসংগতিপূৰ্ণ কামৰ সন্দেহ উন্মোচন হোৱাৰ পোনপতীয়াকৈ পোহৰলৈ আহি পৰে। যিসকলে এই কামত সম্পৃক্ত, তেওঁলোকৰ বিৰুদ্ধে তদন্ত হোৱাটো অতি প্ৰয়োজন।" ইপিনে, স্থানীয় গাঁওবাসীয়ে খণ্ড উন্নয়ন বিষয়া গৰাকীক ঘটনাস্থল পৰিদৰ্শন কৰি চৰজমিন তদন্তচলাবলৈ অনুৰোধ জনাইছে। লগতে, পঞ্চায়তত চলি থকা আঁচনিসমূহৰ সঠিক ৰূপায়ণ নিশ্চিত কৰাৰ লগতে অনিয়মত জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যত পঞ্চায়ত পয্যায়ৰ বহু আঁচনিৰ বাবে বছৰি কোটি কোটি টকাৰ পুঁজি মঞ্জুৰ হয়। কিন্তু সেই পুঁজিৰ এক বৃহৎ অংশ চৰম গাফিলতি, দৰিদ্ৰ পৰ্যবেক্ষণ আৰু দায়িত্বজ্ঞানহীনতা তথা কেতিয়াবা আঁচনি-সচিব-ঠিকাদাৰ গোটৰ লুণ্ঠন আৰু যোগসূত্ৰত অপচয় হৈ পৰিছে বুলি বহু সময়তে অভিযোগ উঠি আহিছে।



## জাগুন আৰক্ষীৰ জালত দুই ড্ৰাগছ সৰবৰাহকাৰী

### মণিপুৰৰ পৰা আনি থকা অৱস্থাত ড্ৰাগছসহ আটক

**অসম বাৰ্তা, জাগুন, ৩১ জুলাই ঃ** মাৰ্ঘেৰিটা সম জিলাৰ জাগুন আৰক্ষী চকীৰ অৰ্ন্তগত ৰামপুৰ পাঁচ মাইলত আজি পুৱা লেখাপানী আৰু জাগুন আৰক্ষীয়ে এক গুপন সূত্ৰৰ খবৰৰ ভিত্তিত নিষিদ্ধ ড্ৰাগছ সহ দুজন সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। এ, এছ, ২৩ উএ, জে, -৭৭৭২ নম্বৰৰ এখন মাৰুতি ইকষ্টাৰ গাড়ীৰ চিট বেল্ট সোমাই থকা বাকচৰ ভিতৰত লুকুৱাই অনা হৈছিল ড্ৰাগছ খিনি। জানিব পৰা অনুসৰি চুবুৰীয়া ৰাজ্য মনিপুৰৰ পৰা জাগুনৰ অভিমুখে আনি থকাৰ সময়তে আৰক্ষীয়ে আটক কৰে ড্ৰাগছ সহ দুই সৰবৰাহকাৰীক। জব্দকৃত ড্ৰাগছ খিনিৰ পৰিমাণ 52 গ্ৰাম বুলি নিশ্চিত হৈছে। ড্ৰাগছ সৰবৰাহকাৰী দুজন ক্ৰমে ৰাজু ছেত্ৰী (৩৮) আৰু বিযুং ছেত্ৰী (৩১)। দুয়োৰে ঘৰ তিনিচুকীয়া জিলাৰ পেঙেৰীত বুলি জানিব পৰা গৈছে। আনহাতে আৰক্ষীয়ে গাড়ীখনত আৰু অধিক পৰিমাণৰ ড্ৰাগছ লুকুৱাই অনাৰ সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে লেখাপানী আৰু জাগুন আৰক্ষীয়ে জব্দ কৰা গাড়ীখনত আৰু অধিক ড্ৰাগছৰ সন্ধানত তন্ন তন্নকৈ তদন্ত কৰাৰ ব্যৱস্থা গ্ৰহন কৰিছে।

## মাকুমত শিক্ষয়িত্ৰীৰ বাবে এজন ছাত্ৰৰ অকাল মৃত্যুৰ অভিযোগ

**অসম বাৰ্তা, মাকুম, ৩১ জুলাই ঃ** মাকুম টিংৰাই বঙালী গাঁৱৰ সমীপৰ নগাঁও মধ্য ইংৰাজী বিদ্যালয়ত অঘটন। বিদ্যালয় খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ বাবে এজন দশম শ্ৰেণীৰ ছাত্ৰৰ অকাল মৃত্যু। ঘটনাৰ বিৱৰণ অনুসৰি যোৱা ইংৰাজী ৮ জুলাই তাৰিখে নগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ লীনা গোৱালাই দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ জনক ডাল কাটিবলৈ বুলি এজোপা কৃষ্ণচূড়া গছত উঠিবলৈ নিৰ্দেশ দিয়াত ছাত্ৰ জনে গছত উঠি ডাল কাটিবলৈ লওঁতে ছাত্ৰজন অকস্মাত তললৈ পৰি আহে। গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হোৱা ছাত্ৰ জনক ততাতৈয়াকৈ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও উন্নত চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ২২ দিন ধৰি মৃত্যুৰ সৈতে যুঁজি থকা ১৬ বছৰীয়া ছাত্ৰ জনে আজি পুৱাৰ ভাগত মৃত্যুৰ ওচৰত হাৰ মানিব লগীয়া হয়। এই ঘটনাৰ খৱৰ পাই মাকুম আঞ্চলিক ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ লগতে টাই আহোম যুৱ পৰিষদ তিনিচুকীয়া জিলা সমিতি আৰু মৃত্যুবৰণ কৰা ছাত্ৰ জনৰ পিতৃ হেমন্ত কুৰ্মীয়ে সহিতে ন্যায় বিচাৰি প্ৰধান শিক্ষয়িত্ৰী লীনা গোৱালাৰ বিৰুদ্ধে মাকুম আৰক্ষী থানাত এখনি এজাহাৰ দাখিল কৰে। উক্ত ঘটনাকলৈ উপস্থিত থকা দল সংগঠনৰ বিষয়ববীয়া সকলে প্ৰধান শিক্ষয়িত্ৰী লীনা গোৱালাক অতি শীঘ্ৰে চাকৰিৰ পৰা বৰ্খাস্ত কৰি জেল সাজোঁতলৈ প্ৰেৰণ কৰাৰ লগতে ছাত্ৰ জনৰ পৰিয়ালটোক ন্যায় প্ৰদান কৰিব লাগে বুলি তিনিচুকীয়া জিলা প্ৰশাসনৰ ওচৰত সংবাদ মাধ্যমৰ জৰিয়তে দাবী উত্থাপন কৰে।

# নামনি মাজুলীৰ তিনিখনকৈ গাঁও পঞ্চায়তৰ প্ৰতিনিধিৰ আনুষ্ঠানিক দায়িত্বভাৰ গ্ৰহণ

### ৰাইজৰ কাম নকৰিলে জনপ্ৰতিনিধিক ব্ৰহ্মপুত্ৰত দলিয়াই দিব, যিদৰে কংগ্ৰেছক দিলে ঃ ভুবন গাম

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ জুলাই ঃ** মাজুলী বিধান সভা সমষ্টিৰ অন্তৰ্গত নামনি মাজুলীৰ তিনিখন গাঁও পঞ্চায়তৰ পঞ্চায়ত প্ৰতিনিধিসকলে আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে নতুন তিনি গৰাকী সভাপতিৰ কাৰ্যালয় বিধায়ক ভুবন গামে আজি উদ্বোধন কৰে। নামনি মাজুলীৰ ৫নং চিলাকলা গাঁও পঞ্চায়ত, ৪ নং শ্ৰীলোহিত গাঁও পঞ্চায়ত আৰু ৩নং কৰতিপাৰ গাঁও পঞ্চায়তৰ সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত জয়ী হোৱা পঞ্চায়ত প্ৰতিনিধিসকলৰ দায়িত্বভাৰ গ্ৰহণ আজি আনুষ্ঠানিকভাৱে কৰা হয়। এই উপলক্ষে আজি পুৱা দহ বজাত প্ৰথম দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠাটো ৩ নং চিলাকলা গাঁও পঞ্চায়তত অনুষ্ঠিত হয়। অনুষ্ঠানৰ পূৰ্বে গায়ন- বায়নৰে বিধায়ক ভুবন গাম আৰু ভাৰতীয় জনতা পাৰ্টিৰ জিলা সমিতিৰ সভাপতি দীপক গোস্বামীসহ সকলোকে আদৰণী জনোৱা হয়। তাৰপিছত চিলাকলা গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভানেত্ৰী সুমিত্ৰা হাজৰিকাৰ সভানেত্ৰীৰ কোঠা ফিতা কাটি বিধায়ক ভুবন গামে উদ্বোধন কৰে আৰু তাৰপিছত সভানেত্ৰীৰ আসন আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। তাৰপিছত চিলাকলা সামুহিক ভৱনত অনুষ্ঠিত হোৱা এখন দায়িত্ব ভাৰ গ্ৰহণৰ এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক নৃপেন কমানে আঁত ধৰা হয় সভাত প্ৰথম ভাৰতীয় জনতা পাৰ্টিৰ জিলা সমিতিৰ সভাপতি দীপক গোস্বামীয়ে ভাষণ প্ৰদান কৰে। সভাত নৱ নিৰ্বাচিত চিলাকলা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা হাজৰিকাই ৰাইজৰ সহযোগ আৰু আৰ্শীবাদ বিচাৰি কৈ দায়িত্বভাৰ গ্ৰহণ কৰে। উক্ত, সভাত মুখ্য অতিথি তথা মাজুলী সমষ্টিৰ বিধায়ক ভুবন গামে ভাষণ প্ৰদান কৰি সকলো পঞ্চায়ত প্ৰতিনিধিক ৰাইজৰ কাম কৰিবলৈ আহ্বান জনায়। বিধায়ক ভুবন গামে ৰাইজৰ কাম নকৰিলে পঞ্চায়ত প্ৰতিনিধিসকলক ৰাইজে ব্ৰহ্মপুত্ৰ নদীত দলিয়াই দিব বুলি কয়। তেওঁ মাজুলীৰ ৰাইজৰ বিপৰীতে কাম কৰাৰ বাবেই কংগ্ৰেছ দলক ব্ৰহ্মপুত্ৰ নদীক দলিয়াই দিয়ে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। কেইবা শতাধিক ৰাইজে অংশগ্ৰহণ কৰা সভাত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলেও দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ পিছত দুপৰীয়া বাৰ বজাত নামনি মাজুলীৰ ৪ নং শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সভাপতি, উপ সভাপতি আৰু ৱাৰ্ড সদস্য সদস্যাসকলৰ দায়িত্ব গ্ৰহণ আৰু কাৰ্যালয় প্ৰৱেশ অনুষ্ঠান আৰম্ভ হয়। বিধায়ক ভুবন গামে আনুষ্ঠানিকভাৱে উক্ত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি মনোজ টাইদৰ সভাপতিৰ কাৰ্যালয় মুকলি কৰে আৰু নতুন সভাপতি মনোজ টাইদৰ লগতে উপ সভাপতি দীপক বৰাক সভাপতিৰ আসনত উপবিষ্ট কৰায়। উক্ত, শ্ৰীলোহিত গাঁও পঞ্চায়তটো বিধায়ক ভুবন গাম আৰু ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামীক গায়ন বায়নৰে আদৰণী জনোৱা হয়। লক্ষ্মীকান্ত দাসে আঁত ধৰা উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীলোহিত গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি মনোজ টাইদে। সভাত ভাৰতীয় জনতা পাৰ্টিৰ জিলা সভাপতি দীপক গোস্বামীয়ে ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত সকলো ৰাইজে ন্যায় লাভ কৰে তাৰ বাবে পঞ্চায়ত প্ৰতিনিধিসকলক আহ্বান জনায়। অনুষ্ঠানত বিধায়ক ভুবন গামে তেওঁৰ কাৰ্যকালত শ্ৰীলোহিত গাঁও পঞ্চায়তত ৰূপায়ণ কৰা সকলো আঁচনিৰ বিষয়ে তথ্য দাঙি ধৰে। উক্ত, দায়িত্ব ভাৰ গ্ৰহণ অনুষ্ঠানত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সকলো পঞ্চায়ত প্ৰতিনিধিক আনুষ্ঠানিকভাৱে পঞ্চায়ত কৰ্তৃপক্ষই আদৰণী জনায়। অনুষ্ঠানত কেইবা শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত নামনি মাজুলীৰ ৩ নং কৰতিপাৰ গাঁও পঞ্চায়তৰ সভাপতি, উপ সভানেত্ৰী আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ দায়িত্ব গ্ৰহণ আৰু গৃহ প্ৰৱেশ অনুষ্ঠান আৰম্ভ হয়। উক্ত, অনুষ্ঠানলৈ বিধায়ক ভুবন গাম আৰু ভাৰতীয় জনতা পাৰ্টিৰ জিলা সমিতিৰ সভাপতি দীপক গোস্বামীৰ লগতে সকলো বিষয় ববীয়াক মিচিং লোক নৃত্য, মিচিং বিহুৰে আদৰণী জনোৱা হয়। তাৰপিছত, বিধায়ক ভুবন গামে ৩ নং কৰতিপাৰ গাঁও পঞ্চায়তৰ নৱ-নিৰ্বাচিত পঞ্চায়ত সভাপতি প্ৰফুল্ল পেগুৰ সভাপতিৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে ফিতা কাটি উদ্বোধন কৰে।



তাৰপিছত কৰতিপাৰ বহুমুখী বানপানী আশ্ৰয় শিবিৰৰ সভাকক্ষত এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত ৰাজহুৱা সভাৰ আঁত ধৰে ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডল সমিতিৰ সাধাৰণ সম্পাদক বুদ্ধিন শইকীয়াই। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি দীপক গোস্বামীয়ে ভাষণ প্ৰদান কৰি কৰতিপাৰ অঞ্চলৰ বান পানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে সকলো কাম কৰিব বুলি উল্লেখ কৰে। সভাত নৱ নিৰ্বাচিত সভাপতি প্ৰফুল্ল পেগুয়ে সকলো ৰাইজৰ আৰ্শীবাদ আৰু সহযোগিতা কামনা কৰে। কৰতিপাৰ গাঁও পঞ্চায়তৰ উক্ত, সভাত বিধায়ক ভুবন গামে নামনি মাজুলীৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে গড়মূৰৰ পৰা নামনি মাজুলীৰ মিছামৰালৈকে ৯০ কোটি টকাৰ আৱণ্টিত দিয়া হৈছে বুলি জানিবলৈ দিছে। তেওঁ মাজুলীৰ উন্নয়নৰ খতিয়ান দাঙি ধৰে। কৰতিপাৰ গাঁও পঞ্চায়তৰ উক্ত দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠানত পঞ্চায়তখনৰ নৱ নিৰ্বাচিত পঞ্চায়ত উপ-সভানেত্ৰী ৰীতামণি কুলিসহ সকলো ৱাৰ্ড সদস্য - সদস্যাসকলে অংশগ্ৰহণ কৰে। কৰতিপাৰৰ উক্ত, অনুষ্ঠানত সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰে। নামনি মাজুলীত আজিৰ উক্ত তিনিওটা পঞ্চায়তৰ দায়িত্ব গ্ৰহণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ১ নং নামনি মাজুলী জিলা পৰিষদৰ সদস্যা জোনটি মিলি পায়েং, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ প্ৰাক্তন সভাপতি বীৰেন শইকীয়া, উপ সভাপতি প্ৰতাপ বৰুৱা, মাজুলী বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা ক্ৰমে পুতুল মহন্ত, গোপাল বৰা, অতুল মুক্তিয়াৰ, ৰাজশেখৰ দলে, নামনি মাজুলী মণ্ডলৰ সভাপতি প্ৰেমকান্ত মেধি সাধাৰণ সম্পাদক নৱজিত মিলি, জিলা সমিতিৰ সাধাৰণ সম্পাদক মাণিক শইকীয়া আৰু সত্যনাথ মিলি, মাজুলী জিলা মহিলা মৰ্চাৰ সভানেত্ৰী প্ৰভা দত্ত, ৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ-ববীয়া, মৰ্চাৰ সভাপতিসকল, মণ্ডলৰ বিভিন্ন স্তৰৰ কাৰ্যকৰ্তাসকল আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## মায়ঙৰ পবিতৰাত মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা

### পৰ্যটন ক্ষেত্ৰলৈ অৰিহনা যোগোৱা যুৱ উদ্যোগী নিৰোদ পাঙেক সম্বৰ্ধনা



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি মায়ঙৰ পবিতৰাত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতি পোনাদেৱী মহন্তৰ সভাপতিত্বত পবিতৰাৰ হোটেল মেডোলাৰ্কত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য বাখ্য কৰাৰ লগতে আঁতধৰে সম্পাদক ৰোহিনী হাজৰিকাই। সভাত শাখা সাহিত্য সভাৰ সাংগঠনিক বিষয়ৰ উপৰিও বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিস্তাৰিত ভাবে আলোচনা কৰা হয়। এই সভাতে পৰ্যটন ক্ষেত্ৰলৈ অৰিহণা যোগোৱা মৰিগাঁৱৰ উদীয়মান ব্যৱসায়ী তথা উদ্যোগী নিৰোদ পাঙে (মণি)ক আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনোৱা হয়। সভাত মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি প্ৰদীপ পৰাশৰ, প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰা, বুবুমণি গোস্বামী, প্ৰাক্তন সম্পাদক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজিত শৰ্মা, প্ৰাক্তন সম্পাদক বুবুল কাকতি, প্ৰাক্তন সভাপতি স্মৃতিৰেখা গোহাঁই, সেউজীয়া অসম আলোচনা চক্ৰৰ সম্পাদক জাৰ্জিনা বেগম আৰু নুৰ মহম্মদৰ লগতে অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সদস্য মহেন্দ্ৰনাথ হাজৰিকা প্ৰমুখ্যে বহুকেইজন বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকে।

## ছাত্ৰ-ছাত্ৰীক মনোবল জগোৱাৰ উদ্দেশ্য

## হলৌটুপ অৰুণোদয় যুৱ সংঘ ৰাইজৰ সহযোগত কৃতি ছাত্ৰ-ছাত্ৰীসকল অভিনন্দন




**অসম বাৰ্তা, মাকুম, ৩১ জুলাই ঃ** ছাত্ৰ-ছাত্ৰী সকলক মনোবল জগোৱাৰ উদ্দেশ্যৰে হলৌটুপ অৰুণোদয় যুৱ সংঘৰ সুন্দৰ পদক্ষেপ। ২০২৫ বৰ্যত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ন হোৱা ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰেৰণা জগোৱাৰ মহান উদ্দেশ্যৰে আজি মাকুম হলৌটুপ গাঁৱত হলৌটুপ অৰুণোদয় যুৱ সংঘ আৰু ৰাইজৰ সহযোগত আজি এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণি হিচাপে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে হলৌটুপ অৰুণোদয় যুৱ সংঘৰ সভাপতি জিৰেন পুতাম আৰু সম্পাদক এডৱেন এক্কাই। তাৰ পাছতে ছাত্ৰ-ছাত্ৰী সকলৰ মনোৰঞ্জনৰ বাবে ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা কেইবাগৰাকী শিল্পীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰা হয়। পৰৱৰ্তী পৰ্যায়ত এখনি মুকলি সভা অনুষ্ঠিত কৰি কীৰ্তিমান ছাত্ৰ-ছাত্ৰী সকলক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। আজি এই অভিনন্দন অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা বৰহাপজান ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়ৰ সঞ্চালক জিণ্টু দাস আৰু বৰহাপজান মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক টিকেন্দ্ৰজিৎ গোঁহাইয়ে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি যথেষ্টখিনি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। উক্ত সভাত হাতীজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষকজন তিৰ্কী, লংছোৱাল মজদুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক ৰবীন ভক্তা, ১নং হলৌটুপ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক এনেম ধান, বৰহাপজান মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক কান্ত পাতৰ, হাতীজান চাহ বাগিছা প্ৰাথমিক বিদ্যালয়ৰ বিৰেন পাতৰ, হাতীজান গাঁও পঞ্চায়তৰ সভানেত্ৰী শেৱালি গগৈ, বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক জীৱন্ত গোহাঁই প্ৰমুখ্যে কৰি অঞ্চলটোৰ গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

## শ্ৰীৰামপুৰৰ হাউৰীয়াপেটত বিপিএফৰ বৃহৎ প্ৰচাৰ সভা

### পাঁচ শতাধিক লোকৰ অংশগ্ৰহণ



**অসম বাৰ্তা, গোসাঁইগাঁও, ৩১ জুলাই ঃ** সমাগত বিটিচিৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে দলীয় সভা সমিতি অনুষ্ঠিত কৰি তথা নিৰ্বাচনী সভা অনুষ্ঠিত কৰি তৎপৰতা অৱলম্বন কৰা হোৱা সময়ত বিটিচিৰ শ্ৰীৰামপুৰ সমষ্টিৰ অন্তৰ্গত হাউৰীয়াপেট গাঁৱত মঙলবাৰ নিশা বিটিচিৰ মুখ্য বিৰোধী ৰাজনৈতিক দল বিপিএফ দলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। হাউৰীয়াপেট গাঁৱৰ প্ৰাক্তন গাঁওবুঢ়া আবুল হোছেইনৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত মুফতি মো: মুকিবুৰ ৰহমানে উচ্ছেদিত পৰিয়ালৰ নৰক যন্ত্ৰণাৰ বৰ্ণনা দি ইউ পি পি এল তথা বিজেপি চৰকাৰক ভোট দিয়াৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেখেতে ভাষণত আৰু উল্লেখ কৰে যে ইউ পি পি এল দলৰ দুই সাংসদে ৱাকফ সংশোধনী বিলৰ সপক্ষে ভোটদান কৰিছিল যি সংশোধনী বিল আছিল মুছলমানৰ বিপক্ষে। আনহাতে কংগ্ৰেছ দলে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিলে আজি উচ্ছেদ নহলহেতেন বুলি উল্লেখ কৰি কংগ্ৰেছ দলকো ভোট নিদিবলৈ ৰাইজক আহ্বান জনায় মুফতি গৰাকীয়ে। সভাত বিপিএফ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰফিকুল ইছলামে ভাষণত কংগ্ৰেছ দলক মধুমেহ ৰোগৰ লগত তুলনা কৰাৰ লগতে বিজেপি দলক উচ্চ ৰক্তচাপ ৰোগৰ লগত তুলনা কৰি দুয়োটা দলে বিশেষকৈ সংখ্যালঘু ৰাইজৰ বাবে ক্ষতিকাৰক বুলি কয়। ইয়াৰ উপৰিও তেখেতে নিৰ্দলীয় প্ৰাৰ্থী সকলক আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত গুৰুত্ব নিদিবলৈ আহ্বান জনাই কয় যে ভোট বিভাজনৰ বাবে এই ধৰণৰ প্ৰাৰ্থী আহিব বুলি ভাষণত কয়। সভাত সম্ভাব্য প্ৰাৰ্থী তথা অধিবক্তা মোখলেছুৰ ৰহমানে ভাষণত সমষ্টিত উন্নয়ন মূলক কাম কৰাত বৈষম্য কৰা বুলি উল্লেখ কৰি ঠাই বিশেষে কিছু উন্নয়নমূলক কাম কৰা বুলি ভাষণত কয়। তেখেতে ভাষণত এইবাৰ বিপিএফ দলে চৰকাৰ গঠন কৰিব বুলি নিশ্চিত বুলি ঘোষণা কৰে। সভাত বিপিএফ দলৰ গোসাইগাঁও জিলা সমিতিৰ সম্পাদক ৰফিকুল ইছলাম ভূঞাই ভাষণত চৰকাৰক কটাক্ষ কৰি ইউ পি পি এল তথা বিজেপি দলৰ কাৰ্যকলাপ কটু ভাষাৰে সমালোচনা কৰে। সভাত প্ৰায় পাঁচ শতাধিক স্থানীয় পুৰুষ মহিলাইৰ উপৰিও উপস্থিত থাকে বিপিএফ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰিজুৱান আহমেদ, অধিবক্তা মাফিজুৰ ৰহমান, অধিবক্তা আশ্ৰাফুল আলম, বিপিএফ ৰ সংখ্যালঘু কোষৰ শ্ৰীৰামপুৰ ব্লক সমিতিৰ সভাপতি মুজাহিদ আহমেদ, সম্পাদক মাজহাৰুল ইছলাম, বিপিএফ দলৰ শিমুল প্ৰাইমাৰী সমিতিৰ সভাপতি আক্তাৰ হোছেইনৰ লগতে যমদুৱাৰ সমষ্টিৰ দলীয় নেতা হালিমুল ইছলাম।

SWAMI VIVEKANAND
# SUBHARTI UNIVERSITY™
Approved by UGC
Where Education is a Passion...
ACCREDITED WITH GRADE A NAAC

**HURRY UP!** Limited Seats Available

## Make your Tomorrow possible Today @Subharti

### ENGINEERING
9639010192

- **B.TECH**
  - CS, IT, EC, EEE, ME, CE, Food Tech, CSE
  - Aerospace Engg.
  - CSE with specialization in AI&ML
  - (Lateral Entry for Diploma or B.Sc. Holder) CS, IT, EC, EEE, ME, CE, Food Tech., CSE, Aerospace Engg.
- **M.TECH**
  - CS, Cyber Security, RF & Microwave Engg., Power Electronics & Drives, Production Engineering, Environmental Engineering & Management, Structural Engineering, Defence Technology Engg.
- **Certificate Course**
  - Bio Medical Instrumentation/ 3-D printing/ Drone Pilot Training

### FINE ARTS, FASHION DESIGN & ANIMATION
9897099838

- **BFA**
  - Foundation Programme
  - Painting • Sculpture
  - Applied Arts • Animation
- **BPA** • **DFA**
- **B.Sc.** Animation, Interior Design, Textile Design
- **M.Sc.** Animation, Interior Design
- **B.Design**
- **M.Design** Fashion Design, Design Comm., Luxury Brand Mgmt.
- **MPA** • **MFA**

### MANAGEMENT
9897099856

- **MBA** /Integrated MBA / MBA (Aviation)
- **BBA**
- **B.Com.**
- **M.Com.**



**SAFE, SECURE & PROTECTED CAMPUS**
- Anti Ragging Cell
- Gender Sensitization Cell
- Women Empowerment Committee
- Internal Complaints Committee
- Legal Advisory Committee
- Student Council Committee
- Personality Development Cell

and many more...

**OUR PRIDE RECRUITERS**
MARUTI SUZUKI, BOLD PLUS, WIPRO, HYUNDAI, asianpaints, AXIS BANK, HDFC BANK, Justdial, FUSION, YAMAHA, Infosys, Mahindra Finance, Hero, ZEBRONICS, NISSAN, HCL, Paytm

**ADMISSION THROUGH S-NET**
Subharti National Eligibility Test
Online/Offline Examination

Special **SCHOLARSHIP** Schemes For **CUET** Qualified Candidates

www.subharti.org

## UNIVERSITY OFFERS UG, PG & Ph.D. PROGRAMMES

• LAW • SCIENCE • PARAMEDICAL • HOME SCIENCE • PHARMACY • NURSING • PHYSIOTHERAPY • NATUROPATHY & YOGA • POLYTECHNIC • EDUCATION • PHYSICAL EDUCATION • LIBRARY SCIENCE • JOURNALISM & MASS COMM. • HOTEL MANAGEMENT • ARTS & SOCIAL SCIENCE • POLITICAL SCIENCE & SOCIOLOGY • BUDDHIST STUDIES • LANGUAGE DEPARTMENT

MoUs INTERNATIONAL ACADEMIC COLLABORATIONS

/ subhartiuni / subhartiofficia

**FOR ADMISSION (REGULAR MODE)**
Subhartipuram, NH-58,
Delhi-Haridwar Bypass Road,
Meerut, NCR Region, U.P., India.
9639222288/ 89/ 90
9639222291/ 93/ 98

ACADEMIC COLLABORATIONS
Beehive College • Dehradun
Call:8126266666, 8126244444
www.beehivecollege.com
RAS BIHARI BOSE SUBHARTI UNIVERSITY Dehradun

SCAN ME For More Information

## সম্পাদকীয়

# অন্ধকাৰাচ্ছন্ন মহানগৰী

গুৱাহাটী, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ, দ্ৰুতগতিত বিকশিত এখন মহানগৰী হিচাপে পৰিচিত। কিন্তু এই উন্নয়নৰ ছাঁত লুকাই আছে এটা গুৰুত্বপূৰ্ণ সমস্যা- মহানগৰীৰ বিভিন্ন স্থানত উপযুক্ত ষ্ট্ৰীট লাইটৰ অভাৱ। বহু গুৰুত্বপূৰ্ণ পথ আৰু অঞ্চল অন্ধকাৰত ডুবি আছে, যাৰ ফলত জনসাধাৰণৰ নিৰাপত্তা বিপন্ন হৈছে আৰু অপৰাধৰ ঘটনা বৃদ্ধি পাইছে। এই সমস্যাৰ তাৎক্ষণিক সমাধানৰ প্ৰয়োজনীয়তা এতিয়া অতি জৰুৰী হৈ পৰিছে।

গুৱাহাটীৰ বহু প্ৰধান পথ, আৰু বিশেষকৈ উপনগৰীয় অঞ্চলসমূহত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা অপৰ্যাপ্ত। ক'তো লাইট নাই, আৰু য'ত আছে, তাৰ বহুতো বিকল বা অকাৰ্যকৰ। সন্ধিয়াৰ পিছত এই অন্ধকাৰ পথসমূহ জনমানৱহীন হৈ পৰে, যাৰ ফলত মহিলা, শিশু আৰু বয়োজ্যেষ্ঠসকলৰ নিৰাপত্তাৰ প্ৰশ্ন উত্থাপিত হয়। অন্ধকাৰৰ সুযোগ লৈ চুৰি, ডকাইতি আৰু অন্যান্য অপৰাধৰ ঘটনা বৃদ্ধি পাইছে। ইয়াৰ উপৰিও অপৰ্যাপ্ত পোহৰৰ বাবে প্ৰতিদিনে দুৰ্ঘটনাৰ সম্ভাৱনাও বাঢ়িছে।

এই সমস্যাৰ মূলতে আছে পৌৰনিগমৰ দুৰ্বলতা আৰু নিয়মীয়া তদাৰকিৰ অভাৱ। বিকল ষ্ট্ৰীট লাইট মেৰামতিৰ ক্ষেত্ৰত পৌৰ নিগমৰ উদাসীনতা স্পষ্ট। বহু অঞ্চলত নতুন লাইট স্থাপনৰ পৰিকল্পনাও গ্ৰহণ কৰা হোৱা নাই। ইয়াৰ ফলত নাগৰিকসকলৰ মাজত অসন্তোষ বাঢ়িছে। স্মাৰ্ট চিটি প্ৰকল্পৰ নামত কোটি কোটি টকা বিনিয়োগ হৈছে, কিন্তু সেই ধনৰ সদ্ব্যৱহাৰ ক'ত হৈছে, তাৰ প্ৰশ্ন জনমানসত উঠিছে।

এই সমস্যা সমাধানৰ বাবে কেইবাটাও পদক্ষেপ লোৱাৰ প্ৰয়োজন। প্ৰথমতে, পৌৰ নিগমে নিয়মীয়া সমীক্ষা চলাই অকাৰ্যকৰ লাইট চিনাক্ত কৰি তৎক্ষণাৎ মেৰামতিৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে, অন্ধকাৰাচ্ছন্ন অঞ্চলসমূহত নতুন ষ্ট্ৰীট লাইট স্থাপনৰ পৰিকল্পনা জৰুৰী ভিত্তিত কাৰ্যকৰী কৰিব লাগে। তৃতীয়তে, সৌৰশক্তিৰ দ্বাৰা পৰিচালিত শক্তিসাশ্ৰয়ী লাইটৰ ব্যৱহাৰ বৃদ্ধি কৰিলে দীৰ্ঘম্যাদীভাৱে ব্যয় হ্ৰাস পাব। লগতে, নাগৰিকসকলৰ অভিযোগ দ্ৰুত নিষ্পত্তিৰ বাবে এটা কাৰ্যকৰী গ্ৰিভেন্স ৰিড্ৰেছেল চিষ্টেম গঢ়ি তুলিব লাগে।

গুৱাহাটীৰ উন্নয়নৰ সপোন বাস্তৱায়িত কৰিবলৈ হ'লে এই মৌলিক সমস্যাৰ সমাধান অতি জৰুৰী। জনসাধাৰণৰ নিৰাপত্তা আৰু সুবিধাৰ প্ৰতি গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। পৌৰ নিগম আৰু চৰকাৰে এই বিষয়ে তৎপৰ হৈ এখন নিৰাপদ আৰু পোহৰময় গুৱাহাটী গঢ়ি তোলাৰ দায়িত্ব ল'ব লাগে।

> আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ ন ন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।

# সৰ্বসাধাৰণ আৰু উত্তৰ-আধুনিকতাবাদৰ অদৃশ্য প্ৰভাৱ

**ড° ভগৱান দেৱ মিশ্ৰ**

অতিসম্প্ৰতি বুদ্ধিজীৱী আৰু বিদ্বান সকল সমাজ জীৱনৰ ওপৰত পৰা উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ সম্পৰ্কত যথেষ্ট উদ্বিগ্ন হৈ পৰিছে, তাক লৈ কিছু চৰ্চা হোৱাও দেখা গৈছে। কিন্তু নগৰ-চহৰ আৰু গ্ৰাম্যাঞ্চলত বাস কৰা সৰ্বসাধাৰণৰ ওপৰত উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ সম্পৰ্কত বিশেষ আলোচনা হোৱা বুলি অন্ততঃ মোৰ চকুত পৰা নাই, অথচ উত্তৰ আধুনিকতাবাদৰ আগ্ৰাসী দৰ্শনে সাধাৰণ মানুহৰ জীৱন আৰু চিন্তন-মননত শিপালৈকে প্ৰৱেশ কৰিছে। গাঁৱত বাস কৰা মানুহবোৰৰ উপৰিও নগৰ-চহৰত আনকি মহানগৰত বাস কৰা গৰিষ্ঠ সংখ্যক সাধাৰণ মানুহৰ মাজতো একো একোখন গ্ৰাম্য সমাজ আছে। মুষ্টিমেয় দুই-চাৰিজনৰ বাহিৰে এই মানুহবোৰে উত্তৰ-আধুনিকতাবাদৰ নামটোকেই শুনা নাই- লিয়োটাৰ, বদ্ৰিলা, ফাৰ্দিনান্দ চজ্যুৰ, ডেৰিডা, ৰোঁলা বাৰ্থ, মিশ্বেল ফুকো আদি প্ৰবক্তাবোৰৰ নাম শুনাতোটো বহু দূৰৈৰ কথা; অথচ এই সাধাৰণ মানুহবোৰেই হ'ল মূল ভুক্তভোগী। এইসকল মানুহ অতিবাস্তৱবাদৰ চিকাৰ হৈছে, বিনিৰ্মাণৰ চিকাৰ হৈছে, অণু-সমাজবাদৰ চিকাৰ হৈছে যদিও সেইবোৰ খায় নে পিন্ধে তেখেতসকলে তাৰ উমানকেই পোৱা নাই। ফল(Effect) অনুভৱ কৰিছে, কিন্তু কাৰণ (Cause) ধৰিব পৰা নাই।

উত্তৰ আধুনিকতাবাদ দ্বিতীয় বিশ্বযুদ্ধোত্তৰ পুঁজিবাদৰ পৰিকল্পিত নিৰ্মাণ। বিশ্বায়নৰ যুগত ইয়াক ন ন অলংকাৰেৰে অলংকৃত কৰা হৈছে। এই নিৰ্মাণ আৰু অলংকৰণত কিছুমান বিচক্ষণ চিন্তাবিদক অভিযন্তা আৰু স্থপতি হিচাপে ব্যৱহাৰ কৰা হৈছে। উত্তৰ সমাজবাদ, উত্তৰ মাৰ্ক্সবাদ, উত্তৰ সত্য, উত্তৰ প্ৰাচ্যবাদ, অতি বাস্তৱবাদ, উত্তৰ-গাঁথনিবাদ, বিনিৰ্মাণ আদি আপাত দৃষ্টিত যৌক্তিক যেন লগা নতুন নতুন অৱাস্তৱ আৰু অবৈজ্ঞানিক তত্ত্ববোৰক সামাজিক আভিযান্ত্ৰিকতাৰে (Social Engineering) সজাই আধুনিকতকৈও আধুনিক দৰ্শন হিচাপে প্ৰতিষ্ঠা কৰি পুঁজিবাদৰ শোষণ আৰু আধিপত্যক ন্যায্যতা দিয়াটোৱেই হ'ল উত্তৰ আধুনিকতাবাদৰ মূল উদ্দেশ্য।

সাধাৰণ মানুহক তেখেতসকলৰ অজ্ঞাতে আৰ্থিক আৰু ৰাজনৈতিক জীৱনত (সাহিত্য সৃষ্টিৰ ক্ষেত্ৰখনক বাদ দি) বিনিৰ্মাণ তত্ত্বই কেনেকৈ প্ৰভাৱিত কৰিছে তাক অলপ ফঁহিয়াই চাবলৈ চেষ্টা কৰিব পাৰি। আধুনিক পুঁজিবাদী সমাজ ব্যৱস্থাত কেন্দ্ৰত কৰ্পোৰেট সকল থাকে। পৰিধিত থাকে শ্ৰমিক, কৃষক, ভূমিহীন আৰু খেতমজুৰ সকল। মধ্যম স্থানত থাকে মধ্যবিত্ত শ্ৰেণী। যিমানেই পুঁজিৰ কেন্দ্ৰীভৱন হয় সিমানেই কৰ্পোৰেট সকলৰ পুঁজি আৰু ক্ষমতা বাঢ়ি আহে আৰু এই প্ৰক্ৰিয়াই বাকীবোৰ শ্ৰেণীক কেন্দ্ৰৰ পৰা আঁতৰাই পঠিয়াই। উচ্চ মধ্যবিত্ত নিম্ন মধ্যবিত্ত হয়, নিম্ন মধ্যবিত্ত গৰিব শ্ৰেণীত সোমায়। ধনী কৃষক মজলীয়া কৃষক হয়, মজলীয়া কৃষক গৰিব কৃষক হয়, গৰিব কৃষক খেতমজুৰ হয়, বিভিন্ন প্ৰকাৰৰ শ্ৰমিক হয়, এক বিশাল কৰ্মসংস্থানহীন বাহিনীৰ সৃষ্টি হয়। এয়াই হ'ল বিশ্বায়নৰ কৰ্পোৰেট পুঁজিবাদী সমাজ ব্যৱস্থাৰ স্বাভাৱিক গাঁথনি। বিনিৰ্মাণ তত্ত্বই এই গাঁথনিত এক আচহুৱা সংযোজন ঘটাই পুঁজিবাদী শোষণ-শাসন সম্পৰ্কত অৰ্থনৈতিক ক্ষেত্ৰত এক নতুন বাক্‌ধাৰাৰ সৃষ্টি কৰিছে। বিনিৰ্মাণ বাক্‌ধাৰাৰ মতে সমাজৰ সকলো শ্ৰেণীৰ মাজত কেন্দ্ৰত অৱস্থান কৰাৰ এক বাসনা বা লোভ নিহিত হৈ থাকে। অকল শ্ৰেণীয়েই নহয় বিভিন্ন জনগোষ্ঠী আৰু জনসমষ্টিৰ মাজতো এই বাসনা বিদ্যমান। উদাহৰণ হিচাপে আমাৰ সমাজ ব্যৱস্থাত নাৰীসমাজৰ স্থান একেবাৰে প্ৰান্তত, সেয়েহে নাৰীসমাজৰ মাজত কেন্দ্ৰত অৱস্থান কৰাৰ বাসনা বৰ প্ৰবল। এই বাসনাৰ তাড়নাত অৰ্থনৈতিকভাৱে প্ৰান্তত থকা শ্ৰেণীসমূহেও গাঁথনিটোৰ কেন্দ্ৰত প্ৰৱেশ কৰাৰ এক প্ৰতিযোগিতাত অৱতীৰ্ণ হয় অৰ্থাৎ শ্ৰেণী সংগ্ৰাম নহয় শ্ৰেণী প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। এই নেৰেটিভটোক কৰ্পোৰেট পুঁজিবাদে সৰ্বসাধাৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত কেনেকৈ প্ৰয়োগ কৰিছে তাক বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে।

আমাৰ গাঁৱলীয়া দুখীয়া পৰিয়ালবোৰৰ প্ৰায় চল্লিশ শতাংশই কিবা নহয় কিবা চৰকাৰী আঁচনিৰ হিতাধিকাৰী হৈছে (মহিলা সকলৰ মাজত হিতাধিকাৰীৰ সংখ্যা অলপ বেছি)। বাকী প্ৰায় ষাঠি শতাংশই হিতাধিকাৰী হ'ব পাৰিব বুলি আশা পালি থকাৰ এক পৰিৱেশ নিৰ্মাণ কৰা হৈছে। হিতাধিকাৰী একোটা পৰিয়ালে মাহত বাৰশ পঞ্চাশ টকাৰ পৰা আৰম্ভ কৰি চাৰি হেজাৰ টকালৈকে ধন লাভ কৰিছে। সেইকেইটা টকাৰে পৰিয়াল এটা নচলে যদিও আপত দৃষ্টিত তেখেত সকলক সন্তুষ্ট যেন লাগে। তেখেত সকলৰ মাজত 'Something for nothing'ৰ আচহুৱা আৰু অতি-বাস্তৱ(Hyper real) ধাৰণা এটা নিৰ্মাণ কৰা হৈছে। আগৰ 'Something is better than nothing' (নাই মোমাইতকৈ কণা মোমাই ভাল) ৰ ধাৰণা বাতিল কৰা হৈছে। বিভিন্ন বেচৰকাৰী সংগঠন(NGO), আত্ম সহায়ক গোট, বিভিন্ন সঞ্চয় গোট আদিয়েও এই ধাৰণাটোক বিভিন্ন ধৰণে ইন্ধন যোগাইছে। ইয়াৰ সমান্তৰালভাৱে আৰু এটা ধাৰণা নিৰ্মাণ কৰা হৈছে যে যেনে তেনে প্ৰকাৰে আৰু অলপ টকা আৰ্জিব পাৰিলে অৰ্থনৈতিক ব্যৱস্থাটোৰ কেন্দ্ৰৰ কিছু ওচৰ চাপিব পৰা যায়, আৰ্থিকভাৱেও, সামাজিক মৰ্যাদাৰ ফালৰ পৰাও। ফলত সাধাৰণ মানুহৰ মাজত অন্যায়, অবিচাৰ, দুৰ্নীতি, মিছা প্ৰলোভন আদিৰ প্ৰতি সহনশীলতা বাঢ়ি আহিছে। তেখেতসকলৰ সৰহসংখ্যকৰ মনত ৰাজনৈতিক মূল্যবোধ, সততা, সংস্কৃতি আদি কথাবোৰ গৌণ হৈ পৰিছে। শাসকীয় দলৰ সকলো কথাকেই সমৰ্থন নকৰিলেও তাৰ বিৰোধিতা কৰাৰ প্ৰয়োজনো তেখেতসকলে আৱশ্যক বুলি বিবেচনা নকৰাৰ পৰিৱেশ এটা নিৰ্মাণ হোৱাত এক ৰাজনৈতিক স্থিতাৱস্থাৰ সৃষ্টি হৈছে।

উত্তৰ আধুনিকতাবাদৰ আন এটা উপাদান অণু-সমাজবাদৰ প্ৰভাৱ সাধাৰণ মানুহৰ জীৱনত বাৰুকৈয়ে পৰিছে। অণু-সমাজবাদে জ্ঞান, ভাষা, সংস্কৃতি আদিক সামাজিক শ্ৰমৰ সৃষ্টি বুলি গণ্য নকৰে। ব্যক্তি আৰু পৰিয়ালৰ অভিজ্ঞতা আৰু দৃষ্টিভংগীয়েহে এইবোৰ সৃষ্টি কৰে বুলি যুক্তি দাঙি ধৰে। অণু-সমাজবাদে সমাজৰ পৰিৱৰ্তন সাধিবলৈ কোনো বৃহৎ দলবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনক স্বীকাৰ নকৰে, বৰঞ্চ ব্যক্তিগত বা স্থানীয় পৰ্যায়ত নিজৰ নিজৰ সমস্যাসমূহ সমাধান কৰিব পাৰি বুলি জনসাধাৰণক প্ৰত্যয় নিয়াব খোজে। অৰ্থাৎ সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ কোনো বৃহৎ গণ আন্দোলনৰ প্ৰয়োজন নাই, বৃহৎ ৰাজনৈতিক-অৰ্থনৈতিক প্ৰচেষ্টাৰো প্ৰয়োজন নাই। কুৰি শতিকাৰ নব্বৈৰ দশকলৈ অণু-সমাজবাদৰ বিশেষ প্ৰভাৱ আমাৰ গাঁৱলীয়া সমাজখনত পৰিলক্ষিত হোৱা নাছিল। ব্যক্তিগত বা পাৰিবাৰিক সমস্যাবোৰৰ সমাধানৰ সামাজিক বা ৰাজহুৱা প্ৰচেষ্টা চলিছিল। কাৰোবাৰ বিয়া এখন পৰিচালনা কৰিবলৈ বিয়াৰ আগত গঞা ৰাইজক ঘৰলৈ আমন্ত্ৰণ কৰি আলোচনা অনুষ্ঠিত কৰা হৈছিল। ৰভা নিৰ্মাণৰ পৰা বিয়াৰ অভ্যৰ্থনালৈ সকলোখিনিয়েই ৰাজহুৱা উদ্যোগতেই হৈছিল। পৰিয়ালকেন্দ্ৰিক বিবাদবোৰৰ সমাধানো ৰাজহুৱা প্ৰচেষ্টাতেই হৈছিল। ৰাস্তা-ঘাটৰ নিৰ্মাণ আৰু মেৰামতিও ৰাজহুৱা উদ্যগতেই হৈছিল। গধূলি ৰাস্তাত জুম বান্ধি মানুহবোৰে সুখ-দুখৰ কথা পাতিছিল। গঞা ৰাইজৰ মাজত এক সামাজিক আত্মীয়তা গঢ়ি উঠিছিল। আজিকালি ব্যক্তিগত সমস্যা ব্যক্তিগত পৰ্যায়ত সমাধানৰ প্ৰচেষ্টা চলে, পাৰিবাৰিক সমস্যা পৰিয়ালতেই সোমাই থাকে। কাষৰ ঘৰ মানুহেও কাষৰ ঘৰ মানুহৰ সমস্যাৰ খবৰ নাপায়। এতিয়া গাঁৱৰ সমাজখনত বেৰৰ কাণ নোহোৱা হৈছে। লিভাৰ নষ্ট হৈ ডেকা ল'ৰাজনৰ মৃত্যু নোহোৱা পৰ্যন্ত কাষৰ মানুহঘৰে গমেই নাপায় যে ল'ৰাজন নিচাসক্ত আছিল। এতিয়া গাঁৱত সংঘ গঢ়ি নুঠে, পুথিভঁৰাল গঢ়ি নুঠে। বিহুৰ অনুষ্ঠানবোৰো ক্ৰমশঃ বিত্তশালী সকলৰ পৃষ্ঠপোষকতাতহে অনুষ্ঠিত হ'বলৈ লৈছে। মাঘ বিহুৰ উৰুকাও পৰিয়ালৰ আখলত সোমাই পৰিছে। ভেলাঘৰ, ভেলাপুঁজিবোৰতো ৰাজহুৱা উদ্যোগ ক্ৰমাৎ কমি আহিছে। আমাৰ ভাষা-সংস্কৃতি যে ক্ৰমাৎ বীজতৰীয়া হৈ আহিছে তালৈ কাণসাৰ দিবলৈ গৰিষ্ঠ সংখ্যকৰেই আহৰি নাই। গাঁৱৰ নতুন প্ৰজন্মটো এলাইবাদু হ'ল, গাঁৱৰ মানুহবোৰ সোৰোপা হ'ল, নতুন প্ৰজন্ম সামাজিক দায়বদ্ধতাৰ প্ৰতি আওকণীয়া হ'ল বুলি আমি তথাকথিত শিক্ষিত আৰু সচেতন সকলে চহৰত থাকি আটাহ পাৰি থাকোঁ। বছৰেকত এবাৰ নিজৰ গাঁওখনলৈ গৈ মাইকত 'অসমীয়া সংস্কৃতি আৰু নতুন প্ৰজন্মৰ দায়িত্ব'ৰ ওপৰত দুঘণ্টা বক্তৃতা দি চহৰৰ ঘৰলৈ ঘূৰি আহি শুই শুই ভাবি থাকোঁ যে পুঁজিবাদসৃষ্ট অণু-সমাজবাদেও শুই থাকিব। পুঁজিবাদী দৰ্শনে শুই নাথাকে, পুঁজিবাদী দৰ্শন সদাজাগ্ৰত হৈ থাকে। অণু-সমাজবাদৰ দৰ্শনে গাঁৱলীয়া সমাজখনক একাকিত্বৰ ফালে ঠেলি নিছে, অথচ গঞা জনসাধাৰণৰ গৰিষ্ঠ অংশই অণু-সমাজবাদৰ নামটোকেই শুনা নাই। এয়াই পুঁজিবাদৰ সামাজিক অভিযান্ত্ৰিকতা।

জ্ঞান-বিজ্ঞান সম্পৰ্কত উত্তৰ আধুনিকতাবাদী দৰ্শন সংশয়বাদী, কিন্তু বিজ্ঞানৰেই সৃষ্টি প্ৰযুক্তিবিদ্যাৰ ওপৰত উত্তৰ আধুনিকতাবাদৰ গভীৰ বিশ্বাস। অৰ্থাৎ বিজ্ঞানৰ ক্ষেত্ৰত উত্তৰ আধুনিকতাবাদ একেবাৰেই স্ববিৰোধী। গতি বা পৰিৱৰ্তনৰ বাহিৰে কোনো সত্যকেই বিজ্ঞানে চৰম সত্য বুলি মানি নলয়। বিজ্ঞানৰ যাত্ৰা এক অন্তহীন প্ৰক্ৰিয়া। বিজ্ঞানৰ যাত্ৰা হ'ল অজ্ঞতাৰ পৰা আংশিক জ্ঞানলৈ, আংশিক জ্ঞানৰ পৰা আপেক্ষিকভাৱে পূৰ্ণজ্ঞানলৈ, পুৰণি ধাৰণাৰ আসোঁৱাসমূহ আঁতৰাই তাক বস্তুনিষ্ঠ আৰু সময়োপযোগী ধাৰণালৈ ৰূপান্তৰিত কৰাৰ এক অবিৰত যাত্ৰা। পুঁজিবাদে নিজৰ মুনাফাৰ বাবে বিজ্ঞানক ব্যৱহাৰ কৰে, কিন্তু সৰ্বসাধাৰণৰ মাজত বিজ্ঞানৰ প্ৰসাৰক সৰ্বতোপ্ৰকাৰে বাধা দিয়ে। পুঁজিবাদৰ এই কৌশলটোৰ মুখ্য পৃষ্ঠপোষকতাৰ ভূমিকা পালন কৰে উত্তৰ আধুনিকতাবাদে। প্ৰযুক্তিবিদ্যাৰ ওপৰত আস্থা ৰাখি বিজ্ঞানৰ ওপৰত সন্দিহান হ'বলৈ শিকায় উত্তৰ আধুনিকতাবাদে। এই দৰ্শনৰ মতে বিজ্ঞানে সকলো কথা ব্যাখ্যা কৰাৰ ক্ষমতা কেতিয়াও অৰ্জন কৰিব নোৱাৰে।

এই ধাৰণাই মানুহৰ মাজত অন্ধবিশ্বাস, কুসংস্কাৰ আদিক উৎসাহিত কৰে। উদাহৰণ হিচাপে ধৰি লোৱা হ'ল যে এজন মানুহে বাইক এখন কিনিলে। বাইকখনৰ আঁৰত থকা প্ৰযুক্তিবিদ্যাৰ ওপৰত আস্থা ৰাখিয়েই বাইকখন কিনিছে। বাইকখন কিবা দুৰ্ঘটনাত পতিত হ'ব পাৰে নে নোৱাৰে তাক বিজ্ঞানে আগতীয়াকৈ কৈ দিব নোৱাৰে। গতিকে মানুহজনে বাইকখনক মালা এধাৰি পিন্ধায়, ৰঙা ফোঁট এটা পিন্ধায়, মন্দিৰ-মছজিত প্ৰাৰ্থনা কৰি সম্ভাব্য বিপদৰ পৰা ৰক্ষা পাবলৈ বিচাৰে। উত্তৰ আধুনিকতাবাদে এনে ধৰণৰ অবৈজ্ঞানিক মানসিকতাক উৎসাহিত কৰে।

গাঁৱৰ সৰ্বসাধাৰণৰ মাজত উত্তৰ-সত্যৰ প্ৰভাৱৰ কথা অলপ ক'বলৈ লৈছোঁ। উত্তৰ-সত্য উত্তৰ আধুনিকতাবাদৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কিত নহয় যদিও ই উত্তৰ আধুনিকতাৰ পৰা বিচ্ছিন্ন নহয়। উত্তৰ-সত্য হ'ল অতিসাম্প্ৰতিক এক ৰাজনৈতিক সংস্কৃতি( দুস্কৃতি!) বা কৌশল। এই শতিকাৰ দ্বিতীয় দশকৰ মাজভাগতহে ইয়াৰ জন্ম। ডোনাল্ড ট্ৰাম্পৰ প্ৰথম বাৰৰ শাসনকালত মানুহে মূলতঃ উত্তৰ-সত্যৰ পৃথিৱীখনত প্ৰৱেশ কৰিছে। আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ ন ন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।

আজিৰ তাৰিখত অসমত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা চল্লিশ লাখৰ কম নহয়। ইয়াৰ বাবে দায়ী পুঁজিবাদী সমাজব্যৱস্থা। বিৰাট বিৰাট উদ্যগৰ সপোনত মছগুল অহমখনত বৃহৎ উদ্যগৰ অংকটো হ'ল ০. ০১ শতাংশ মাত্ৰ। ৰাইজে ক্ষোভ বা উদ্বিগ্নতা প্ৰকাশ কৰিলে শাসক-শোষক চক্ৰই উত্তৰ-সত্যৰ আশ্ৰয় লৈ ইয়াৰ বিভিন্ন মিছা কাৰণ ব্যাখ্যা কৰে, যেনে আমাৰ মানুহবোৰ ঘৰগোনা, সোৰোপা, কষ্টবিমুখ। ইয়াত বলে নোৱাৰিলে কোৱা হয় যে বহিৰাগতই আমাৰ অসমখন ছানি ধৰিছে। মানুহ আৱেগত উথলি উঠে, উগ্ৰ জাতীয়তাবাদ শক্তিশালী হৈ উঠে, মূল সমস্যাটো ক'ৰবাত ছিটিকি পৰে, শাসক-শোষক চক্ৰ লাভৱান হয়।

অসমত কৃষিযোগ্য ভূমিৰ পৰিমাণ হ'ল প্ৰায় ত্ৰিশ লাখ হেক্টৰ আৰু তাৰ ৯৮.৭৭ শতাংশ মাটি আছে গাঁৱত। এক বেচৰকাৰী সমীক্ষা মতে অসমৰ প্ৰায় ৫০ শতাংশ গ্ৰাম্য পৰিয়ালৰ নিজৰ খেতিমাটি নাই। ২০ শতাংশ দুখীয়া পৰিয়ালৰ বস্তিমাটিৰ কোনো নথি-পত্ৰ নাই। এই পৰিয়ালবোৰৰ বহুতেই বানপানী, গৰাখহনীয়াত ভেটিমাটিৰ পৰা উচ্ছন্ন হৈ চৰকাৰী খাচ মাটিত আশ্ৰয় ল'বলগীয়া হয় আৰু আইনী দৃষ্টিত বেদখলকাৰী হৈ পৰে। যেতিয়া কৃষক সমাজে ভূমি সমস্যাৰ সমাধান বিচাৰি ঐক্যবদ্ধ হ'ব বিচাৰে তেতিয়াই কৃষক সমাজৰ সমুখত কাল্পনিক শত্ৰুক থিয় কৰোৱা হয়। এক নিৰ্দিষ্ট সম্প্ৰদায় বা জনগোষ্ঠীক অসমীয়া কৃষকৰ শত্ৰু হিচাপে দাঙি ধৰা হয়। মানুহ আৱগত উথলি উঠে, মেৰুকৰণৰ ৰাজনীতি আৰম্ভ হয়, শাসক-শোষক শ্ৰেণী লাভৱান হয়।

আমাৰ গ্ৰাম্যাঞ্চলৰ সৰু সৰু চ'কবোৰত একোখন বজাৰ গঢ়ি উঠিছে। একো কাম নাই বাবে ধাৰ-ঋণ লৈ হ'লেও মানুহে একোখন দোকান দিছে, ই-ৰিস্কা কিনিছে, চাৰিচকীয়া গাড়ীও কিনিছে কিবা অলপ উপাৰ্জন কৰিম বুলি। সকলোৱে মুখত এটাই কথা- "বিক্ৰী-পত্তা কমি আহিছে"। সুধিলে কয়-"মানুহৰ হাতত পইচা নাই, উঠনাকৈ বস্তু বিচাৰে, অলপ-অচৰপ পইচা থকা সকলে চহৰত বজাৰ কৰে, অনলাইন বজাৰ কৰে, বৃহৎ কোম্পানীবোৰে ঘৰে ঘৰে বস্তুৰ যোগান ধৰে ইত্যাদি ইত্যাদি"। তেখেতসকলক যদি সোধা হয় যে মানুহৰ হাতৰ পইচাবোৰ কলৈ গৈছে? গৰিষ্ঠ সংখ্যকৰ হাতত তাৰ কোনো উত্তৰ নাই। তেখেতসকলেতো নাজানে যে আমাৰ দেশৰ সম্পদৰ ৪০ শতাংশই ১ শতাংশ অতিধনীৰ হাতত জমা হৈছে। দেশৰ ১০ শতাংশ অতিধনীয়ে ৭২.৭৫ শতাংশ সম্পদ নিজৰ নিয়ন্ত্ৰণত ৰাখিছে। সৰ্বসাধাৰণৰ গৰিষ্ঠ অংশই নাজানে যে তেখেতসকলে প্ৰতিপদ বস্তুতেই চৰকাৰক টেক্স দি আছে, টেক্সত অকণো ৰেহাই নাই; অথচ দেশৰ অতিধনী সকলক চৰকাৰে বছৰি তেৰ-চৈধ্য লাখ কৌটি টকাৰ টেক্স ৰেহাই কৰি দিছে। এইফালে আম্বাণী, আদানী, টাটা আদিৰ চৰকাৰী বন্দনা চলি আছে, বেচৰকাৰী বন্দনাও চলি আছে। এইবোৰ কথা ৰাইজক কোনে ক'ব? ৰাইজে ঠেকি শিকিব নে দেখি শিকিব? ৰাইজে সাজি-কাচি ওলোৱা মিছাকেই সঁচা বুলি ল'ব নে সঁচাৰ অনুসন্ধান কৰিব? ধুঁৱলী-কুঁৱলী এই পৰিৱেশত সঁচাৰ সন্ধানৰ বাট কোনে দেখুৱাব? নিশ্চয় এক সংগঠিত সুস্থ ৰাজনৈতিক জনজাগৰণৰ প্ৰয়োজন হৈছে। ইয়াৰ নেতৃত্ব নিশ্চিতভাৱে যুৱসমাজে ল'ব লাগিব। অভিজ্ঞ বয়স্কসকলে নিশ্চিতভাৱে উপদেষ্টাৰ ভূমিকা ল'ব। এয়াই আজিৰ সময়ৰ দাবী।



## এটা সম্ভাৱনাময় সুযোগ নে গহীন বিপদ ?

# বিশ্বত কৃত্ৰিম বুদ্ধিমত্তাৰ আধিপত্য

**ডাঃ মৃণাল দাস**

বিশ্বৰ প্ৰযুক্তিগত বিপ্লৱৰ অন্যতম মুখ্য চালিকা শক্তি হিচাপে কৃত্ৰিম বুদ্ধিমত্তা (AI) আজিৰ দিনত এক কেন্দ্ৰীয় আলোচ্য বিষয় হৈ পৰিছে। এই প্ৰযুক্তিয়ে চিকিৎসা, শিক্ষা, বাণিজ্য, যানবাহন, দিশনিৰ্দেশ, আৰু সংবাদ-মাধ্যমৰ দৰে বহু ক্ষেত্ৰত বৈপ-ৱিক পৰিৱৰ্তন অনা দেখা গৈছে। তথাপিও, এই ব্ৰহ্মাস্ত্ৰ সদৃশ প্ৰযুক্তিয়ে মানৱ সমাজত উপকাৰৰ উপৰি এক গুৰুতৰ চেলেঞ্জো সৃষ্টি কৰিছে—এই উন্নয়ন গতি মানৱতাৰ সহায় হ'বনে, না সংকটৰ বীজ বহন কৰিব?



AIৰ সহায়ত অসংখ্য জটিল কাম অধিক গতিশীল আৰু নিখুঁতভাৱে সম্পাদন কৰা সম্ভৱ হৈছে। ৰোগ চিনাক্তকৰণত AI-ৰ আগভাগত প্ৰযুক্তি আজিৰ চিকিৎসাশাস্ত্ৰলৈ এক নতুন দিশ উন্মোচন কৰিছে। শিক্ষক-শিক্ষাৰ্থীৰ মাজত ডিজিটেল সহায়, অনুবাদত AI-ভিত্তিক টুল, আৰু গ্ৰাহক সেৱাত ২৪x৭ সহায়ত AI এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। ভাৰত চৰকাৰে AI Mission-ৰ জৰিয়তে এই ক্ষেত্ৰত বৈপ-ৱিক উন্নয়নৰ পথ মুকলি কৰিছে। কিন্তু ইয়াৰ বিপৰীত দিশত বহু আশংকা আৰু জটিলতাও দেখা দিছে। AI-ৰ অসতৰ্ক ব্যৱহাৰে ভুল তথ্যৰ বিস্তাৰ (misinformation), deepfake ভিডিঅ'ৰ মাধ্যমে বিভ্ৰান্তি সৃষ্টি, ব্যক্তিগত গোপনীয়তাৰ ভংগ, আৰু দায়িত্বহীন সিদ্ধান্তৰ আশংকা বৃদ্ধি পাইছে। তদুপৰি, বহু পেচাত AI-ৰ স্বচালিত সঞ্চালন ব্যৱস্থাই মানুহৰ চাকৰি হেৰুৱাই দিছে বা আগন্তুক কালত দিছে সেই ভয়ৰ বিষয়।

বিশেষজ্ঞসকলৰ মতে, AI হৈছে এক 'অদৃশ্য বিপ্লৱ', যিয়ে সমাজ, ব্যৱস্থা আৰু মানৱ মনোভাৱত এক গভীৰ ছাঁ পেলাইছে। যদি এই প্ৰযুক্তিৰ নিয়ন্ত্ৰণ, নৈতিক মানদণ্ড, এতিয়াৰ পৰা উন্নয়ন কৰা নহয়, তেনেহলে আগন্তুক সময়ত ই এক ধ্বংসাত্মক হুংকাৰ ৰূপে পৰিগণিত হ'ব পাৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত— যদিও কেন্দ্ৰীয় পৰ্যায়ত AI Mission আৰু Skill Development-ৰ নানা আঁচনি চলি আছে, তথাপি অসমৰ দৰে ৰাজ্যত AI-ৰ ক্ষেত্ৰত একাধিক সমস্যাই প্ৰাধান্য পাইছে—সচেতনতাৰ অভাৱ, স্থানীয় ভাষাত সামগ্ৰী অভাৱ, আৰু প্ৰযুক্তিগত অভাৱ অন্যতম। AIক সত্য অৰ্থত 'জনগণৰ প্ৰযুক্তি' বনাবলৈ স্থানীয়ভাষাত মডেল উন্নয়ন, গ্ৰামীণ অঞ্চলত প্ৰশিক্ষণ আৰু ই-শিক্ষা বিস্তাৰৰ দিশে পদক্ষেপ লোৱা অতি প্ৰয়োজন।

AI হৈছে এটা দাহ্য শক্তি সদৃশ—যিয়ে উপযুক্ত ব্যৱহাৰত পোহৰ দিব পাৰে, আৰু অপব্যৱহাৰত জুই লাগিব পাৰে। নীতিগত নিয়ন্ত্ৰণ, জৱাবদিহিতা, আৰু দায়িত্বৰ সংজ্ঞা AI উন্নয়নত সংলগ্ন কৰিব লাগিব। AIৰ বিকাশত অন্তৰ্ভুক্তিমূলক দৃষ্টিভংগী গ্ৰহণ কৰা—য'ত সকলো জনগোষ্ঠীৰ অংশীদাৰিত্ব থাকিব—হ'ব আগন্তুক সমাজৰ স্থিতিশীলতাৰ মুৰব্বী। শিক্ষা পদ্ধতি AI-সক্ষম কৰি শিক্ষাৰ গুণগত মান উন্নত কৰাটো এই দশকত মুখ্য চেলেঞ্জ। সঁচাকৈয়ে, AI সম্ভাৱনাৰে ভৰপূৰ, কিন্তু তাৰ সঠিক দিশনিৰ্দেশেই ঠিক কৰিব ই বিশ্বমানৱতাৰ পক্ষে এক আশীৰ্বাদ হব নে এক অভিশাপ। এতিয়া সময় হ'ল—এই প্ৰযুক্তিক কেন্দ্ৰ কৰি জনসচেতনতা, নৈতিকতা, নিয়মনীতি আৰু স্থানীয় সম্পদৰ উন্নয়নৰ জৰিয়তে এক সুশৃঙ্খল আৰু দায়িত্বশীল AI-ভৱিষ্যৰ সৃষ্টিৰ।

# বিশ্ব হাওঁফাওঁ কৰ্কট দিৱস ঃ অসমত হাওঁফাওঁৰ সুৰক্ষা

**ললিত নাথ**

প্ৰতি বছৰৰ ১ আগষ্টত বিশ্ব হাওঁফাওঁ কৰ্কট দিৱস পালন কৰা হয়। এই দিৱসৰ উদ্দেশ্য হৈছে হাওঁফাওঁৰ কৰ্কট ৰোগৰ বিষয়ে মানুহৰ মাজত সজাগতা বৃদ্ধি কৰা। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসাৰি প্ৰতি বছৰে প্ৰায় ১৮ লাখ লোক এই ৰোগত মৃত্যুবৰণ কৰে। ২২ লাখৰো অধিক লোক আক্ৰান্ত হয়, য'ত বহুতো ৰোগীৰ প্ৰাৰম্ভিক পৰ্যায়ত ৰোগ ধৰা নপৰে।

২০২৫ চনৰ এই দিনটোত 'আন্তঃৰাষ্ট্ৰীয় কৰ্কট ৰোগৰ গৱেষণা সংস্থা'ই শিক্ষাৰ জৰিয়তে ভুল ধাৰণা দূৰ কৰি সকলোৰে সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অসমত হাওঁফাওঁৰ কৰ্কট ৰোগৰ প্ৰাদুৰ্ভাৱ দ্ৰুতগতিত বৃদ্ধি পাইছে। সেয়ে এই ৰোগ সম্পৰ্কীয় সজাগতা আৰু প্ৰতিৰোধৰ বাবে উদ্যোগ গ্ৰহণ কৰাটো অসমৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। অসমত চিগাৰেট, বিড়ি, তামোল-পাণ, গুটখা আৰু জৰ্দাৰ অত্যধিক ব্যৱহাৰৰ লগতে গুৱাহাটী, ডিব্ৰুগড়ৰ দৰে চহৰত বায়ু প্ৰদূষণৰ ফলত কৰ্কট ৰোগ দ্ৰুতগতিত বৃদ্ধি পাইছে। এই পদাৰ্থৰ সেৱনে মুখ আৰু হাওঁফাওঁৰ কৰ্কট ৰোগৰ সম্ভাৱনা বৃদ্ধি কৰে। ধূমপান নকৰাসকলো পৰোক্ষভাৱে ধোঁৱা আৰু কৰ্মক্ষেত্ৰৰ বিষাক্ত পদাৰ্থৰ সংস্পৰ্শত আহি এই ৰোগত আক্ৰান্ত হয়। এনে পৰিস্থিতিত স্থানীয় পৰ্যায়ত সজাগতা আৰু প্ৰতিৰোধৰ প্ৰচেষ্টা অতি প্ৰয়োজনীয়। ২০২৫ৰ বিশ্বৰ

হাওঁফাওঁৰ কৰ্কট দিৱসৰ বিষয় 'ইউনাইটেড বাই ইউনিক' অসমৰ বাবে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। অসমত তামোল-পাণৰ সাংস্কৃতিক প্ৰচলন আৰু গ্ৰাম্য অঞ্চলত স্বাস্থ্যসেৱাৰ সীমিত সুবিধাই হাওঁফাওঁৰ কৰ্কট ৰোগৰ সম্ভাৱনা বৃদ্ধি কৰিছে। এই দিৱসে সচেতনতা আৰু শিক্ষাৰ জৰিয়তে এই ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ এক সুযোগ প্ৰদান কৰে। কামৰূপ বা যোৰহাটৰ দৰে অঞ্চলত স্বাস্থ্য শিবিৰৰ মাধ্যমত জনসাধাৰণক কাৰণ, প্ৰতিৰোধ আৰু প্ৰাথমিক চিনাক্তকৰণৰ বিষয়ে সজাগ কৰা হয়। মুক্ত আলোচনাই ৰোগৰ সৈতে জড়িত ভুল ধাৰণা হ্ৰাস কৰে আৰু ৰোগীৰ মনোবল বৃদ্ধি কৰে। এই দিৱসে অসমৰ লোকসকলক হাওঁফাওঁৰ প্ৰতি গুৰুত্ব দিবলৈ আৰু সুস্থ জীৱনশৈলী গ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগায়। ধূমপান বিশ্বব্যাপী প্ৰায় ৮০% হাওঁফাওঁৰ কৰ্কটৰ মূল কাৰণ। পৰোক্ষ ধোঁৱা, ৰেডন আৰু উদ্যোগিক অঞ্চলৰ এছবেষ্টছৰ দৰে বিপদজনক উপাদানো এই ৰোগৰ কাৰণ।

প্ৰতিৰোধৰ বাবে অসমৰ স্বাস্থ্য কৰ্তৃপক্ষৰ তামোল ত্যাগৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰে। ৫০—৮০ বছৰ বয়সৰ ধূমপায়ীসকলৰ বাবে লো-ড'জ চিটি স্কেনে প্ৰাৰম্ভিক চিনাক্তকৰণত সহায় কৰে, যাৰ ফলত জীৱন ৰক্ষাৰ সম্ভাৱনা ৬০%লৈ বৃদ্ধি পায়। এই দিৱসে অসমৰ লোকসকলক তামোল-পান নিয়ন্ত্ৰণ নীতিৰ পোষকতা কৰিবলৈ উৎসাহিত কৰে। হাওঁফাওঁৰ কৰ্কট ৰোগৰ চিকিৎসাত শেহতীয়া প্ৰগতিয়ে অসমৰ ৰোগীৰ বাবে নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। লিকুইড বায়োপ্সি আৰু বায়োমাৰ্কাৰ পৰীক্ষাৰ দৰে আধুনিক পদ্ধতিয়ে কৰ্কট ৰোগ চিনাক্ত কৰাত সহজ কৰি তুলিছে। EGFR আৰু ALK জিনৰ সমস্যাৰ বাবে নিৰ্দিষ্ট ঔষধ আৰু ইমিউনোথেৰাপীৰ দৰে নতুন চিকিৎসাই ফলাফল ভাল দেখুৱাইছে।

কৰ্কট ৰোগৰ গৱেষণাৰ বাবে বেছি টকা আৰু সকলোৱে বাবে সমান স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰিব লাগে। কৰ্কটৰ সৈতে জড়িত ভুল ধাৰণা দূৰ কৰি, ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে এক সহায়ক পৰিৱেশ গঢ়ি তুলিব লাগে। সচেতনতা বঢ়াই আমি এই ৰোগৰ বিৰুদ্ধে শক্তিশালী যুঁজ দিব পাৰোঁ। ধূমপানৰ সৈতে জড়িত ভুল ধাৰণাসমূহে অসমত হাওঁফাওঁৰ কৰ্কট ৰোগৰ চিকিৎসাত উল্লেখযোগ্য বাধাৰ সৃষ্টি কৰে। এই ভুল ধাৰণাৰ ফলত ৰোগীসকলে লাজ, ভয় বা সামাজিক বদনামৰ কাৰণে চিকিৎসা গ্ৰহণৰ পৰা আঁতৰি থাকে। এই সমস্যাৰ সমাধানৰ লক্ষ্যৰে সজাগতা সৃষ্টি কৰা অতি জৰুৰী, যাতে মানুহে বুজিব পাৰে যে জীৱনশৈলী যিয়েই নহওক, কৰ্কট ৰোগ কাৰো দোষ নহয়।

স্থানীয় স্বেচ্ছাসেৱী সংস্থাসমূহৰ সজাগতা অভিযানে এই ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। জীৱিত ৰোগীৰ জীৱন কাহিনীৰ জৰিয়তে প্ৰেৰণা প্ৰদান কৰি আৰু কৰ্কট ৰোগৰ গৱেষণা সংস্থাসমূহক সাহায্য কৰি অসমৰ জনসাধাৰণে সহানুভূতি আৰু কাৰ্যকৰী পদক্ষেপৰ পথ মুকলি কৰিব পাৰে। এনে পদক্ষেপে ভুল ধাৰণা দূৰ কৰি ৰোগীসকলক সময়মতে চিকিৎসা গ্ৰহণৰ বাবে উৎসাহিত কৰিব আৰু সমাজত এক সুস্থ বাতাৱৰণ গঢ়ি তুলিব।

বিশ্ব হাওঁফাওঁ কৰ্কট দিৱস ২০২৫ অসমৰ বাবে এক গুৰুত্বপূৰ্ণ সুযোগ, যাৰ জৰিয়তে হাওঁফাওঁৰ কৰ্কট ৰোগৰ বিৰুদ্ধে সজাগতা বৃদ্ধি আৰু ভুল ধাৰণা ভাঙি এক স্বাস্থ্যকৰ সমাজ গঢ়ি তোলা সম্ভৱ। ব্যক্তিগতভাৱে সজাগতা বিয়পোৱা, স্ক্ৰীনিং কাৰ্যসূচীত অংশগ্ৰহণ কৰা বা গুৱাহাটীৰ দৰে চহৰত স্বেচ্ছাসেৱী অভিযানত যোগদান কৰাৰ জৰিয়তে প্ৰতিজন অসমীয়াই ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। নীতি-নিৰ্ধাৰকসকলে নিৰ্মল বায়ুৰ উদ্যোগ আৰু তামোল নিয়ন্ত্ৰণৰ কঠোৰ নীতিৰ প্ৰতি গুৰুত্ব দিয়াৰ লগতে স্বাস্থ্যসেৱা প্ৰদানকাৰীসকলে গ্ৰাম্য অঞ্চলত স্বাস্থ্যসেৱাৰ সুযোগ বৃদ্ধি কৰিব পাৰে।

কৰ্কট গৱেষণাৰ বাবে স্বীকৃতিপ্ৰাপ্ত সংস্থা বা হাস্পতাললৈ দান কৰি আৰু সামাজিক মাধ্যমৰ দৰে প্লেটফৰ্মত সঠিক বাৰ্তা প্ৰচাৰ কৰি আমি সকলোৱে মিলি হাওঁফাওঁৰ কৰ্কটৰ প্ৰভাৱ হ্ৰাস কৰিব পাৰোঁ। এই দিৱসত আমি সকলোৱে একেলগে প্ৰতিজ্ঞা কৰোঁ যে স্বাস্থ্যৰ ভৱিষ্যতৰ প্ৰতিশ্ৰুতি দি অসমত কৰ্কটমুক্ত সমাজ গঢ়ি তুলিবলৈ কাম কৰোঁ।

## ৫ লাখ টকাত মহবুবুল

পৰিয়ালৰ লোকৰ অভিযোগ কৰা অনুসৰি, “মহবুবুল হকে আমাক ৫ লাখ টকা দিয়াৰ ব্যৱস্থা কৰি দিম বুলি কৈছিল।” “নন্দিনীৰ হৈ তেওঁ মেডিকেললৈ আহিম বুলি কৈছিল।” নন্দিনী কাণ্ডৰে নাম সাঙোৰ খাইছে USTMৰ স্বত্বাধিকাৰ মহবুবুল হকৰ। ৫ লাখ টকাত মহবুবুল হকে ছামিউলৰ পৰিয়ালক মেনেজ কৰাৰ ঠিকা লৈছিল নেকি সেয়াও এতিয়া ৰাজ্যৰ চৌদিশে সচেতন মহলৰ মাজত প্ৰশ্ন উঠিছে? সংবাদমেলত পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি, “মহবুবুল হকে নন্দিনীৰ লগত ফোনযোগে কথা পাতি সমস্ত বিৱৰণ লৈ আমাক কৈছিল চিন্তা কৰিব নালাগে, চিকিৎসাৰ দায়িত্বত মই মিডিলমেন হিচাপে থাকিলোঁ। চিন্তা কৰিব নালাগে আজিৰ ভিতৰত ৫ লাখ টকা তোমালোকক দিয়াৰ ব্যৱস্থা কৰিম।” এনেদৰে কৈ মহবুবুল হকে বিদায় দিছিল ছামিউলৰ আত্মীয়ক। ময়ো নন্দিনীৰ হৈ মেডিকেলত যাম বুলিও কৈছিল মহবুবুল হকে। “নন্দিনী যে সঁচাকে ওপৰৰ মাল সেই কথা আমি সিদিনাহে গম পালোঁ। সেই যে USTM ৰ মালিকৰ কথা আহিল। নন্দিনীৰ অভিভাৱকে কয়, “USTM ৰ মালিকে যে আপোনালোকক মাত দিছে। মই থানাত আহিলোঁ, থানাত তেওঁলোকে আমাক বহুৱাই ৰাখিছে নন্দিনী কাশ্যপ নে কি তেওঁ। অভিভাৱক আহিল। অভিভাৱক আৰু আৰক্ষীয়ে আমাক লগ লগাই দিছে আৰু তেওঁলোকে সুধিলে এতিয়া কি বিচৰা? মই কলোঁ, “এতিয়া এইবোৰ বিচৰাৰ সময় নহয় মোক ৰোগীজন ভাল লাগে।” নন্দিনী কাশ্যপে কৈছিল, “মোৰ বহুত ওপৰত হাত আছে। তোমালোকেতো মোক একো কৰিব নোৱাৰা। সেইকাৰণে আমি সাহসো কৰিব পৰা নাছিলোঁ আগবাঢ়িব। আমিতো বহুত ভয় খাই আছিলোঁ কিয়নো আমি জানিছিলোঁ যে কম দামী মানুহৰতো আৰু আইন কানুনৰ সিমান মূল্য নাই। গতিকে তো আমি আৰু সিমান আগবাঢ়িব নোৱাৰিম।” সিদিনাহে গম পালোঁ। “USTM মালিকে আপোনালোকক মাতিছে বুলি নন্দিনীৰ অভিভাৱকে কৈ আমাক মেঘালয়লৈ লৈ গ'ল। USTMৰ মালিকে আপোনালোকক মাতিছে আৰু আমাক ক'লে, “কেছটো কি কৰিব লাগে আমি মহবুবুল হকৰ লগত আলোচনা কৰি কৰিম, চিকিৎসা চলি থাকিব আপোনালোকে চিন্তা কৰিব নালাগে। USTM তে আমি বহিলোঁ, মহবুবুল হকৰ লগত আমি কথা পাতিলোঁ। মহবুবুল হকে তাৰ পৰা ফোন কৰি নন্দিনীৰ পৰা সকলো জানি বুজি লৈ আমাৰ লগত কথা পাতি কৈছে যে তোমালোকে চিন্তা কৰিব নালাগে, চিকিৎসাৰ দায়িত্বত মই মিডিলমেন হিচাপে থাকিলোঁ, আজিৰ ভিতৰত ৫ লাখ টকা তোমালোকক লৈ দিয়াৰ ব্যৱস্থা কৰি দিম। এনেদৰে মহবুল হকে দায়িত্ব লৈছিল। তিনিটা কিস্তিত মেডিকেলত পইচাখিনি দি দিম। যিমান বিল হয় ৫ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিম। মাজতে আৰু এটা পেমেণ্ট মেডিকেলত হ'ব যিমান বিল হয়। যেতিয়া ল'ৰাজন সুস্থ হৈ ৰিলিজ হ'ব, ৰিলিজত যিমানখিনি পইচা হয় বাকীখিনি পইচা পেমেণ্ট হ'ব। মহবুবুল হকে এনেদৰে কৈ আমাক বিদায় দিছিল। লগতে কৈছিল ময়ো নন্দিনীৰ হৈ মেডিকেলত যাম। আজি নোৱাৰিলেও কালি হ'লেও মই যোৱাটো যামেই।” ভুক্তভোগী পৰিয়ালৰ লোকজনৰ সংবাদমেলত দিয়া ভাষ্য অনুসৰি, “মোৰ ৰোগী এপ'লোত ভৰ্তি হৈ থকাৰ পিছতো মই মেঘালয় যাবলগীয়া হৈছে। সিহঁতে য'ত মাতিছে আমি তালৈকে নিজে গৈছোঁ, তথাপি সিহঁতে মিছা প্ৰচাৰ কৰি আছে আমাক মেডিকেলত সিহঁতে পইচা দিছে, আমি পইচা লোৱা নাই, আমি সিহঁতক মাৰি ধৰি উলিয়াই দিছোঁ।” পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি, পইচাৰ কাৰণে তেওঁলোক USTM পৰ্যন্ত দৌৰিছে, কিয়নো চিকিৎসাৰ বাবদ তেওঁলোকক বহু পইচাৰ যিহেতু প্ৰয়োজন আছিল। পইচা দূৰৰ কথা USTM ৰ মালিকে আমাৰ খবৰেই নললেবুলিও অভিযোগ আনিলে পৰিয়াললে। আজিৰ সংবাদমেলত পৰিয়ালটোৰ হোজা লোকসকলৰ ভাষ্য আছিল এনেধৰণৰ -” টকাৰ বলত কি ৰাজনীতি হৈ আছে আমিতো নাজানো আমি সৰু মানুহ, আমি কেৱল ঘটনাৰ উচিত তদন্ত বিচাৰোঁ, আমাক ন্যায় লাগে।

## উচ্চতম ন্যায়ালয়ৰ নীতি-

২০২৫ হিচাপে তৰা এই গোচৰৰ শুনানি মুখ্য ন্যায়াধীশৰ নেতৃত্বাধীন ১ নং কোৰ্টত অনুষ্ঠিত হয়। ন্যায়াধীশ বি. আৰ. গাৱাই আৰু ন্যায়াধীশ বিনোদ চন্দ্ৰনে এই শুনানি পৰিচালনা কৰে। উচ্চতম ন্যায়ালয়ে এই গোচৰৰ সন্দৰ্ভত অসম চৰকাৰ, মুখ্য সচিব, গোৱালপাৰাৰ জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক তথা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষলৈ এক জাননী জাৰি কৰিছে। জাননীত কৰ্তৃপক্ষসমূহক উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা পালন নকৰি হাচিলাবিলত কেনেদৰে উচ্ছেদ কাৰ্য সম্পন্ন কৰা হৈছিল, তাৰ বিষয়ে স্পষ্ট জবাব আগবঢ়াবলৈ নিৰ্দেশ দিয়া হৈছে। এই গোচৰত উচ্ছেদিত লোকসকলৰ পক্ষত অসম ৰাজ্যিক জমিয়ত উলামাৰ প্ৰতিনিধিত্বত উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্ৰী সঞ্জয় হেগড়েক নিয়োজিত কৰা হৈছিল। তেওঁৰ সৈতে উচ্চতম ন্যায়ালয়ৰ অধিবক্তা আদিল আহমদ, অধিবক্তা মহম্মদ ছমচাদ আদিয়েও গোচৰৰ শুনানিত অংশগ্ৰহণ কৰে। অসমৰ পৰা অধিবক্তা আব্দুৰ ৰেজ্জাক ভূঞা, অধিবক্তা জুনাইদ খালিদ আৰু অধিবক্তা আমিনুল ইছলামে এই গোচৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। অসম ৰাজ্যিক জমিয়ত উলামাৰ নেতৃত্বত মৌলানা বদৰুদ্দিন আজমলৰ নিৰ্দেশনাত এই গোচৰটো আগবঢ়োৱা হৈছে। শুনানিৰ সময়ত জমিয়তৰ অতিৰিক্ত সাধাৰণ সম্পাদক মৌলানা ফজলুল কৰিম কাছিমী, সম্পাদক তথা বিধায়ক হাফিজ মৌলানা ৰফিকুল ইছলাম, বিধায়ক নিজানুৰ ৰহমান, মাচুম খন্দকাৰ আদি উপস্থিত আছিল। এই গোচৰে গোৱালপাৰাৰ হাচিলাবিলত সম্পন্ন উচ্ছেদৰ কাৰ্যকলাপৰ আইনী বৈধতাৰ প্ৰশ্ন উত্থাপন কৰিছে। উচ্চতম ন্যায়ালয়ৰ জাৰি কৰা জাননীৰ জৰিয়তে অসম চৰকাৰৰ পৰা এই বিষয়ত স্পষ্টীকৰণ আশা কৰা হৈছে। গোচৰটোৰ পৰৱৰ্তী শুনানিৰ বাবে সকলোৰ দৃষ্টি এতিয়া উচ্চতম ন্যায়ালয়ৰ ওপৰত নিবদ্ধ হৈ আছে।

## অস্থায়ীভাৱেহে ভাৰতত

গৌৰৱ গগৈৰ 'অপাৰেশ্যন সেন্দূৰ' সন্দৰ্ভত সংসদত উত্থাপিত প্ৰশ্ন আৰু মন্তব্যক মুখ্যমন্ত্ৰীয়ে অসমবাসীৰ বাবে লজ্জাজনক বুলি আখ্যা দি কয় যে এনে ভাষণে ভাৰতীয় সেনাৰ সফলতাক প্ৰশ্নৰ আওতালৈ আনে। তেওঁৰ মতে, গগৈৰ বক্তব্যই ভাৰতৰ সুনামৰ পৰিৱৰ্তে পাকিস্তানৰ স্বাৰ্থক সহায় কৰে। মুখ্যমন্ত্ৰীয়ে বৃহস্পতিবাৰে কটাক্ষ কৰি কয় যে গৌৰৱ গগৈ ভাৰতীয় টেলিভিশ্যনৰ হিৰো হ'ব নোৱাৰে, তেওঁ কেৱল পাকিস্তানৰ টিভিৰ হিৰো হ'বলৈ সক্ষম। মুখ্যমন্ত্ৰী শৰ্মাই গৌৰৱ গগৈৰ ভাষণৰ সমালোচনা কৰি কয় যে তেওঁৰ বক্তব্যই অসমৰ গৌৰৱক ক্ষতিগ্ৰস্ত কৰিছে। তেওঁ উল্লেখ কৰে যে গগৈয়ে সংসদত মিছাইলৰ দূৰত্বৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰি ভাৰতীয় সেনাৰ কৃতিত্বক হ্ৰাস কৰিবলৈ চেষ্টা কৰিছে। শৰ্মাৰ মতে, ভাৰতে তিনি-চাৰি হাজাৰ কিলোমিটাৰ দূৰৰ পৰা মিছাইল নিক্ষেপ কৰাৰ ক্ষমতা অৰ্জন কৰাৰ পৰিপ্ৰেক্ষিতত সাংসদগৰাকীৰ পৰা সেনাক অভিনন্দন জনোৱাৰ পৰিৱৰ্তে এনে প্ৰশ্ন উত্থাপন কৰাটো লজ্জাজনক। তেওঁ আৰু অভিযোগ কৰে যে গৌৰৱ গগৈৰ বক্তব্যই সদায় ভাৰতৰ বিৰুদ্ধে যায় আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ নাগৰিকত্বৰ বিষয়টোকো তুলি ধৰি তেওঁৰ দেশভক্তিৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে ২০১৪ চনৰ পৰা গৌৰৱ গগৈৰ সংসদীয় ভাষণ আৰু প্ৰশ্নসমূহ পাকিস্তানৰ স্বাৰ্থৰ পোষকতা কৰে। তেওঁৰ মতে, গগৈৰ এনে কাৰ্যকলাপে যোৰহাটৰ সাংসদ হিচাপে তেওঁৰ ভূমিকাক কলংকিত কৰিছে, যিখন অঞ্চল দেশৰ স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। গৌৰৱ গগৈৰ বিৰুদ্ধে পাকিস্তানৰ সৈতে সংযোগৰ অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে আগন্তুক ১০ ছেপ্টেম্বৰত এই বিষয়ে তথ্য প্ৰকাশ কৰা হ'ব। তেওঁ জনায় যে অসমৰ বিশেষ তদন্তকাৰী দলৰ (SIT) তদন্ত ১০ ছেপ্টেম্বৰত সম্পূৰ্ণ হ'ব আৰু ১১ বা ১২ ছেপ্টেম্বৰত প্ৰতিবেদন দাখিল কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিবেদনখন কেবিনেটত উপস্থাপন কৰা হ'ব আৰু কেবিনেটৰ সিদ্ধান্তৰ ভিত্তিত পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ ইংগিত দিয়ে যে এই তদন্তৰ দায়িত্ব নিয়া বা কেন্দ্ৰীয় তদন্ত সংস্থা (CBI)ৰ হাতলৈ হস্তান্তৰ কৰাৰ বিষয়ে সিদ্ধান্ত লোৱা হ'ব। তেওঁ লগতে উল্লেখ কৰে যে অসমৰ SITৰ সীমাবদ্ধতাৰ বাবে তদন্তৰ পৰিধি সীমিত, কিন্তু নিয়াৰ দ্বাৰা অধিক বিস্তৃত তথ্য সংগ্ৰহৰ সম্ভাৱনা আছে। ১০ ছেপ্টেম্বৰত প্ৰকাশ পাবলগীয়া এই তথ্যই গৌৰৱ গগৈৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে স্পষ্টতা আনিব পাৰে বুলি মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি কৰিছে।

## প্ৰথম দিনা গ্ৰেপ্তাৰ কৰিলে

হেঁতেন। আৰক্ষীয়ে সকলোখিনি কৰি আছে।” মুখ্যমন্ত্ৰীয়ে কয় যে “আৰক্ষীয়ে কৌশলগত স্থিতি লৈছে। ৰাইজে ভবা আৰু আৰক্ষীয়ে কৰাৰ মাজত পাৰ্থক্য থাকে। কিন্তু উদ্দেশ্য একে। তেওঁক এতিয়া আৰক্ষীৰ জিম্মাত ৰখা হৈছে আৰু আৰক্ষীয়ে তেওঁৰ চাৰ্জশ্বিট দাখিল কৰিব।” উল্লেখ্য যে ২৫ জুলাইৰ শোকাৱহ দুৰ্ঘটনা সংঘটিত কৰিছিল নন্দিনী কাশ্যপে। ২৯ জুনত দুৰ্ঘটনাত আহত ছামিউল হকৰ মৃত্যু হৈছিল। ছামিউলৰ মৃত্যুৰ পিছতে গুৱাহাটী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল নন্দিনী কাশ্যপক। নিশা পাণবজাৰ মহিলা থানাত আৰক্ষীৰ জেৰা সন্মুখীন হৈছে অভিনেত্ৰী নন্দিনী কাশ্যপ। ইতিমধ্যে দুদিনৰ আৰক্ষীৰ জিম্মাত আছে নন্দিনী কাশ্যপ। জামিনৰ বাবে আবেদন কৰিছিল নন্দিনী কাশ্যপে কিন্তু নন্দিনী কাশ্যপৰ জামিন আবেদন নাকচ কৰে আদালতে। অৰ্থাৎ শুকুৰবাৰলৈ পাণবজাৰ মহিলা থানাতে কটাব লাগিব নন্দিনী কাশ্যপে। CCTV দৃশ্য অনুসৰি ২৫ জুলাইৰ নিশা ৩ বাজি ২ মিনিটত নন্দিনীৰ দ্ৰুতবেগী বাহনে মহটিয়াই নিছিল ছামিউলক। দক্ষিণগাঁৱৰ ৰাজপথত সংঘটিত হৈছিল এই শিহৰণকাৰী পথ দুৰ্ঘটনা। নন্দিনীৰ বাহনৰ খুন্দাত বহুত দূৰ ওফৰি গৈছিল ছামিউল হক। আনফালে সেই নিশা দুৰ্ঘটনা সংঘটিত কৰি নন্দিনীয়ে পলায়ন কৰাৰ অভিযোগ উত্থাপন হৈছিল। কিন্তু নন্দিনী কাশ্যপে পলায়ন নাই কৰা বুলি কৈছিল। নন্দিনীয়ে লগতে কৈছিল যে দুৰ্ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰিছে। নন্দিনী কাশ্যপক গ্ৰেপ্তাৰ পিছতে সংবাদমেল সম্বোধন কৰে গুৱাহাটী আৰক্ষীয়ে। গুৱাহাটীৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তৰ সংবাদমেল সম্বোধন কৰি কৈছিল যে “দুৰ্ঘটনাৰ নিশা যান-বাহন আৰক্ষীক ঘটনাটো অৱগত কৰা নাছিল নন্দিনীয়ে। ২৬ জুলাইতহে যান-বাহন আৰক্ষীক ঘটনাটো অৱগত কৰিছিল।”

## অভিযন্তা যোষিতা দাসৰ

তেওঁৰ এই চৰম সিদ্ধান্তৰ কাৰণ হিচাপে চিঠিত দুজন অভিযন্তাৰ নাম উল্লেখ কৰিছিল। আৰক্ষীয়ে তদন্ত কৰি ৩জনক গ্ৰেপ্তাৰ কৰিছে। সেই বিষয়ে আজি কেবিনেটত আলোচনা কৰা হয়। কনিষ্ঠ অভিযন্তাৰ চৰম সিদ্ধান্ত লোৱাৰ বিষয়টো CBIৰ তদন্তৰ সিদ্ধান্ত লোৱা হৈছে।” মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়, “মুখ্য সচিবে ইতিমধ্যে CBI সঞ্চালকৰ সৈতে কথা পাতিছে। আনুষ্ঠানিকভাৱে CBI-এ গোচৰ লওঁতে অলপ সময় লাগিব। প্ৰায় ২০-২৫ দিনৰ ভিতৰত CBI-এ গোচৰটো নিজৰ জিম্মাত ল'ব।” উল্লেখ্য যে বঙাইগাঁৱত ভাড়াঘৰত নিজৰ জীৱন শেষ কৰি দিছিল লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোষিতা দাসে। চৰম সিদ্ধান্ত লোৱাৰ পূৰ্বে যুৱতীগৰাকীয়ে লিখি থৈ গৈছিল এটা শেষ টোকা। এই টোকাত তেওঁৰ মৃত্যুৰ বাবে জগৰীয়া কৰিছিল কাৰ্যবাহী অভিযন্তা দীনেশ শৰ্মা মেধি আৰু SDO আমিনুল ইছলামক। উল্লেখ্য যে দীনেশ শৰ্মা মেধি আৰু আমিনুল ইছলামৰ মানসিকভাৱে অহৰহ হেঁচা দিয়াৰ অভিযোগ উত্থাপন কৰিছিল মৃত যুৱতীগৰাকীয়ে। বঙাইগাঁৱৰ বৰ্ষণগাঁও ষ্টেডিয়ামৰ নিৰ্মাণকাৰ্যক লৈ মানসিক হেঁচা দিয়াৰ অভিযোগ উত্থাপন কৰিছিল যোষিতাই। কাম নকৰাকৈ বিল পাছ কৰাৰ বাবে হেঁচা দিয়াৰ অভিযোগ উত্থাপন কৰিছিল অভিযন্তাগৰাকীয়ে। ৰুদ্ৰ পাঠক নামৰ ঠিকাদাৰৰ বিল পাছ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছিল বুলি অভিযোগ উত্থাপন কৰিছিল অভিযন্তাগৰাকীয়ে। ঘটনা সন্দৰ্ভত তদন্ত কৰি আছিল অসম আৰক্ষীৰ SITএ।

## মেঘালয়ৰ লোকে আক্ৰমণ

সৃষ্টি হয়। বুধবাৰে মেঘালয়ৰ কিছু লোকে অসমৰ বন বিভাগৰ কৰ্মীসকলৰ ওপৰত আক্ৰমণ চলায়, যাৰ ফলত লখৰাৰ আঞ্চলিক বন বিষয়া সংগীতা ৰাণী সিংহ আৰু কেইজনমান বনকৰ্মী আহত হয়। এই ঘটনাই সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। গঁড়ভঙা অঞ্চলত দীৰ্ঘদিন ধৰি অসম আৰু মেঘালয়ৰ মাজত সীমা বিবাদ চলি আছে। এই বিবাদৰ মাজতে বুধবাৰে ঘটি যোৱা এই ঘটনাই পৰিস্থিতিৰ জটিলতা আৰু বৃদ্ধি কৰিছে। জানিব পৰা মতে, মেঘালয় প্ৰশাসনে অসমৰ ভূমিত কোনো পূৰ্বানুমতি নোলোৱাকৈ চাংমা নগৰত এখন সভাৰ আয়োজন কৰিছিল। এই সভাত মেঘালয়ৰ কাউন্সিলৰ কাৰ্যবাহী সদস্য (চি ই এম)ৰ লগতে প্ৰশাসনৰ বিষয়া আৰু স্থানীয় লোকসকল উপস্থিত আছিল। অসমৰ বন বিভাগে এই সভাৰ খবৰ পোৱাৰ পিছত তাৎক্ষণিকভাৱে ঘটনাস্থলত উপস্থিত হৈ সভাখন বন্ধ কৰাৰ নিৰ্দেশ দিয়ে, কাৰণ এই আয়োজনৰ বাবে কোনো প্ৰশাসনিক অনুমতি লোৱা হোৱা নাছিল। এই সময়ত মেঘালয়ৰ লোকৰ সৈতে বন বিভাগৰ কৰ্মীৰ মাজত উত্তেজনাৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বন বিভাগে নৰেশ্বৰ টিমুং নামৰ এজন ব্যক্তিক আটক কৰি লখৰাৰ আঞ্চলিক বন কাৰ্যালয়লৈ লৈ যায়। নৰেশ্বৰ টিমুংক আটক কৰাৰ পিছত মেঘালয়ৰ একাংশ লোক লখৰাৰ বন কাৰ্যালয়ত উপস্থিত হৈ পৰিস্থিতি উত্তপ্ত কৰি তুলিবলৈ চেষ্টা কৰে। তেওঁলোকে কাৰ্যালয়ত প্ৰৱেশ কৰি আঞ্চলিক বন বিষয়া সংগীতা ৰাণী সিংহক ধৰি কেইবাজন বনকৰ্মীৰ ওপৰত শাৰীৰিক আক্ৰমণ চলায়। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত সংগীতা ৰাণী সিংহই গড়চুক আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আঞ্চলিক বন বিষয়া সংগীতা ৰাণী সিংহই জানিবলৈ দিয়ে, “মেঘালয়ৰ কিছুমান লোকে বিভিন্ন প্ৰলোভন দেখুৱাই অসমৰ সীমান্তৰ ভূমি দখলৰ চেষ্টা চলাইছে। মেঘালয়ে ইতিমধ্যে সীমান্ত অঞ্চলত কেইবাখনো মিছনেৰী স্কুল নিৰ্মাণৰ পৰিকল্পনা হাতত লৈছে। এই পৰিকল্পনাৰ অংশ হিচাপে বুধবাৰে গঁড়ভঙা বনাঞ্চলৰ চাংমা নগৰত এখন সভাৰ আয়োজন কৰা হৈছিল। খবৰ পোৱাৰ পিছত আমাৰ বন বিভাগৰ দল তাত উপস্থিত হৈছিল। সভাখনৰ বাবে কোনো অনুমতি নথকাৰ কাৰণে আমি মেঘালয়ৰ চি ই এমক সভালৈ যোৱাত বাধা দিছিলো। ইয়াৰ পিছত স্থানীয় লোকসকলে আমাৰ দলৰ সৈতে বাক-বিতণ্ডাত জড়িত হৈ পৰে আৰু শাৰীৰিকভাৱে আক্ৰমণ কৰে। পৰৱৰ্তী সময়ত নৰেশ্বৰ টিমুংক আটক কৰি কাৰ্যালয়লৈ লৈ আহো। কিন্তু তাৰ পিছতো মেঘালয়ৰ লোকসকলে আমাৰ কাৰ্যালয়ত প্ৰৱেশ কৰি পুনৰ আক্ৰমণ কৰে।” উল্লেখযোগ্য যে, অসম আৰু মেঘালয়ৰ মাজত সীমান্ত বিবাদৰ সমাধানৰ বাবে দুয়োখন ৰাজ্যৰ চৰকাৰৰ মাজত আলোচনা চলি আছে। ২০২২ চনত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজত এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছিল, য'ত ১২টা বিবাদীয় অঞ্চলৰ ভিতৰতছটা অঞ্চলৰ সমাধানৰ কথা উল্লেখ আছিল। কিন্তু বাকীছটা অঞ্চলৰ বিষয়ে এতিয়াও বিবাদ অব্যাহত আছে। এনে পৰিস্থিতিত গঁড়ভঙাৰ সাম্প্ৰতিক ঘটনাই সীমান্ত অঞ্চলত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে।

## মালেগাঁও বিস্ফোৰণৰ ৭

বিৰুদ্ধে UAPA আৰু ভাৰতীয় দণ্ডবিধিৰ অধীনত অপৰাধৰ গোচৰ ৰুজু কৰা হৈছিল। ৰায়দান প্ৰদান কৰি আদালতে কয় যে সাধ্বী প্ৰজ্ঞা আৰু কৰ্ণেল পুৰোহিতৰ বিৰুদ্ধে কোনো প্ৰমাণ পোৱা নাই। সাধ্বী প্ৰজ্ঞা ঠাকুৰ আৰু কৰ্ণেল পুৰোহিতকে ধৰি সাতজন অভিযুক্তক দোষমুক্ত কৰিছে NIA আদালতে। আদালতে কয় যে অভিযুক্তৰ বিৰুদ্ধে কোনো সঠিক প্ৰমাণ পোৱা নগ'ল। বোমা সংস্থাপন কৰা বাইকখনো সাধ্বীৰ নছিল বুলি প্ৰমাণিত হৈছে। NIAৰ আদালতে নিজৰ সিদ্ধান্তত কয় যে এই গোচৰৰ অভিযুক্ত আৰু বিজেপিৰ প্ৰাক্তন সাংসদ সাধ্বী প্ৰজ্ঞা ঠাকুৰ আৰু আন এজন অভিযুক্ত কৰ্ণেল পুৰোহিতৰ বিৰুদ্ধে কোনো প্ৰমাণ পোৱা নাই। বোমা আৰু আৰ ডি এ'ৰো কোনো প্ৰমাণ পোৱা নগ'ল।

## ডবকাৰ মন্দিৰত গো-মাংস

মন্দিৰত ২৯ জুলাইত গো-মাংস উদ্ধাৰ হোৱা ঘটনাৰ প্ৰতিক্ৰিয়া এতিয়াও অব্যাহত আছে। কোনো দুৰ্বৃত্তই মন্দিৰৰ ভিতৰত গো-মাংস পেলাই থৈ যোৱাৰ পিছতেই ক্ষোভিত হৈ পৰিছিল চাংমাজীৰ স্থানীয় হিন্দু ধৰ্মী লোকসকল। লগে লগে ঘটনাস্থলিত দণ্ডাধীশ সহ আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰে। মন্দিৰত গো-মাংস পেলোৱাৰ অভিযোগত আৰক্ষীয়ে তাৎক্ষণিকভাৱে কেবাজনো লোকক সোধা-পোচাৰ বাবে আটক কৰে যদিও প্ৰাথমিক তদন্তৰ অন্তত ৭জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ডবকা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক কেইজন হৈছে ক্ৰমে-মুহিবুৰ ৰহমান, কাইমুল ইছলাম, ফৰিজ উদ্দিন, কবিৰ উদ্দিন, ছফিকুল ইছলাম, চাহাবুদ্দিন আৰু আব্দুৰ ৰহমান। ধৃত লোক কেই জনৰ বিৰুদ্ধে ডবকা আৰক্ষীয়ে ১৩৯/২৫ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ২৯৯/১৯৬ আৰু আৰ ডব্লিউ ধাৰা ৫(১)/৭/১৩ অসম গো সুৰক্ষা অধিনিয়মত গ্ৰেপ্তাৰ কৰে। ধৃত আটাইকেইজনক আজি হোজাই শ্ৰীমন্ত শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰাত আদালতে আটাইকেইজনক জেল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক কেইজনৰ একাংশই সংবাদ মাধ্যমৰ সন্মুখত নিজকে নিৰ্দোষী বুলি দাবী কৰে। একাংশ ই-ৰিস্কা চালক, শ্ৰমিকক ৰাস্তাৰ পৰা তুলি আনি মন্দিৰত গো-মাংস পেলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি দাবী কৰিছে। তেওঁলোক এনে ঘৃণনীয় কাণ্ডৰ সৈতে জড়িত নহয় বুলি সংবাদ মাধ্যমৰ সন্মুখত চিঞৰি চিঞৰি কয়। সঁচাকৈয়ে ধৃত লোক কেইজনে মন্দিৰত গো-মাংস পেলাইছিল নেকি? যদি পেলাইছিল, এইসকলে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাওক। কিন্তু পৰিস্থিতি নিয়ন্ত্ৰণৰ নামত নিৰীহ লোকক শাস্তি দিয়াৰ পোষকতা কৰা নাই ডবকাৰ ৰাইজে। ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে ৰাইজে।

## মহানগৰীৰ বেদখলকাৰী

উচ্ছেদ অভিযানৰ বাবে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ', নাগালেণ্ডৰ আৰক্ষী, চি আৰ পি এফ বাহিনী তথা অসমৰ প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীৰ বনাঞ্চলত চলা ছাৰ্ভেৰ বিষয়ে কয় যে এই সমীক্ষা কেৱল অখিলঞ্জীয়া লোকৰ মাজতহে কৰা হৈছে। তেওঁ স্পষ্ট কৰি দিয়ে যে থলুৱা আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তেওঁৰ মতে, যিসকল ব্যক্তিয়ে মহানগৰীৰ জনগাঁথনিক অশান্ত কৰাৰ উদ্দেশ্যে বিভিন্ন স্থানৰ পৰা আহি বনাঞ্চলত বসতি স্থাপন কৰিছে, তেওঁলোকৰ ওপৰতহে এই ছাৰ্ভে কৰা হৈছে। তেওঁ জোৰ দি কয়, “যিসকলৰ তিনিটা প্ৰজন্ম অসমত নাই, তেওঁলোকৰ বিৰুদ্ধেহে এই সমীক্ষা চলিছে। এই ছাৰ্ভেৰ ধৰ্মৰ সৈতে কোনো সম্পৰ্ক নাই।” তেওঁ লগতে কয় যে এই সমীক্ষা কেৱল বনাঞ্চলত হে সীমাবদ্ধ আৰু ৰেভিনিউ চাৰ্কলৰ ভূমিত কৰা হোৱা নাই। থলুৱা আৰু জনজাতীয় সম্প্ৰদায়ৰ লোকসকলক আশ্বস্ত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকৰ আতংকিত হোৱাৰ কোনো কাৰণ নাই। তেওঁলোকৰ বাবে বসুন্ধৰা ৩.০ আঁচনিৰ অধীনত মাটিৰ পট্টা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ কয়, “খিলঞ্জীয়া মানুহৰ বিৰুদ্ধে আমি কোনো ব্যৱস্থা লোৱা নাই। তেওঁলোকৰ সুৰক্ষাৰ বাবে আমি পদক্ষেপ লৈছো।” উৰিয়ামঘাটৰ উচ্ছেদ অভিযানৰ সফলতাৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে অসম চৰকাৰে এতিয়ালৈকে মুঠ ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি বেদখলমুক্ত কৰিবলৈ সক্ষম হৈছে। তেওঁ জানিবলৈ দিয়ে যে পূৰ্বে ১ লাখ ২৯ হাজাৰ বিঘা মাটি মুক্ত কৰা হৈছিল, আৰু উৰিয়ামঘাটৰ সাম্প্ৰতিক অভিযানত অতিৰিক্ত ১০ হাজাৰ বিঘা ভূমি বেদখলকাৰীৰ পৰা উদ্ধাৰ কৰা হৈছে। এই অভিযানত নাগালেণ্ড চৰকাৰৰ সহযোগিতাক উচ্চ প্ৰশংসা কৰি তেওঁ নাগালেণ্ডৰ মুখ্যমন্ত্ৰী, আৰক্ষী আৰু চি আৰ পি এফ বাহিনীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। ইফালে মিঞালেণ্ডৰ দাবীৰ বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, “মিঞালেণ্ড হ'ব পাৰে, তাত আমাৰ কোনো আপত্তি নাই। কিন্তু সেই মিঞালেণ্ড বাংলাদেশত পাতিব লাগিব। আমি তাতো সহায় কৰিবলৈ সাজু। বাংলাদেশত বহুত মাটি আছে। যদি বাংলাদেশত কষ্ট হয়, তেন্তে আফগানিস্তানতো বনাই দিব পাৰো।”

## জাতীয় দল অসমৰ

হাতীগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত আৰক্ষীয়ে চেতিয়াক তেওঁৰ বাসগৃহৰ পৰা উঠাই নিয়াৰ পিছত অপৰাধ শাখাৰ গোচৰ নং ০২/২০২৫ৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, চেতিয়াই সামাজিক মাধ্যমত আলফা (স্বাধীন)-ৰ সমৰ্থনত বিভিন্ন সময়ত পোষ্ট কৰি আহিছিল, আৰু শেহতীয়াকৈ তেওঁৰ এটা পোষ্টৰ ভিত্তিত আৰক্ষীয়ে তেওঁক সংগঠনটোৰ সৈতে জড়িত থকাৰ সন্দেহত গ্ৰেপ্তাৰ কৰে। বৰ্তমান চেতিয়াক অধিক তদন্তৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে, আৰু তেওঁক শীঘ্ৰেই আদালতত হাজিৰ কৰা হ'ব। তবে গোচৰটোত উত্থাপিত আইনী ধাৰা বা অভিযোগৰ নিৰ্দিষ্ট বিশদ বিৱৰণ এতিয়াও কৰ্তৃপক্ষই প্ৰকাশ কৰা নাই। সামাজিক মাধ্যমত প্ৰকাশিত পোষ্টৰ বিষয়বস্তু বা ইয়াৰ নিষিদ্ধ সংগঠনটোৰ সৈতে সম্পৰ্কৰ বিষয়েও এতিয়ালৈকে কোনো আনুষ্ঠানিক বিবৃতি জাৰি কৰা হোৱা নাই। এই ঘটনাই প্ৰশ্ন উত্থাপন কৰিছে যে প্ৰণৱ জ্যোতি চেতিয়া প্ৰকৃততে আলফা (স্বাধীন)-ৰ সৈতে জড়িত নে কেৱল সন্দেহৰ ভিত্তিত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। এই গ্ৰেপ্তাৰৰ ফলত অসমৰ আন এজন যুৱকৰ জীৱন বন্দীত্বৰ দিশে গতি কৰিব পাৰে বুলি জনমত গঢ়ি উঠিছে, যিটো লক্ষণীয় হ'ব।

## আৰক্ষী চক্ৰ পৰিদৰ্শক

বিষয়া তথা চক্ৰ আৰক্ষী বিষয়া, আৰক্ষী পৰিদৰ্শক অৰ্পণ শইকীয়াক তৎকালীনভাৱে শিমলুগুৰি চক্ৰ আৰক্ষী বিষয়া হিচাপে বদলি কৰা হৈছে। উল্লেখ্য যে, ২৭ জুলাই নিশা আমগুৰি নগৰৰ মাজমজিয়াত দুই ভ্ৰাতৃয়ে শইকীয়াক আক্ৰমণ কৰি এডাল সোণৰ চেইন কাঢ়ি লৈ যায় বুলি অভিযোগ উঠে। তাৰ বিপৰীতে আৰক্ষী বিষয়া গৰাকীৰ বিৰুদ্ধে সুৰামত্ত অৱস্থাত এগৰাকী কিশোৰীক অভব্য আচৰণ কৰাৰ লগতে শাৰীৰিকভাৱে স্পৰ্শ কৰা আৰু দুগৰাকী মহিলাক থানাত উৰে নিশা আটক কৰি ৰখাৰ অভিযোগ উত্থাপিত হৈছিল। এই অভিযোগ আৰু প্ৰতি অভিযোগৰ পটভূমিত আৰক্ষী বিষয়াজনক তৎকালীনভাৱে বদলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে শিৱসাগৰ জিলা আৰক্ষী অধীক্ষকে। আৰক্ষী পৰিদৰ্শক মৃদুল হাজৰিকাই এতিয়া আমগুৰি থানাৰ দায়িত্ব গ্ৰহণ কৰিব। জানিব পৰা মতে, উত্থাপিত অভিযোগসমূহৰ ন্যায়সঙ্গত আৰু নিৰপেক্ষ তদন্ত নিশ্চিত কৰিবলৈ এই বদলিৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## মণিপুৰত ৰাষ্ট্ৰপতিৰ

প্ৰযোজ্য হোৱাকৈ ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন পুনৰ বৃদ্ধি কৰা প্ৰস্তাৱ সন্দৰ্ভত আজি লোকসভাত আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে যোৱা ১৩ ফেব্ৰুৱাৰীত মণিপুৰত বলবৎ কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ বৃদ্ধিৰ প্ৰতি সদনৰ অনুমোদন বিচাৰে আজি এই প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটো সন্দৰ্ভত হোৱা আলোচনাত ভাগ লৈ কংগ্ৰেছৰ এণ্ট এণ্টনীয়ে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বিষয়টো উত্থাপন কৰে আৰু ৰাজ্যখনত শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস হোৱা বুলি অভিযোগ তোলে। সমাজবাদী পাৰ্টীৰ লালজী বাৰ্মাই ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছতো ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনাত কেন্দ্ৰীয় চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে।

### ৰেংমা সংৰক্ষিত বনাঞ্চলত সৰ্ববৃহৎ উচ্ছেদ অভিযান

# খেৰবাৰীত উচ্ছেদ হ'ল তিনি চোৰাং চিকাৰীৰ ঘৰ

### গোলাঘাট আৰক্ষীৰ গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ

অসম বাৰ্তা, ধনশিৰি, ৩১ জুলাই: উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বৃহস্পতিবাৰৰ দিনটোত চলিল সৰ্ববৃহৎ উচ্ছেদ অভিযান। বৰ্তমানলৈকে চলি থকা উচ্ছেদ অভিযান সমূহৰ ভিতৰত সৰ্ববৃহৎ অভিযান ৰূপে গণ্য কৰা হৈছে। অসম বন বিভাগৰ নেতৃত্বত গোলাঘাট জিলা প্ৰশাসন আৰু গোলাঘাট আৰক্ষীৰ সক্ৰিয় সহায়ত কাৰ্যকৰী ৰূপত সম্পন্ন কৰা হৈছে এই অভিযান। তৃতীয় দিনটোত ২নং দয়ালপুৰ, ৩নং দয়ালপুৰ, দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ অঞ্চলত অবৈধভাৱে দখল কৰি থকা ৭০০তকৈ অধিক বাসগৃহ উচ্ছেদ কৰা হয়। ফলস্বৰূপে বেদখল কৰা বনভূমিৰ এক বিস্তৃত অংশ পুনৰউদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানৰ মাজতেই আন এক চাঞ্চল্যকৰ খবৰ পোহৰলৈ আহে। খেৰবাৰীত উচ্ছেদ চলোৱা বাসগৃহ সমূহৰ ভিতৰত আছিল তিনি চোৰাং চিকাৰীৰ ঘৰ। দীৰ্ঘদিনে কাজিৰঙাত বন্য জীৱ-জন্তুৰ চিকাৰ আৰু গঁড়ৰ খৰ্গ আদি সৰবৰাহত জড়িত আছিল খেৰবাৰীৰ তিনি চোৰাং চিকাৰী হাবিবুৰ ৰহমান(৩৯), চৰিফত আলি(৫২) আৰু নেৱাজ আলি(৩৯)। তিনি চোৰাং চিকাৰীয়ে উৰিয়ামঘাটৰ বেদখলকৃত ভূমিৰ পৰাই চলাই গৈছিল চোৰাং চিকাৰৰ বৃহৎ বেহা। কালিৰ দিনটোত গোলাঘাট আৰক্ষীয়ে তিনিওকে গ্ৰেপ্তাৰ কৰি



জেল হাজোতলৈ প্ৰেৰণ কৰাৰ লগতে বৃহস্পতিবাৰে বাসগৃহ সমূহ উচ্ছেদ চলোৱা হয়। উচ্ছেদ অভিযানৰ তৃতীয় দিনা সকলো আইনী ব্যৱস্থা পালন কৰি অভিযানটো শান্তিপূৰ্ণভাৱে সমাপন কৰা হয়। উচ্ছেদ চলোৱাৰ পূৰ্বে স্থানীয় কৰ্তৃপক্ষই সকলো বসতিস্থান সম্পূৰ্ণৰূপে খালী থকাটো নিশ্চিত কৰে। উচ্ছেদ অভিযানৰ সময়ত মুখ্য সচিব এম.কে.যাদৱ, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্ত, গোলাঘাটৰ জেষ্ঠ আৰক্ষী অধিক্ষক সহ বহু উচ্চ পদস্থ বিষয়া উপস্থিত থাকি তদাৰক কৰে। অভিযানটোক সঠিক সময়ত আৰু সুচাৰুভাৱে সম্পন্ন কৰিবলৈ বৃহৎ সংখ্যক যন্ত্ৰপাতি নিযুক্ত কৰা হয়। বিভিন্ন বিভাগৰ সমন্বিত সহযোগিতা, সুচিন্তিত পৰিকল্পনা আৰু আৰক্ষী তথা চিআৰপিএফ বাহিনীৰ সহায়ত শক্তিশালী সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰি তৃতীয় দিনাৰ অভিযান সফলভাৱে সম্পন্ন কৰে।

## অগপৰ কল্যাণ আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, খাৰুপেটীয়া, ৩১ জুলাই ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে দলগাও বিধানসভা সমষ্টিত। এআইইউডিএফৰ দখলত থকা দলগাও বিধান সভা সমষ্টিত কংগ্ৰেছৰ লগতে অসম গণ পৰিষদ দলেও এআইইউডিএফৰ লগত ফেৰ মাৰিবলৈ গাঁৱে-গাঁৱে প্ৰস্তুতি চলাইছে। আগন্তুক বিধান সভা নিৰ্বাচনত অসম গণ পৰিষদ দলৰ ভেটি মজবুত কৰিবলৈ নেতা কৰ্মীয়ে চলাইছে দলৰ জনপ্ৰিয়তা। তাৰ বাবে পঞ্চায়তে পঞ্চায়তে অসম গণ পৰিষদৰ আঞ্চলিক সমিতি সমূহ গঠন কৰা পৰিলক্ষিত হৈছে। দলগাঁৱত অসম গণ পৰিষদ দলৰ ভেটি মজবুত কৰিবলৈ কল্যাণ গাঁও পঞ্চায়তত দলগাঁও বিধান সভা সমষ্টিৰ সভাপতি জাকিৰ হুছেইন খলিফাৰ সঞ্চালনাত দলৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ সাধাৰণ সম্পাদক জয়নাল আব্দিনৰ লগতে শতাধিক ৰাইজৰ উপস্থিতিত আব্দুল ওৱাদুতক সভাপতি আৰু ৰফিকুল ইছলামক সাধাৰণ সম্পাদক হিচাবে লৈ কল্যাণ গাঁও পঞ্চায়তৰ আঞ্চলিক সমিতিখন গঠন কৰা হয়।

## কাজিৰঙাৰ মোনা

ঘটনাই সুৰক্ষাকৰ্মীৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। বুধবাৰে বিয়লি মোনা বনশিবিৰৰ বনকৰ্মীসকলে নিয়মীয়া টহলৰ সময়ত এই মৃত ম'হকেইটাক প্ৰত্যক্ষ কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এটা পশু চিকিৎসকৰ দল ঘটনাস্থলীত উপস্থিত হয়। বৃহস্পতিবাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল প্ৰাধিকাৰী অৰুণ ভিগনেছে সংবাদ মাধ্যমৰ আগত জানিব দিয়া মতে, বিলৰ মাজত একেলগে পৰি থকা অৱস্থাত দুটা মতা আৰু চাৰিজনী মাইকী ম'হৰ মৃতদেহ পোৱা গৈছে। তেওঁ কয় যে ম'হকেইটাৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়ালৈকে নিশ্চিত হোৱা নাই। তথাপি, ঘটনাস্থলীৰ পৰিৱেশ-পৰিস্থিতি পৰ্যবেক্ষণ কৰি প্ৰাৰম্ভিক তদন্তত বজ্ৰপাতৰ ফলত এই মৃত্যু হোৱাৰ সম্ভাৱনাৰ কথা সন্দেহ কৰা হৈছে। ইফালে এই ঘটনাৰ তদন্তৰ বাবে বন বিভাগে চাৰিজন পশু চিকিৎসকৰ এটা তদন্তকাৰী দল গঠন কৰা হৈছে, য'ত চাৰিজন পশু চিকিৎসক অন্তৰ্ভুক্ত। ইতিমধ্যে ম'হকেইটাৰ মৰোণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে, আৰু মৃত্যুৰ কাৰণ নিশ্চিত কৰিবলৈ শৱদেহৰ পৰা নমুনা সংগ্ৰহ কৰা হৈছে। বৃহস্পতিবাৰে পুৱা পশু চিকিৎসকৰ দলটোৱে মোনা বিলত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰি দুটা মৃতদেহৰ সম্পূৰ্ণ মৰোণোত্তৰ পৰীক্ষা কৰে, আৰু বাকী চাৰিটাৰ আংশিক পৰীক্ষা কৰা হয়। পৰীক্ষাৰ পাছত চিকিৎসক দলটোৱে সন্দেহ কৰিছে যে ম'হকেইটাৰ মৃত্যু বজ্ৰপাতৰ ফলত হৈছে। সংগ্ৰহিত নমুনাসমূহ পৰীক্ষাগাৰত পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব। অৰুণ ভিগনেছে জানিব দিয়া মতে, নমুনাৰ পৰীক্ষাৰ ফলাফলৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ নিশ্চিত হ'ব। ইয়াৰ মাজতে, এলেকাটোত আৰু মৃতদেহ থকাৰ সন্দেহত হাতীৰে চোৰাচিতা কৰা হৈছিল, কিন্তু অধিক মৃতদেহ পোৱা নগ'ল। এই ঘটনাই কাজিৰঙাৰ বনৰীয়া ম'হৰ সংৰক্ষণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। বন বিভাগে জানিব দিয়া মতে, তদন্তৰ ফলাফলৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতে এনে ঘটনা ৰোধৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বনৰীয়া ম'হৰ সংখ্যা দেশৰ ভিতৰতে সৰ্বাধিক, আৰু এনে ঘটনাই সংৰক্ষণৰ প্ৰচেষ্টাত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে।





**ALL ASSAM TRIATHLON & AQUATHLON CHAMPIONSHIP 2025**
**GUWAHATI**

**Event Info:**
- Race Dates: 2 & 3 August 2025 (Saturday & Sunday)
- Reporting Date & Time for Briefing: 2 August 2025 (Friday) at 3 PM (Mandatory)
- Venue: Triathlon Dr Zakir Hussain Aquatic Complex) sarusajai sports complex Guwahati
- Multisport Type: Triathlon & Aquathlon
- Entry Fee: ₹1000
- For Registration Contact: 8638761294 / 9864366384
- Registration Closes: 31st July 2025 at 5 PM
- No Registration Will Be Allowed at the Venue.

**Age Groups:**
1. Above 18 Years: Senior Boys & Girls
2. Below 18 Years: Born on or before 2006 and 2007
3. Below 16 Years: Born on or before 2008 and 2009
4. Below 14 Years: Born on or before 2010 and 2011
5. Below 12 Years: Born on or before 2012 and 2013
6. Below 10 Years: Born on or before 2014 and 2015

**Distance & Events:**
- **Triathlon Distance:**
  - Senior Boys & Girls: (750m Swim | 20 km Cycling | 5 km Run)
  - Junior Boys & Girls: (700m Swim | 15 km Cycling | 4 km Run)
- **Aquathlon Distance:**
  - Above 18 Years: (750m Swim | 5 km Run)
  - Below 18 Years: (700m Swim | 4 km Run)
  - Below 16 Years: (500m Swim | 3 km Run)
  - Below 14 Years: (300m Swim | 1.5 km Run)
  - Below 12 Years: (250m Swim | 1 km Run)
  - Below 10 Years: (200m Swim | 1 km Run)

Arup kumar Thakuria

ONLINE PAYMENT ONLY
PAYMENT RECEIPT MUST BRING AT THE VANUE

**Swim Course:**
- Triathlon: (Dr Zakir Hussain Aquatic Complex) sarusajai sports complex Guwahati
- Aquathlon: (50-meter swimming pool with 8 lanes)

For any other queries, please feel free to contact us at 8638761294 / 9864366384

**Sd/-**
**(Arup Krishna Thakuria)**
**Secretary Assam Triathlon & Joint Secretary of Assam Olympic Association, Ulubari, Guwahati-07**



## নগাঁৱত বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৩১ জুলাই ঃ** বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে মংগলবাৰে নগাঁও জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত "সংকল্প" মহিলা সবলীকৰণৰ কেন্দ্ৰ, নগাঁৱৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছন আৰু ক'চি লোক মঞ্চ, নগাঁও (স্বেচ্ছাসেৱী সংস্থা)ৰ সহযোগত বঢ়মপুৰৰ বামুণীত সজাগতা সৃষ্টিৰ উদ্দেশ্যৰে আয়োজন কৰা হয় "মানৱ সৰবৰাহ আৰু ডাইনী হত্যা" সম্পৰ্কে জিলা পৰ্য্যায়ৰ এক সজাগতামূলক অভিযানৰ। বামুণী স্থিত ইন্দিৰা গোস্বামী CLF কাৰ্যালয় সভা কক্ষত আয়োজিত উক্ত অনুষ্ঠানতটিত জিলা সমাজ কল্যাণ বিষয়া, ভোলানাথ পেগুয়ে উদ্বোধনী ভাষণ প্ৰদান কৰে। বামুণী গাঁও পঞ্চায়তৰ এগৰাকী জ্যেষ্ঠ শিক্ষকৰ দ্বাৰা ডাইনী হত্যাৰ সন্দৰ্ভত এক ভাৱ বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। উল্লিখিত অনুষ্ঠানত, নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ সন্মানীয় সচিব মুনমী নেওঁগে মানব সৰবৰাহ আৰু ডাইনী হত্যাৰ সৈতে জড়িত আইনী ব্যৱস্থা আৰু প্ৰতিৰোধৰ ওপৰত বক্তব্য প্ৰদান কৰে। অতিৰিক্ত জিলা আয়ুক্ত (মহিলা আৰু শিশু উন্নয়ন বিভাগ) দেবাহুতি বৰায়ে তেখেতৰ বক্তব্যত মানব সৰবৰাহ আৰু ডাইনী হত্যাৰ বিষয়ে নিজ কৰ্মজীৱনৰ বাস্তৱ অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে আৰু এই ক্ষেত্ৰত সকলোকে জনসচেতনতা বৃদ্ধি কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানতেই ক'চি লোক মঞ্চ, নগাঁও (স্বেচ্ছাসেৱী সংস্থা)ৰ প্ৰতিনিধিৰ দ্বাৰা এখনি মুকলি আলোচনা সভা অনুষ্ঠিত হয়, য'ত অংশগ্ৰহণকাৰী সকলে মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ সম্পৰ্কে নিজৰ মতামত ব্যক্ত কৰে। অনুষ্ঠানৰ শেষত, "এটি গছ পুলি কন্যা সন্তানৰ নামত" শীৰ্ষক এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে এক বৃহৎ সজাগতা ৰেলীও অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটিত জিলা পৰিষদৰ সদস্যসকল, বামুণী গাঁও পঞ্চায়তৰ গাঁও পঞ্চায়ত সভাপতি আৰু সম্পাদক, শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, জিলা সমাজ কল্যাণ বিভাগৰ মিডিয়া কোষৰ নডেল বিষয়াসকল, শিক্ষা বিভাগৰ প্ৰতিনিধিসকল, বামুণী স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, ASRLM, PNRD, POSHAN, DHEWৰ বিষয়া আৰু প্ৰতিনিধিসকল, বিভিন্ন চৰকাৰী/বেচৰকাৰী প্ৰতিষ্ঠান আৰু শিক্ষা প্ৰতিষ্ঠানৰ অংশগ্ৰহণকাৰীসকল আৰু স্থানীয় জনসাধাৰণ উপস্থিত থাকে।

### সৃজনগ্ৰাম বিধানসভা সমষ্টিত নিৰ্বাচনী তৎপৰতা ৰাজনৈতিক দলৰ

# কংগ্ৰেছ-এআইইউডিএফৰ দুৰ্বলতাৰ সুযোগ অসম গণ পৰিষদৰ

**অসম বাৰ্তা, অভয়াপুৰী, ৩১ জুলাই ঃ** লোকসভা নিৰ্বাচত কংগ্ৰেছে প্ৰতিদ্বন্দ্বী দলতকৈ লক্ষাধিক ভোট লাভ কৰি যি চমক দিছিল সেই ধাৰা অব্যাহত ৰাখিবলৈ কংগ্ৰেছ সফল নহ'ল। সৃজনগ্ৰাম বিধানসভা সমষ্টিত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী সকলৰ অধিকাংশই পৰাজিত হয়। ঘাইকৈ জিলা পৰিষদৰ সদস্য সদস্যাৰ নিৰ্বাচনৰ ক্ষেত্ৰত। সমষ্টিটোত আছিল চাৰিখন জিলা পৰিষদীয় আসন। ইয়াৰে কোকিলা, ৰাঙাপানী আৰু টাপাট্টাৰীত নিৰ্দলীয় প্ৰাৰ্থী বিজয়ী হোৱাৰ বিপৰীতে যোগীঘোপাৰ আসনখনতহে কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী গৰাকীয়ে বিজয়ী হয়। তাকো ন্যূনতম ভোটৰ ব্যৱধানত। ধৰ্মীয় সংখ্যালঘু ৰাইজে কেৱল হাতৰ প্ৰতীক চিহ্নটোকে চিনি পায় বুলি একাংশ কংগ্ৰেছী নেতাৰ দম্ভালিভৰা কথাক সম্পূৰ্ণৰূপে নসাৎ কৰি ৰাইজে তিনি গৰাকীকৈ নিৰ্দলীয় প্ৰাৰ্থীক বিজয়ী কৰাই এক চমক সৃষ্টি কৰে। যিটো নেকি কংগ্ৰেছৰ কাৰণে অনাহুত পৰিৱেশ। ধৰ্মীয় সংখ্যালঘুৰে পৰিপূৰ্ণ সৃজনগ্ৰাম সমষ্টিটোত কংগ্ৰেছৰ এই দশাৰ দৰে একেই পৰিৱেশ হৈছে এ আই ইউ ডি এফৰ ক্ষেত্ৰত। দ'লটোৰ গুৰিবঁঠা ধৰোঁতা বদৰুদ্দিন আজমলৰ পৰাজয় আৰু তেওঁৰ উদ্যম পূৰ্বৰ দৰে নথকাৰ বাবে দ'লটোৰ নেতা কৰ্মীৰ মাজত আৰম্ভ হৈছে তীব্ৰ হতাশা। সেই হতাশাৰ বাবে দ'লটোৰ সাংগঠনিক ভেটি হৈছে থৰকবৰক। যাৰবাবে বিগত পঞ্চায়ত নিৰ্বাচনত দ'লটোৱে জিলা পৰিষদৰ এখনো আসন নাপালে। দুই এজন কাউঞ্চিলৰ বিজয়ী কৰাবলৈ সক্ষম হৈছে যদিও তাত প্ৰাৰ্থী জনৰ ব্যক্তিগত প্ৰচেষ্টা আছিল বেছি। কংগ্ৰেছ পশ্চাদগামীতা আৰু এ আই ইউ ডি এফৰ দুৰ্বল সাংগঠনিক স্থিতিৰ বাবে সমষ্টিটোত ন উদ্যামৰে আগবাঢ়িছে অগপ। সম্প্ৰতি কংগ্ৰেছ, এ আই ইউ ডি এফে দলীয় সাংগঠনিক মজবুত কৰি ৰখাৰ পৰিবৰ্তে ব্যস্ত হৈ পৰিছে লবী কেন্দ্ৰীক ৰাজনীতিত। ৰাজনৈতিক ভাৱে বিজ্ঞ মহলে দাবী কৰা মতে সমষ্টিটোত কংগ্ৰেছৰ পৰা টিকটৰ দাবীদাৰ সংখ্যা বহুত। ইয়াৰ ভিতৰত অভয়াপুৰী দক্ষিণ সমষ্টিৰ বিধায়ক প্ৰদীপ সৰকাৰ, প্ৰাক্তন সাংসদ আব্দুল খালেক, অসম প্ৰদেশ কংগ্ৰেছ সম্পাদক ক্ৰমে নুৰুল ইছলাম আৰু শ্বেখ আনোৱাৰ হুছেইন, যোগীঘোপা অঞ্চলৰ জনপ্ৰিয় ব্যক্তি তথা জ্যেষ্ঠ কংগ্ৰেছী নেতা মুছাৰফ হুছেইন, কংগ্ৰেছৰ মহিলা গোটৰ নেত্ৰী নাহিদা আখতাৰ চৌধুৰী, ইঞ্জিনিয়াৰ ছাদুল্লা খান, লেংটিছিঙা কলেজৰ অধ্যক্ষ ডং জহিৰুল ইছলাম, আমছুৰ প্ৰতিষ্ঠাপক সভাপতি তথা প্ৰাক্তন বিধায়ক আব্দুল হাই নাগৰী, বৰ্তমানৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰ আদি। ইয়াৰে প্ৰায় গৰাকী নেতাৰ সংখ্যালঘু অধ্যুষিত এলেকাত আছে কমবেছি পৰিমাণে জনপ্ৰিয়তা। ইয়াৰ ভিতৰত আব্দুল হাই নাগৰী দুবাৰ বিধায়ক হৈছিল। তেওঁ বিধায়ক হৈ থকাৰ সময়ত বিধায়কৰ পৰা আশা, প্ৰত্যাশা কৰা ধৰণে সহায় সহযোগিতা নোপোৱাত একাংশ কংগ্ৰেছী নেতাৰ তেওঁৰ প্ৰতি হৈ পৰিছিল ক্ষুব্ধ। সেই ক্ষুব্ধ লবীটোৱে তীব্ৰ বিযেদাগাৰ প্ৰকাশ কৰিব আৰম্ভ কৰাত সমষ্টিতোত তেওঁৰ বিৰুদ্ধে বলিব ধৰিছিল ক্ষোভৰ অগনি। যাৰ বাবে কংগ্ৰেছে তেওঁৰ সলনি প্ৰক্ষেপ কৰে আব্দুল বাতেন খণ্ডকাৰক। আব্দুল বাতেন খণ্ডকাৰে ৩০ হাজাৰোধিক ভোটত বিজয়ী হৈ বিধায়ক হিচাপে নিৰ্বাচিত হয়। কিন্তু তেওঁৰ বিৰুদ্ধেও আৰম্ভ হয় নানান অভিযোগ। ইয়াৰ ভিতৰত বিজেপিৰ সতে মিতিৰালি কৰি ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজেপিৰ শ্ৰুতলিপিত ভোটদান কৰা, কেইজন মান বিশেষ লোকক আগস্থান দি বাকীবোৰক গুৰুত্ব নিদিয়া, সমষ্টিৰ উন্নয়নত ব্যৰ্থ হোৱা, কেৱল ফেচবুকত লিখি বিধায়কৰ দায়িত্ব পালন কৰিব খোজা, পঞ্চায়ত নিৰ্বাচনৰ সময়ত টকাৰ লেনদেনৰে অযোগ্য প্ৰাৰ্থীক দলীয় প্ৰাৰ্থীত্ব প্ৰদান কৰা, সমষ্টিৰ সলনি গুৱাহাটী আৰু অভয়াপুৰীত বসবাস কৰিব লোৱা, জধেমধে ৰাইজক দুৰ্ব্যৱহাৰ কৰা আদি অভিযোগ সমূহ এতিয়া সমষ্টিটোৰ বুজন সংখ্যক ৰাইজৰ মুখে মুখে উঠিছে। আনহাতে প্ৰদীপ সৰকাৰ আছে সুযোগৰ সন্ধানত। তেওঁ অভয়াপুৰী সমষ্টি আৰু সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত যিকোনো এটাত খেলিব পৰা জোখৰে আছে জনপ্ৰিয়তা। তেওঁৰ বাৰে সৃজনগ্ৰাম সমষ্টিতো উত্তম। কিয়নো যদিওবা সৃজনগ্ৰাম সমষ্টিতো ধৰ্মীয় সংখ্যালঘুৰে ভৰপুৰ তথাপি তেওঁ সেই সমষ্টিটোৰ বুজন সংখ্যক ভোটাৰৰ সতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিচিত। যোৱাবাৰৰ বিধানসভা নিৰ্বাচনত তেওঁ বৰ্তমানৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিত পৰা বহু অঞ্চলৰ ভোটাৰে তেওঁক ভোট দি বিজয়ী কৰাইছিল। সেই দিশত তেওঁ কিছু আগবাঢ়ি আছে। ইপিনে প্ৰাক্তন সাংসদ আব্দুল খালেকৰ সমৰ্থক সকলেও বিচাৰে তেওঁ এই সমষ্টিতো খেলক নিৰ্বাচন। তেওঁলোকৰ উপৰিও এপিচিচিৰ সম্পাদক নুৰুল ইছলামৰ চৰাঞ্চলত আছে অদ্ভুত জনপ্ৰিয়তা। বিগত ১০‌১২ বছৰ ধৰি তেওঁ লাগি আছে জনতাৰ মাজত। সেইদৰে জ্যেষ্ঠ কংগ্ৰেছী নেতা মুছাৰফ হুছেইন, চফিউৰ ৰহমানেও বিচাৰি আছে কংগ্ৰেছৰ দলীয় টিকট। ইপিনে এ আই ইউ ডি এফৰ সাংগঠনিক স্থিতি বৰ্তমান থৰকবৰক যদিও সমষ্টিটোত বহু সংখ্যক গোপন বা নীৰৱ ভোটাৰ আছে। সেই ভোটাৰ সকলে দ'লটোৰ হৈ সভা সমিতিত নগলেও এ আই ইউ ডি এফকে অদ্যাপি ভোট দি আহিছে। সম্প্ৰতি দ'লটোৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ দৌৰত আছে প্ৰাক্তন জিলা পৰিষদৰ সদস্য আবু বাক্কাৰ, বালাপাৰাৰ আৱাল মজিদ, আমিৰুল হ'ক, বালাৰচৰৰ চফিউৰ ৰহমান আৰু চুৰমান আলী। কংগ্ৰেছৰ মাজত আৰম্ভ হোৱা লবীকেন্দ্ৰীক ৰাজনীতি আৰু এ আই ইউ ডি এফৰ নিষ্ক্ৰিয়তাৰ সুযোগৰ সদ্ব্যৱহাৰত ব্যস্ত হৈ পৰিছে অগপ। অগপৰ সৃজনগ্ৰাম বিধান পৰিষদে বিভিন্ন সভা সমিতিৰ যোগেদি দলীয় সাংগঠনিক ভেটি সুদৃঢ় কৰাত মনোনিবেশ কৰিছে। সমান্তৰালভাৱে বিভিন্ন দ'লৰ পৰা বহু নেতা কৰ্মীয়ে যোগদান কৰি দ'লটোক শক্তিশালী কৰিব আৰম্ভ কৰিছে। অগপৰ সৃজনগ্ৰাম বিধান পৰিষদ, দ'লটোৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি অপূৰ্ব ভট্টাচাৰ্যকে ধৰি আন জ্যেষ্ঠ নেতা সকলে ৰাজহুৱাভাৱে ছাহিদুল হক (ভাইটি)ক একপ্ৰকাৰ সেউজ সংকেত দিয়াত অগপৰ পৰা তেওঁ দলীয় টিকট পোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানো অগপৰ টিকট পোৱাটো অস্বাভাৱিক নহয়। ইফালে বিজেপিয়েও দ'লটোৰ সাংগঠনিক শক্তি বৃদ্ধি কৰাত কৰিছে মনোনিৱেশ। নানান সভা সমিতিৰ যোগেদি কৰি আছে যোগদান কাৰ্যসূচী। কোন দলে কাক দলীয় টিকট প্ৰদান কৰিব সেয়া সুদুৰ পৰাহত যদিও সমষ্টিটোত লাহে লাহে বিধান সভা নিৰ্বাচনৰ বতাহ বলিব আৰম্ভ কৰিছে।

## সমাজকৰ্মী সোণ্তি বায়ন কলিতাৰ মৃত্যুত মৰ্মাহত ব্ৰহ্মপুত্ৰবাসী

**অসম বাৰ্তা, বাদুলিপাৰ, ৩১ জুলাই ঃ** মাজুকুছি গাঁৱত জন্মলাভ কৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাৰ অন্তৰ্গত লেমচাপৰি প্ৰাথমিক শাখাৰ সোণ্তি বায়ন কলিতা বাপজন ৯৩ বছৰ বয়সত বৈকুণ্ঠগামী হয়। তেখেত এজন নামাচাৰ্য্য, বায়ন, বিবাহ পৰিচালক (বিধি পাঠ) শংকৰী সংস্কৃতিৰ সাধক, লেখক, শিল্পী হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাৰ প্ৰাক্তন উপসভাপতি আৰু উপদেষ্টা আছিল। তেখেতৰ শিক্ষাগত অৰ্হতা নিচেই কম যদিও প্ৰায় ৮–৯ বছৰ আগতে সমগ্ৰ ভাৰতৰ পুৰী, মথুৰা আদি ভ্ৰমণ কৰি আহি তাৰ ওপৰত পৰ্যালোচনা কৰি 'নাম নিজৰা' নামৰ এভাগি গ্ৰন্থ লিখি আনুষ্ঠানিক ভাৱে মাধৱদেৱ প্ৰাথমিক শাখাৰ নামঘৰত উন্মোচন কৰে। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতি ইমানেই দায়বদ্ধ আছিল যে গহপুৰকে আদি কৰি কেইবাখনো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিবেশনলৈ চাইকেলৰে যাত্ৰা আৰম্ভ কৰিছিল। প্ৰয়াত সোণ্তিবায়ন কলিতা বাপজন ধেমেলীয়া গুণৰ বাবে সৰু পৰা ডাঙৰলৈ সকলোৰে প্ৰিয়হৈ ৰ'ল, শিশুসুলভ স্বভাৱৰ বাবে অঞ্চলৰ ৰাইজ আজি মৰ্মাহত। তেখেতৰ বিয়োগত ব্ৰহ্মপুত্ৰ অঞ্চলৰ আপুৰুগীয়া ক্ষতি। ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবাহিনীৰ অধিনায়ক প্ৰণৱ বৰা, ব্ৰহ্মপুত্ৰ আঞ্চলিক শাখাৰ সম্পাদক গুণেন্দ্ৰ চন্দ্ৰ ভঁৰালী, সভাপতি বলীন চন্দ্ৰ বৰাৰ লগতে আঞ্চলিক শাখাৰ সমূহ বিষয়বিয়াই আত্মাৰ সদগতিৰ কামনা কৰি প্ৰভু ভগৱন্তৰ ওচৰত সেৱা নিবেদন জনাই। শোকসন্তপ্ত পৰিয়ালবৰ্গক এই দুখৰ সময়ত ঈশ্বৰে সাহস দিয়ক তাৰেই কামনা কৰে অঞ্চলবাসীয়ে।

## নগাঁৱৰ লায়ন্স ক্লাবৰ প্ৰকল্প মুস্কানৰ জৰিয়তে ১৬ শিশুৰ মুখত বিৰিঙিল হাঁহি


**অসম বাৰ্তা, নগাঁও, ৩১ জুলাই ঃ** সাম্প্ৰতিক সময়ত জন্মগত ভাৱে উঠকটা কেইবাগৰাকীও শিশুৰ মুখত এটা সুন্দৰ হাঁহি বিৰিঙাবলৈ সকলোৱে চিন্তা চৰ্চা কৰে। আৰ্থিকভাৱে দুৰ্বল তেনে একাংশ শিশুৰ অভিভাৱকে আজি লাভ কৰিছে এক বিশেষ সহায়। নগাঁৱৰ লায়ন্স ক্লাবৰ উদ্যোগত বিগত ৩বছৰে চলি আছে (প্ৰকল্প মুস্কান) নামৰ এক বিশেষ স্বাস্থ্য সম্পৰ্কীয় আচনি। তিনি বছৰ ধৰি নগাঁও জিলাৰ ভিন্ন প্ৰান্তৰ উঠ কটা আৰ্থিকভাৱে দুৰ্বল শিশুক বিনামুলীয়াকৈ অত্যাধিক অস্ত্ৰপ্ৰচাৰ সেৱাৰ জৰিয়তে ১৪ টি শিশুৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছেনগাঁও লায়ন্স ক্লাবে। আজি নগাঁৱৰ আৰ ডি ভৱনত আনুষ্ঠানিক ভাৱে পুনৰ দুটি শিশুক প্ৰেৰণ কৰে গুৱাহাটীৰ কে এম জি টি মাল্টিনেশ্বনেল হাস্পতাললৈ আৰু শিশু কেইটিৰ উন্নত চিকিৎসাৰ বাবে। লায়ঞ্চ ক্লাৱৰ এই




মহানুভৱতা নগাঁৱৰ সচেতন ৰাইজে শলাগ লোৱাৰ লগতে আগন্তুক দিনত ইয়াৰ দ্বাৰা যথেষ্ট শিশু উপকৃত হব বুলি আশাপ্ৰকাশ কৰিছে।

## জাগৰণ সাহিত্য গোষ্ঠীৰ 'ৰূপালী জয়ন্তী' বৰ্ষ

**অসম বাৰ্তা, নগাঁও, ৩১ জুলাই ঃ** নগাঁও জিলাৰ ধিঙত বিগত ২০০১ চনতে ধিঙৰ কেইজনমান সাহিত্যনুৰাগীৰ বিৰল প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰাত ধিং জাগৰন সাহিত্য গোষ্ঠীয়ে ইতিমধ্যেই ২৪ টি বৰ্ষ গৰকী ২৫ বৰ্ষত ভৰি দিলে। এই উপলক্ষে গোষ্ঠীৰ সৌজন্যত আৰু ধিং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত আজি ধিং মহাবিদ্যালয় লক্ষ্মীকান্ত মহন্ত সোঁৱৰণী সভা গৃহত জাগৰণ সাহিত্য গোষ্ঠীৰ প্ৰাৰম্ভিক "ৰূপালী জয়ন্তী" বৰ্ষৰ শুভাৰম্ভনি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি আজি পুৱা ১০ বজাত পতাকা উত্তোলন কৰে গোষ্ঠীৰ সভাপতি মুকুল বৰাই। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে বিশিষ্ট কবি প্ৰদীপ কুমাৰ দে সৰকাৰ আৰু ৰিমঝিম বৰাই। তদুপৰি গোষ্ঠীৰ লগত নিবিড় ভাৱে জড়িত হৈ ইতিমধ্যে পৰলোক প্ৰাপ্তি হোৱা প্ৰায় ১৫ গৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লগতে উক্ত ব্যক্তি সকলৰ পত্নী তথা পৰিয়াল বৰ্গক একোখনকৈ ফুলাম গামোছা আৰু কৃতজ্ঞতা পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানতে জাগৰণ সাহিত্য গোষ্ঠীৰ ইতিহাস সন্দৰ্ভত এক আলোকপাত কৰে গোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি তথা মুখ্য উপদেষ্টা ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই। ইয়াৰ লগতেই গোষ্ঠীৰ সভাপতি মুকুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰাৰম্ভিক ৰূপালী জয়ন্তী বৰ্ষৰ মুকলি সভা। প্ৰাক্তন শিক্ষয়িত্ৰী তথা শিল্পী বাণী প্ৰভা শইকীয়াৰ এটি বৰগীতেৰে আৰম্ভ হোৱা উক্ত সভাতে পাচঁখনকৈ গ্ৰন্থ উন্মোচিত কৰা হয়। গোষ্ঠীৰ সম্পাদক তথা বিশিষ্ট কবি প্ৰেমেশ্বৰ ঠাকুৰীয়াই আতঁ ধৰা অনুষ্ঠানটিত কাব্যকাৰ দীপাংকগিৰি দেৱ গোস্বামীৰ "আখৰুৱা প্ৰীতি" নামৰ কাব্যগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট বাঁহী বাদক দীপক শৰ্মাই, কাব্যকাৰ হৰিবন্ধু বিশ্বাসৰ "ঈশ্বৰ" আৰু "হাহাকাৰ" নামৰ কাব্যগ্ৰন্থ দুখনি উন্মোচন কৰে ক্ৰমে বিশিষ্ট সাহিত্যিক, কবি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই আৰু ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ডং বিমান হাজৰীকাই, অন্য এখন প্ৰেমেশ্বৰ ঠাকুৰীয়া কাব্যগ্ৰন্থ "প্ৰত্যাহ্বান"ৰ ইংৰাজীলৈ কৰা অনুবাদক হৰিবন্ধু বিশ্বাসৰ "চেলেঞ্জ" নামৰ গ্ৰন্থখন উন্মোচন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই আৰু "আই আৰু কেইটামান জোনাকী পৰুৱা" নামৰ কাব্যগ্ৰন্থ খনি উন্মোচন কৰে অসম



সাহিত্য সভাৰ সাংগঠনিক সম্পাদক নিত্যানন্দ বৰাই। গ্ৰন্থৰ উন্মোচনী ভাষণ প্ৰসংগত আটাইকেইগৰাকী উন্মোচকে কাব্যকাৰ সকলৰ কবিতাৰ ওপৰত এক সুন্দৰ আলোকপাত কৰে। আনহাতে অসমীয়া ভাষাৰ শব্দ আৰু উচ্চাৰণ ইয়াৰ কথন আৰু লিখন প্ৰণালীৰ ওপৰত এক বিশ্লেষণাত্মক ব্যাখ্যা আগবঢ়াই অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখুৱাই। সভাত উপস্থিত থকা সকলো কবি সাহিত্যিকে গোষ্ঠীৰ তৰফৰ পৰা ফুলাম গামোছাৰে আদৰণি জনোৱা উক্ত অনুষ্ঠানত কবি দিপাংকৰগিৰি দেৱ গোস্বামীৰ এটি গীত পৰিবেশন কৰাৰ লগতে প্ৰীতি ভৰালী, লক্ষ্যধৰ তালুকদাৰ, খাইৰুল ইছলাম, অৰূপ কুমাৰ গোস্বামী, বাহাৰুল ইছলাম, ইলোৰা কাকতি, জোনালী শইকীয়া বৰা, তৃষ্ণা বৰা দাস, নিৰুপ্ৰভা দেৱী, প্ৰবিত্ৰী ভড়ালী, পোৱাল দাস, গোপাল বৰা, ক্ষীৰধৰ নাথ, দীপানজু বৰা, কৰবী শইকীয়া, প্ৰদীপ কুমাৰ দে সৰকাৰ, শিশু তৃষানু দাস, হিনা কলিতাকে ধৰি প্ৰায় কুৰিয়ো অধিক কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰে। লগতে গোষ্ঠীৰ তৰফৰ পৰা একোখনকৈ কৃতজ্ঞতা পত্ৰৰো প্ৰদান কৰা হয়। দিনযোৱা এই কাৰ্যসূচীত কবি সাহিত্যিককে ধৰি প্ৰায় তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে

## ধমধমাত নলবাৰী জিলা ভাৰোত্তোলন সন্থাৰ সজাগতা সভা



**অসম বাৰ্তা, ধমধমা, ৩১ জুলাই ঃ** নলবাৰী জিলা ভাৰোত্তোলন সন্থাৰ উদ্যোগত ধমধমা আঞ্চলিক মহাবিদ্যালয়ত ভাৰোত্তোলন সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া ভৱজ্যোতি গোস্বামীৰ উপস্থিতিত এখন সজাগতা সভা অনুষ্ঠিত হয়। খেল-ধেমালিৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ অনুষ্ঠিত কৰা এই সভাখন। সভাখনত খেল-ধেমালিৰ গুৰুত্ব, নিয়ম, স্বাস্থ্যৰ ওপৰত প্ৰভাৱ, আৰু সামাজিক দিশসমূহ আলোচনা কৰা হয়। ইয়াৰ উপৰিও, খেলৰ দ্বাৰা শাৰীৰিক আৰু মানসিক বিকাশত কেনেদৰে সহায় কৰে সেই সম্পৰ্কেও আলোচনা কৰা হয়। ভাৰোত্তোলন খেল-ধেমালিৰ দ্বাৰা শাৰীৰিক স্বাস্থ্য উন্নত কৰা, মেদবহুলতা আৰু অন্যান্য ৰোগ প্ৰতিৰোধ কৰে বুলি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই ভাৰোত্তোলন সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া ভৱজ্যোতি গোস্বামীয়ে। আন হাতে নলবাৰী জিলা ভাৰোত্তোলন সন্থাৰ সভাপতি আনন্দ ৰাজবংশীয়ে কয় যে খেলৰ দ্বাৰা মানসিক চাপ কম কৰা, আত্মবিশ্বাস বৃদ্ধি কৰা আৰু মনোসংযোগ উন্নত কৰা। খেলৰ দ্বাৰা শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশ, সমস্যা সমাধানৰ দক্ষতা আৰু নেতৃত্বৰ গুণ বিকশিত কৰা হয়। ভাৰোত্তোলন খেল-ধেমালিৰ বিষয়ে জনসাধাৰণক অৱগত কৰা আৰু সেইবোৰ সংৰক্ষণ কৰা। এইসজাগতা সভাসমূহে খেল-ধেমালিৰ বিষয়ে জনসাধাৰণৰ মাজত এক ইতিবাচক মনোভাৱ সৃষ্টি কৰাত সহায় কৰে আৰু খেলুৱৈসকলক তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰিবলৈ উৎসাহিত কৰে। উক্ত সজাগতা সভাখনত উপস্থিত থাকে নলবাৰী জিলা ভাৰোত্তোলন সন্থাৰ সভাপতি আনন্দ ৰাজবংশী, সম্পাদিকা লাকী আহমেদকে ধৰি অন্যান্য বিষয়ববীয়া আৰু কেইবাশতাধিক ক্ৰীড়াপ্ৰেমী ৰাইজ।

## নগাঁৱত ৰামকথা অমৃতৰসৰ ব্যাখ্যা অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, নগাঁও, ৩১ জুলাই ঃ** নগাঁৱৰ সুন্দৰকাণ্ড সেৱা মণ্ডল নগাঁৱৰ উদ্যোগত অহা ৪ আগষ্টৰ পৰা ১২আগষ্টলৈ হয়বৰগাঁও হনুমান মন্দিৰ ভৱন (শনি মন্দিৰৰ কাযত) আয়োজনৰ দিহা কৰা হৈছে। ৪আগষ্টৰ দিনা পুৱা ৮: ৩০বজাৰ পৰা কলংপাৰ শ্ৰীশ্ৰী কৃষ্ণাশ্ৰম শিৱ মন্দিৰৰ পৰা আৰম্ভ হব কল্যাণ যাত্ৰা। সুন্দৰকাণ্ড সেৱা মণ্ডলৰ ২৫বৰ্ষ উপলক্ষে ৰাম কথা অমৃতৰসৰ ব্যাখ্যাকাৰী হিছাপে উপস্থিত থাকিব ৰাজস্থানৰ বিশিষ্ট পণ্ডিত জয়গোপাল শাস্ত্ৰীৰ ওপৰ অন্যান্য ব্যক্তি সকল। এই আটাইকেইদিনৰ সমূহ কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি সহায় সহযোগিতা একান্তভাৱে কামনা কৰিছে আয়োজন সমিতিয়ে।



## ভগামুখ তামূলী গাঁৱৰ মৰিজাঁজীত অভিনয় প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**অসম বাৰ্তা, জাঁজী, ৩১ জুলাই ঃ** যোৰহাট জিলাৰ ভগামুখ তামূলী গাঁৱৰ মৰিজাঁজীত অৱস্থিত পৰিৱেশ্য কলাৰ চৰ্চা আৰু অধ্যয়ন প্ৰতিষ্ঠান শংকৰদেৱ কলাএকাডেমিৰ উদ্যোগত আৰু ক্ষীৰোদ-ৰাজা পোছাক ভাণ্ডাৰৰ সহযোগত ১৩ জুলাইৰ পৰা ২৭ জুলাই লৈ অনুষ্ঠিত হোৱা "অভিনয় প্ৰশিক্ষণ" শিবিৰৰ সামৰি হয় এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান মাজেৰে একাডেমিৰ গৃহত। এই উপলক্ষে অনুষ্ঠানত উপস্থিত থাকে শিক্ষক গজেন ফুকন, সমাজ সেৱক, গৱেষক দ্বীপজ্যোতি শইকীয়া, কাব্যম যোগ প্ৰশিক্ষণ কেন্দ্ৰ চাৰিং ৰ পৰিচালক মানস প্ৰতিম বৰুৱা, সংবাদকৰ্মী সৌৰভ দুৱাৰ লগতে সমূহ অভিভাৱক সকল। আনহাতে ৪৬ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত সত্ৰীয়া সংগীতৰ স্নাতক যতীন্দ্ৰ মহন্ত, বিশিষ্ট ভাওনা শিল্পী দিগন্ত বুঢ়াগোহাঁই, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, ত্ৰিপুৰা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাট্যকলাৰ স্নাতকোত্তৰ অভিজিৎ চুতীয়া, পাৰ্থ প্ৰতিম শৰ্মা, চিত্ৰনাট্যকাৰ, অভিনেতা ত্ৰৈলোক্য কাশ্যপ, ভাওনা শিল্পী ভাৰ্গৱ বৰা, লক্ষ্মী প্ৰসাদ বৰা ই ভাওনা আৰু নাটকৰ অভিনয়ৰ প্ৰশিক্ষণ আগবঢ়াই। নিজকে এগৰাকী অভিনয় শিল্পীৰ লগতে অভিনয়ৰ ক্ৰিয়া কৌশলৰ মাধমেৰে নিজকে প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পৰা পথৰ সন্ধান দিব পৰাই এই কৰ্মশালাৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল বুলি একাডেমিৰ পৰিচালক পাৰ্থ প্ৰতিম শৰ্মা জনায়। লগতে প্ৰশিক্ষাৰ্থী সকলক লৈ ছেপ্টেম্বৰ আৰু অ'ৌবৰ মাহত এভাগ ভাওনা আৰু এখন সামাজিক নাটক মঞ্চস্থ কৰা হব বুলি জনায় ক্ষীৰোদ ৰাজা পোচাক ভাণ্ডাৰৰ তত্ত্বাৱধায়ক লক্ষ্মী প্ৰসাদ বৰাই।

## ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ একত্ৰীকৰণৰ সংকল্প



**অসম বাৰ্তা, বঙাইগাঁও, ৩১ জুলাই ঃ** বঙাইগাঁও জিলাৰ বৰপাৰা ৰাজহুৱা খেলপথাৰত আজি আৰম্ভ হ'ল সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (AKRSU)-ৰ ৩৫সংখ্যক প্ৰতিষ্ঠা দিৱস। দুদিনীয়া কাৰ্যসূচীৰে উদযাপন হোৱা এই অনুষ্ঠানত বিভিন্ন অঞ্চলৰ পৰা সহস্ৰাধিক সদস্য আৰু সংগঠক উপস্থিত থাকে। এইবাৰ প্ৰতিষ্ঠা দিৱসটো কেৱল আনুষ্ঠানিকতা হোৱাৰ সীমাতেই সীমাবদ্ধ নাথাকে। বহুবছৰ ধৰি বিভাজিত হৈ থকা আক্ৰাছুৰ বিভিন্ন গোট একত্ৰিত হোৱাৰ সংকল্প লৈ সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা আজি এক ঐতিহাসিক পদক্ষেপ ল'বলৈ সাজু হৈছে। সংগঠনৰ নেতাসকলে সংবাদমাধ্যমৰ আগত স্পষ্ট কৰে — "আজি কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বাবে এটা ঐতিহাসিক দিন। বহুবছৰৰ বিভক্তি আৰু মতভেদৰ অন্ত পৰিব।" সভাপতি আৰু অন্যান্য জ্যেষ্ঠ নেতাসকলে প্ৰতিষ্ঠা দিৱস উপলক্ষে বক্তব্য ৰাখি কয় — "আক্ৰাছু আজিৰে পৰা সংবিধান মতে চলিব। অনাগত দিনত আক্ৰাছুৰ নামত আৰু বিভক্ত হ'ব নোৱাৰিব।" অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্যামল নাৰায়ণ দেৱে কয় — "এই অনুষ্ঠান কেৱল উৎসৱ নহয়, এক আত্মসমালোচনাৰ আৰু সংগঠনিক পুনৰাৰম্ভৰ দিন। আজি অনুষ্ঠিত হ'বলগীয়া প্ৰতিনিধি সভাত দহটা গোট একত্ৰিত হৈ শক্তিশালী কেন্দ্ৰীয় সমিতি গঠন হ'ব।" আজিৰ প্ৰতিনিধি সভাত গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বৰপেটা, বঙাইগাঁও আদি অঞ্চলৰ পৰা অহা বিভিন্ন গোটৰ নেতা-কৰ্মী উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। সভাখনত নতুন একজোট কেন্দ্ৰীয় সমিতিৰ গঠন, সংগঠনৰ মূল লক্ষ্য আৰু দাবীসমূহ পুনৰ সংজ্ঞায়িত কৰাৰ সম্ভাৱনা আছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন